অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
ঢকুৱাখনা কলেজ
১৯৬৬

# অন্তৰীক্ষ


## ঢকুৱাখনা মহাবিদ্যালয় (স্বায়ত্তশাসিত) আলোচনী

একচত্বাৰিংশত্তম প্ৰকাশ ঃ ২০২৩-২০২৪ বৰ্ষ



ড° বিভা ৰাণী দাস
তত্বাৱধায়ক

তনুশ্ৰী বৰুৱা
সম্পাদক




## মহাবিদ্যালয় সংগীত

কথা ঃ পূৰ্ণানন্দ গগৈ

আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
পোহৰৰ গতি খেদি
অজ্ঞানৰ আন্ধাৰ ভেদি
নিতে নৱ সৃষ্টিৰ আপোন প্ৰতিভা বিকাশোঁ
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
সময়ৰ সংগতি ৰাখি
পুৰণি দুষ্কৃতি নাশি
আমি নৱ জ্ঞানৰ দিগন্ত প্ৰকাশোঁ
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
সাম্য মৈত্ৰীৰ গান ৰচি
বঞ্চিতক প্ৰাপ্য যাঁচি
ভাতৃসম বন্ধুত্বৰে
নতুন সমাজ গঢ়োঁ
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ।

# অন্তৰীক্ষ

ঢকুৱাখনা মহাবিদ্যালয় (স্বায়ত্তশাসিত) আলোচনী

একচত্বাৰিংশত্তম প্ৰকাশ ঃ ২০২৩-২০২৪ বৰ্ষ

# ANTARIKSHYA

Dhakuakhana College ( Autonomous) Magazine

41ST ISSUE : 2023-2024

তত্ত্বাৱধায়ক
ড° বিভা ৰাণী দাস

সম্পাদক
তনুশ্ৰী বৰুৱা

**ANTARIKSHYA :** *An Annual Magazine of Students' Union, Dhakuakhana College(Autonomous); Edited by Tanushree Boruah and Printed at P.K. Commercial & Offset Printers, Dhakuakhana.*
*41st Issue : 2023-2024*


## সম্পাদনা সমিতি

ড° যোগানন্দ সূত, মুখ্য উপদেষ্টা
ড° বিভা ৰাণী দাস, তত্বাৱধায়ক
ড° নৰেন্দ্ৰ নাথ দত্ত, উপদেষ্টা
গীতাৰ্থী বৰগোহাঁই, উপদেষ্টা
পাহাৰী কোঁৱৰ, উপদেষ্টা
ড° মায়া দেউৰী, উপদেষ্টা

## EDITORIAL BOARD

Dr. Jugananda Sut, Chief Advisor
Dr. Biva Rani Das, Prof.-in-charge
Dr. Narendra Nath Dutta, Advisor
Gitarthi Borgohain, Advisor
Paharee Konwar, Advisor
Dr. Maya Deori, Advisor


সম্পাদক ঃ তনুশ্ৰী বৰুৱা

প্ৰকাশক ঃ আলোচনী বিভাগ, ছাত্ৰ একতা সভা, ঢকুৱাখনা মহাবিদ্যালয় (স্বায়ত্তশাসিত)
প্ৰচ্ছদ ঃ অংকন ঃ চয়নিকা চুতীয়া
মূলভাৱ ঃ মনোৰঞ্জন বৰদলৈ
পৰিস্ফুটন ঃ ইন্দিবৰ বুঢ়াগোহাঞি
স্কেচ্ ঃ পল্লিকা কোঁচ, হেমালক্ষী দাস, প্ৰস্তুতি বৰা আৰু ইন্টাৰনেট উৎস
অক্ষৰ বিন্যাস ঃ ভৰজিৎ পাতিৰ
মুদ্ৰণ ঃ পি, কে, কমাৰ্চিয়েল এণ্ড অফ্ছেট প্ৰিন্টাৰ্ছ, ঢকুৱাখনা






**Ranoj Pegu**
**Minister**
Education, Tribal Affairs (P)
Indigenous and Tribal Faith &
Culture (L & M) Deptt.

सत्यमेव जयते

Block-I, (Old CM Block)
1st Floor, Janata Bhawan
Dispur, Guwahati -781006
Ph. No.: +91 99547-03825 (M)
0361-2237023 (O)
E-mail : ranojpegu@gmail.com



## MESSAGE


I am happy to know that Dhakuakhana College, Lakhimpur is going to publish its annual magazine entitled **'Antarikshya'** for the academic session 2024- 25.

"Knowledge is the currency of the universe".

The more you know, the easier it will be for you to learn new things. Thus, knowledge is an essential ingredient for achieving success in any area of life. By gaining knowledge and using it effectively, one can maximize their potential, reach their goals and create a more fulfilling and satisfying life. Our students is our future. If the energy of the students is used in constructive purposes, the whole country will taste the all round development. A nation can progress if its youth is sincere and educated. Therefore, I urge the students to give their creativity, enthusiasm, determination and spirit to learn, act and achieve for a better future.

I extend my warm greetings and heartfelt gratitude to all the teachers, students and staff for their efforts in publishing the magazine and wish a bright future of the institution.

(Dr. Ranoj Pegu)



# কৃতজ্ঞতা

- ◈ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° যোগানন্দ সূত ছাৰ ...
- ◈ মহাবিদ্যালয়ৰ মাননীয় উপাধ্যক্ষ শ্ৰীযুত চিত্ৰ কুমাৰ কোঁচ ছাৰ ...
- ◈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য শ্ৰীযুত জিতেন হাজৰিকাদেৱ ...
- ◈ তত্বাৱধায়ক শ্ৰদ্ধাৰ ড° বিভা ৰাণী দাস বাইদেউ ...
- ◈ সম্পাদনা সমিতিৰ সন্মানীয় বিষয়ববীয়াসকল...
- ◈ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীবৃন্দ...
- ◈ লেখা-সম্ভাৰে 'অন্তৰীক্ষ'ক সমৃদ্ধ কৰা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু লেখক-লেখিকাসকল...
- ◈ ছাত্ৰ একতা সভাৰ সদস্যসকল...
- ◈ আমাৰ কাৰ্যকালত অনুষ্ঠিত হোৱা সাহিত্য প্ৰতিযোগিতাসমূহৰ সন্মানীয় বিচাৰক আৰু শিক্ষাগুৰুসকল...
- ◈ অগ্ৰজ-অনুজ তথা সহপাঠীসকল...
- ◈ পি, কে, কমাৰ্চিয়েল এণ্ড অফ্‌ছেট প্ৰিণ্টাৰ্ছ, চকুৱাখনাৰ স্বত্বাধিকাৰী আৰু কৰ্মকৰ্তাসকল...
- ◈ আৰ্হিকাকত নিৰীক্ষণ কৰি উপকৃত কৰা সন্মানীয় ব্যক্তি আৰু দিহা-পৰামৰ্শৰে সহযোগিতা কৰা মোৰ শুভাকাংক্ষীসকল...

........ সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জনাই অজানিতে বৈ যোৱা ভুলৰ ক্ষমা প্ৰাৰ্থনা মাগিছোঁ।

- তনুশ্ৰী বৰুৱা, সম্পাদক
'অন্তৰীক্ষ', ৪১ সংখ্যক



# অধ্যক্ষৰ মেজৰ পৰা ...



সাহিত্য মানৱ সভ্যতাৰ উৎকৃষ্টতম সৃষ্টি। তমসা নদীৰ তীৰত বহি ধ্যান কৰি থকা মহৰ্ষি বাল্মিকীৰ মুখ নিসৃত বিষাদ অনুভৱৰ পৰাই ভাৰত ভূমিত কাব্যৰ জন্ম হৈছিল। তমসা নামৰ প্ৰবাহিনীৰ পাৰত এজুপি বৃক্ষৰ তলত মহাকবি ধ্যানমগ্ন অৱস্থাত থকাৰ সময়তে সেই ঠাইলৈ এজন ব্যাধ আহিল। ব্যাধজনে বৃক্ষৰ ডাললৈ চাই এহাল ক্ৰৌঞ্চপক্ষীয়ে প্ৰেমালাপত মগন হৈ থকা দেখিলে। ব্যাধৰ স্বাভাৱিক প্ৰবৃত্তি অনুসৰি তেওঁ ধনুত শৰ জুৰিলে আৰু প্ৰেমালাপত ব্যস্ত পক্ষীহালৰ এটা পক্ষীক শৰবিদ্ধ কৰিলে। আঘাত প্ৰাপ্ত ক্ৰৌঞ্চপক্ষীটো তেজেৰে লুটুৰি-পুটুৰি হৈ ধৰফৰাই বাল্মিকীৰ কোলাত সৰি পৰিল। বাল্মিকীৰ ধ্যানভংগ হ'ল। কোলালৈ চাই দেখিলে ৰক্তাক্ত পক্ষীটোৱে মৃত্যুৰ শেষ ক্ষণ গণিছে আৰু ওপৰলৈ চাই দেখিলে গছৰ ডালত ৰৈ যোৱা অকলশৰীয়া চৰাইটোৱে বিৰহ যন্ত্ৰণাত ইনাই বিনাই কান্দিছে। এই ঘটনা দেখি বাল্মিকীৰ হৃদয়ত সহ্যাতীত বিষাদবেদনাৰ সৃষ্টি হ'ল আৰু আপোনা-আপুনি তেওঁৰ মুখৰ পৰা ওলাই আহিল—

'মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতীঃ সমাঃ।
যৎ ক্ৰৌঞ্চমিথুনাদেকমবধীঃ কামমোহিতমঃ।।'

এয়াই পৃথিৱীত সাহিত্যৰ আৰম্ভণি। বাল্মিকীৰ মুখৰ শোকসম্ভূত কথাখিনিক আদিকবিয়ে নাম দিলে 'শ্লোক' আৰু এই শ্লোকৰ আধাৰতে পৃথিৱীৰ প্ৰথম কাব্য 'ৰামায়ণ' ৰচিত হ'ল। গতিকেই ভাৰতৰ বৌদ্ধিক-সাহিত্যিক ইতিহাস পৃথিৱীৰ ভিতৰতে সমৃদ্ধিশালী হৈ ৰৈছে। কেৱল ভাৰতীয় পৰিপ্ৰেক্ষাই নহয়, অসমতো খ্ৰীষ্টীয় অষ্টম-দ্বাদশ শতিকাৰ মাজতে প্ৰথম লিখিত সাহিত্য চৰ্যাপদৰ জন্ম হয়। আনহাতে চিত্ৰ-বিচিত্ৰ সৰল অনুভূতিৰ মৌখিক সাহিত্যইও অসমীয়া সাহিত্যৰ পথাৰখন সাৰুৱা কৰি ৰাখিছে। চৰ্যাপদতে আৰম্ভ হোৱা সাহিত্যৰ সোণসেৰীয়া যাত্ৰাটোক পৰৱৰ্তীকালীন বড়ু চণ্ডীদাসৰ 'শ্ৰীকৃষ্ণকীৰ্তন', ৰমাই পণ্ডিতৰ 'শূন্য পূৰাণ', মাধৱ কন্দলীৰ 'ৰামায়ণ', হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ', শংকৰদেৱ-মাধৱদেৱৰ বিষ্ণু-কৃষ্ণকেন্দ্ৰিক সাহিত্যই বৰ্ণিল কৰি তুলিলে। অৰুণোদই যুগ, ৰোমাণ্টিক যুগ, প্ৰাক-যুদ্ধকাল, যুদ্ধোত্তৰ যুগ আদিৰ সাহিত্যইও অসমীয়া সাহিত্যৰ গুৰিত সাৰ-পানী যোগাইছে।


ভাৰতীয় প্ৰেক্ষাপটৰ দৰেই অসমৰ সাহিত্যও ভাৱ-ভাষা-শৈলী আৰু কাব্যশাস্ত্ৰীয় সৌন্দৰ্যৰে চহকী। এই সাহিত্যৰ প্ৰবাহ সময়ৰ লগে-লগে কেতিয়াবা বাঢ়িছে, কেতিয়াবা কমিছেও। ১৮৩৬ চনৰ পৰা ১৮৭২/৭৩ চনলৈকে অন্ধকাৰ যুগত বাস কৰা অসমীয়া সাহিত্যৰ কথাও সৰ্বজন বিদিত। সেইকালত যিদৰে বেজবৰুৱা, চন্দ্ৰকুমাৰ, গোহাঞিবৰুৱাৰ দৰে নতুন তেজৰ নতুন প্ৰজ্ঞাৰ ডেকাই অসমীয়া সাহিত্যত নৱ জাগৰণ বা ৰেণেছাৰ সৃষ্টি কৰিছিল, সেইদৰেই জাতীয় চেতনা তথা সাহিত্যিক-সামাজিক-সাৰস্বত প্ৰবাহ ৰক্ষাত আজিৰ যুৱচামৰ ভূমিকাও অনবদ্য। শিক্ষানুষ্ঠানৰ আলোচনী-পত্ৰিকা আদি যুৱচামৰ বৌদ্ধিক সাধনাৰ উৰ্বৰা থলী। বিদ্যালয়-মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ উৰ্বৰ মস্তিষ্কৰ ছাত্ৰ-ছাত্ৰীৰ সৃজনীশীল চিন্তন-মনন একো-একোখন আলোচনীৰ মাজত লুকাই থাকে। এক কথাত ছাত্ৰসমাজৰ মাজতে বেজবৰুৱা-গোহাঞিবৰুৱা-চন্দ্ৰকুমাৰৰ জাতীয় জাগৰণ সমাহিত হৈ আছে।

২০২৪ বৰ্ষত স্বায়ত্তশাসিত মৰ্যাদা প্ৰাপক ঢকুৱাখনা মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'অন্তৰীক্ষ'ই ছাত্ৰ-ছাত্ৰীক আত্মবিকাশৰ সুবিশাল ক্ষেত্ৰ প্ৰদান কৰিছে। 'অন্তৰীক্ষ' শব্দই মহাকাশক বুজায়। মহাকাশ বিশালতাৰ প্ৰতীক আৰু ইয়াৰ নীলা ৰঙে প্ৰজ্ঞাৰ কথা কয়। মহাবিদ্যালয়ৰ আলোচনীখনো শিক্ষাৰ্থীসমাজৰ বিশাল চিন্তা, সুনীল প্ৰজ্ঞান্বেষী অনুভৱৰ নিদৰ্শন। ঊনবিংশ শতিকাত উচ্চশিক্ষা লভিবলৈ কলিকতালৈ যোৱা অসমীয়া ছাত্ৰসমাজৰ দ্বাৰা ১৮৮৯ চনত 'জোনাকী' প্ৰকাশ হোৱাৰ দৰেই ঢকুৱাখনা মহাবিদ্যালয়ৰ 'অন্তৰীক্ষ'ইও নব্যন্যাসৰ আশা বহন কৰিছে। এই নবন্যাসে ঢকুৱাখনা মহাবিদ্যালয়ক শক্তি দিব, নতুন ৰং দিব। আলোচনীৰ সম্পাদক-উপদেষ্টা-আলংকাৰিক প্ৰমুখ্যে সমিতিৰ সকলো সদস্যলৈ আমাৰ আন্তৰিক শুভবাদ জ্ঞাপন কৰিছোঁ। এই আলোচনীৰ পাতত যুগ মানসিকতা সলাব পৰাকৈ, জাতি আৰু সাহিত্যক নেতৃত্ব দিব পৰাকৈ সৃজনীশীল-মৌলিক লেখা প্ৰকাশিত হওক। গল্প-কবিতা-নাটক-উপন্যাস-গীত-অনুভৱ-প্ৰবন্ধৰ দৰে সাহিত্যৰ চিত্ৰ-বিচিত্ৰ বিধাই 'অন্তৰীক্ষ'ৰ বক্ষ শুৱনি কৰক।

মহাবিদ্যালয়ৰ এনে বৌদ্ধিক কৰ্মৰ প্ৰতি আমাৰ শুভ ইচ্ছা সদায় আছে। 'অন্তৰীক্ষ'ৰ বুকুতে অনাগত দিনৰ অসমীয়া সাহিত্যৰ চন্দ্ৰ-সূৰ্য-তৰা-নক্ষত্ৰ জিলিকি উঠিব বুলি আমাৰ দৃঢ় বিশ্বাস।

শুভাশাৰে,

(ড° যোগানন্দ সূত)
অধ্যক্ষ
ঢকুৱাখনা মহাবিদ্যালয় (স্বায়ত্বশাসিত)





# তত্ত্বাৱধায়কৰ একাষাৰ






ঢকুৱাখনা মহাবিদ্যালয়ৰ সুদীৰ্ঘ ইতিহাসত বাৰ্ষিক আলোচনী 'অন্তৰীক্ষ'ই ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যিক আৰু বৌদ্ধিক সাধনাৰ কৰ্ষণথলী হিচাপে অনন্য অৱদান আগবঢ়াই আহিছে। এই 'অন্তৰীক্ষ'ৰে ২০২৩-২৪ বৰ্ষৰ একচত্বাৰিংশ সংখ্যক আলোচনীৰ তত্ত্বাৱধায়ক ৰূপে দায়িত্বভাৰ গ্ৰহণ কৰিব পৰাটো মোৰ বাবে এক অনন্য প্ৰাপ্তি। প্ৰাৰম্ভিক পৰ্যায়ৰপৰা 'অন্তৰীক্ষ'ই এপাহ প্ৰস্ফুটিত ফুল হৈ উঠালৈকে যত্নৰ কোনো ত্ৰুটী কৰা নাছিলোঁ। আলোচনীখনত প্ৰবন্ধ, গল্প, কবিতা, উপন্যাসিকা, সাক্ষাৎকাৰ, গ্ৰন্থ সমালোচনা, বোলছবি সমালোচনা, ভ্ৰমণ কাহিনী, ৰস ৰচনা, অনুভৱৰ স্বৰ, কলা বিথীকা আদি বিচিত্ৰ বিষয়ৰ সমাহাৰ ঘটিছে। আলোচনী এখনৰ প্ৰস্তুতি পৰ্বৰ প্ৰাৰম্ভিক পৰ্যায়ত লেখা সংগ্ৰহ কৰাটো এটা জটিল কাম। কিন্তু ছাত্ৰ-ছাত্ৰীসকলৰ ইতিবাচক সঁহাৰিয়ে 'অন্তৰীক্ষ'ক পূৰ্ণাঙ্গ ৰূপ লাভ কৰাত অৰিহণা যোগালে। 'অন্তৰীক্ষ'ৰ বিশালতাই যথাৰ্থতে ছাত্ৰ-ছাত্ৰীসকলৰ আশা, সপোন, হেঁপাহ আৰু বৌদ্ধিক কৰ্ষণৰ সমাহাৰ সূচাইছে। সৃষ্টিশীল মন আৰু চিন্তা শক্তিৰ বিচ্ছুৰিত আভাৰে আলোচনীখন পূৰ্ণাঙ্গ আৰু পঠনযোগ্য কৰি তোলাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল আন্তৰিক ধন্যবাদৰ পাত্ৰ। মহাবিদ্যালয়ৰ যুগে যুগে প্ৰবহমান ধাৰাত ছাত্ৰ-ছাত্ৰীসকল প্ৰজ্ঞা আৰু সাধনাৰে উদ্দীপ্ত হৈ শৈক্ষিক-বৌদ্ধিক জয়যাত্ৰা সুবৰ্ণমুখী কৰি তোলাৰ সবল সহযোগী হওক।

আলোচনীখনৰ সামগ্ৰিক কাম-কাজত উৎসাহ-উদ্দীপনা আৰু দিহা-পৰামৰ্শৰে আমাক কৃতাৰ্থ কৰা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। তেখেতৰ মহানুভৱতাই 'অন্তৰীক্ষ'ৰ প্ৰকাশ সফল কৰি তুলিছে। সন্মানীয় উপাধ্যক্ষ মহোদয়ৰ দিহা-পৰামৰ্শৰ বাবেও তেখেত ধন্যবাদৰ পাত্ৰ। সম্পাদনা সমিতিৰ সন্মানীয় সদস্যসকলৰ সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শৰ বাবে তেখেতসকললৈ আন্তৰিক ধন্যবাদ জনাইছোঁ। ইয়াৰ উপৰি আমাক বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়োৱা প্ৰাণীবিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক শ্ৰদ্ধাৰ ইন্দিবৰ বুঢ়াগোহাঞি আৰু অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক মনোৰঞ্জন বৰদলৈক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সম্পাদিকা তনুশ্ৰী বৰুৱাই আলোচনীখনৰ কাম-কাজ সফলভাৱে ৰূপায়ণ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল। তেওঁলৈ ধন্যবাদ জনোৱাৰ লগতে ভৱিষ্যতেও এনেধৰণৰ গঠনমূলক কামত নিজকে নিয়োজিত কৰিব বুলি আশা কৰিলোঁ। শেষত আলোচনীখনৰ অনিচ্ছাকৃত ভুল- ত্ৰুটীৰ বাবে ক্ষমা মাৰ্জনা বিচাৰিলোঁ। 'অন্তৰীক্ষ'ত ঢকুৱাখনা মহাবিদ্যালয়ৰ প্ৰজ্ঞাৰ মণি-মুকুটা জিলিকি উঠক।

বিভা ৰাণী দাস

(ড° বিভা ৰাণী দাস)
তত্ত্বাৱধায়ক
অন্তৰীক্ষ, ২০২৩-২৪ বৰ্ষ

# সম্পাদকীয়





**সাহিত্য পাঠৰ প্ৰয়োজনীয়তা ঃ** সাহিত্য এনে এবিধ সৃষ্টিকৰ্ম যে ই বিজ্ঞান, দৰ্শন, ইতিহাস, সমাজ বিজ্ঞান, অৰ্থনীতি ইত্যাদি জ্ঞানৰ বিভিন্ন বিভাগৰ পৰা তাৰ সমল আহৰণ কৰে। জ্ঞানৰ আন আন বিভাগবোৰ তত্ত্বমূলক আৰু প্ৰধানকৈ সেইবোৰ যুক্তিৰ আধাৰত প্ৰতিষ্ঠিত। সাহিত্যৰ যুক্তিৰ জৰিয়তে লাভ কৰা জ্ঞানক কল্পনা আৰু আৱেগ অনুভূতিৰ সৈতে যুক্ত কৰা হয়। প্ৰত্যেকজন ব্যক্তিৰ হৃদয়ত আৱেগ-অনুভূতি কিছু নহয় কিছু সঞ্চিত হৈ আছেই। সাহিত্যৰ বিশেষ সাফল্য এইখিনিতে যে ই মানুহৰ সহজাত কল্পনা আৰু আৱেগ অনুভূতিবোৰ সুন্দৰতম আৰু মহত্তম ৰূপত প্ৰকাশ কৰে। ভাৰতীয় নন্দনতত্ত্ব অনুসৰি ন প্ৰকাৰৰ ৰস সৃষ্টি কৰাটো সাহিত্যৰ প্ৰধান গুণ। এই ৰসবোধে পাঠকৰ মনৰ উচ্চ খাপৰ পৰা নিম্ন ধৰণৰ আনন্দৰ খোৰাক দিয়ে। এনে আনন্দই মানুহক সংস্কৃত, মাৰ্জিত আৰু সুৰুচিসম্পন্ন কৰি তোলে, লগতে ই মানুহৰ মনত সৌন্দৰ্যৰ চেতনা জাগ্ৰত কৰি তোলে। সেয়ে ক'ব পাৰি সাহিত্যই একেলগে মানুহক মহৎ হ'বলৈ আৰু সুন্দৰৰ সাধক হ'বলৈ শিকায়। এই সুন্দৰৰ সাধনাই ব্যক্তিক জীৱনক ভাল পাবলৈ উদগনি দিয়ে।

ভাষাক প্ৰাণৱন্ত ঐশ্বৰ্যময় আৰু মহিমামণ্ডিত কৰি তুলিব পাৰে কেৱল সাহিত্যইহে। একো একোটা ভাষাৰ খ্যাতি আৰু গৌৰৱ নিৰ্ভৰ কৰে সেই ভাষাৰ মহৎ সাহিত্যিক সকলৰ ওপৰত। নিজৰ দেশখন আৰু তাৰ সাহিত্য, ক'লা, সংস্কৃতিৰ জ্ঞান লাভ কৰিবলৈ মাতৃভাষাৰ শিক্ষা আৰু অনুশীলনৰ খুবেই প্ৰয়োজন। ভাষাটো ক'ব পাৰিলেই বা সাধাৰণভাৱে লিখিব বা পঢ়িব পাৰিলেই মাতৃভাষাৰ সম্পূৰ্ণ সোৱাদ পোৱা নাযায়। শব্দৰ ভঁৰাল চহকী নহ'লে সাহিত্য চৰ্চা প্ৰায় অসম্ভৱ বুলি ক'ব পাৰি। সাহিত্য পাঠৰ যোগেদি একোজন মানুহে নিজৰ মাতৃভাষাটোক আৰু অন্যান্য চহকী ভাষাবোৰক ভাল পাবলৈ শিকে। সাহিত্যই বিশ্ব মানৱ মনত ভ্ৰাতৃত্ববোধ গভীৰতৰ কৰি তোলে। জীৱনক পূৰ্ণ ৰূপত জানিবলৈ সাহিত্যৰ খুৱেই প্ৰয়োজন। ভাষাত প্ৰকাশ কৰা কোনো অৰ্থপূৰ্ণ বক্তব্যই সাহিত্য আৰু এই সাহিত্যৰ প্ৰধান বাহক হ'ল ভাষা।

**সমাজ আৰু সাহিত্য ঃ** সাহিত্য আৰু সমাজৰ মাজত নিবিড় সম্পৰ্ক আছে। সমাজক বাদ দি কোনো সাহিত্য ৰচিত হ'ব নোৱাৰে। কাৰণে লিখকে সমাজত বাস কৰা মানুহৰ বাবে সাহিত্য ৰচনা কৰে আৰু লিখকেও সমাজৰ পৰাই তেওঁৰ লিখনিৰ কেঁচামাল সংগ্ৰহ কৰে। লিখকে সমাজত ঘটা ঘটনা, সমাজত বাস কৰা মানুহৰ জীৱন শৈলী, সিহঁতৰ আশা আকাংক্ষা, চিন্তা-চৰ্চা আদি সাহিত্যৰ মাজেদি মূৰ্ত কৰি তোলে। সেয়ে সাহিত্যক "সমাজৰ দাপোণ" বুলিও কোৱা হয়। এক কথাত ক'বলৈ গ'লে "সাহিত্য হৈছে সমাজৰ কলাত্মক প্ৰতিচ্ছবি"। সমাজ পৰিৱৰ্তন, মানুহ দৃষ্টিভংগী সলনিকৰণ, পুৰণিক ভাঙি নতুনক প্ৰতিস্থাপন কৰাত সৃষ্টিশীল সাহিত্যৰ ভূমিকা অনস্বীকাৰ্য। কিয়নো সাহিত্যিক সকলে সমাজৰ বাবে সাহিত্য ৰচনা কৰে আৰু সাহিত্য সৃষ্টিৰ জৰিয়তে সমাজৰ প্ৰতি সিহঁতৰ/ তেওঁলোকৰ সামাজিক দায়বদ্ধতা পালন কৰে। যি সাহিত্যত সামাজিক দায়বদ্ধতা নাথাকে তেনে সাহিত্যই পাঠকসমাজৰ দৃষ্টি আকৰ্ষণ কৰিব নোৱাৰি কালৰ সোঁতত হেৰাই যায়।



আজিৰ বিজ্ঞানৰ যুগত সাহিত্যৰ প্ৰয়োজনীয়তা কমি আহিছে বুলি কোনোবাই যদিও কয়, তেন্তে সি তেনেই তৰাং যুক্তি হ'ব। কাৰণ বিজ্ঞানে মানুহক খুব ক্ষমতাশালী কৰি তুলিব পাৰিছে যদিও মানুহৰ মূল চাৰিত্ৰিক বৈশিষ্ট্যবোৰ বেলেগ কৰি দিব পৰা নাই। কুৰি শতিকাৰ শ্ৰেষ্ঠতম বৈজ্ঞানিক সকলেও মহৎ সাহিত্যিক সকলক প্ৰকৃত অৰ্থত দ্ৰষ্টা বুলি গণ্য কৰি সন্মান কৰি আহিছে। বিজ্ঞান আৰু সাহিত্যৰ মাজত যে এডাল অভংগন সোণালী সাঁকো আছে সেই কথা শ্ৰেষ্ঠতম বিজ্ঞানবিদ সকলে ভালদৰে উপলব্ধি কৰে।

শেষত ক'ব পাৰি যে সুন্দৰ আৰু শৃংখলিত সমাজ গঠনত সৃষ্টিশীল সাহিত্যৰ ভূমিকাৰ কোনো বিকল্প নাই। সেয়ে আমি সকলোৱে সাহিত্য অধ্যয়নৰ অভ্যাস গঠন কৰা উচিত আৰু নৱ প্ৰজন্মক সাহিত্য অধ্যয়নৰ প্ৰতি উৎসাহ-উদ্দীপনা দিয়াৰ লগতে সাহিত্য অধ্যয়নৰ বাবে উপযুক্ত পৰিৱেশ গঠন কৰাত মনোযোগী হোৱা উচিত।

**যুৱ প্ৰজন্ম ঃ** যুৱ প্ৰজন্ম বুলিলে সাধাৰণতে আমাৰ সমাজৰ উদীয়মান যুৱক-যুৱতী সকলকে বুজা যায় আৰু যুৱ মানসিকতা হৈছে এই উদীয়মান যুৱক-যুৱতীসকলৰ চিন্তা চেতনা, বিচাৰ আদৰ্শ, মূল্যবোধ আৰু আচাৰ-আচৰণৰ সমষ্টিগত ধ্যান ধাৰণাৰ প্ৰক্ৰিয়াত্মক ৰূপ। ছাত্ৰ-শক্তিয়েই একোখন দেশৰ বা জাতিৰ প্ৰধান যুৱশক্তি। সততে জ্যেষ্ঠসকলৰ মুখত শুনা যায় আজিৰ যুৱ-প্ৰজন্মৰ নৈতিক স্খলন ঘটিছে, উচ্ছৃঙ্খল হৈছে, হয়, এই কথা নোহোৱাও নহয়। কিন্তু আমি যদি বেয়াটোকে সমালোচনা কৰি থাকোঁ ভালবোৰেনো উৎসাহ পাব ক'ৰ পৰা ? আজিৰ যুৱ-প্ৰজন্মই কিছুমান ব্যতিক্ৰমী কাম কৰিছে। দেখা যায় বিভিন্ন এন. জি. অ' দল বা বিভিন্ন গায়কৰ নামত গঠিত ফেনক্লাবৰ উদ্যোগত বানপীড়িত সকলক সাহায্য দিয়া, ফেচবুক বা হোৱাটছআপৰ বন্ধুবিলাকে একোটা গোট গঠন কৰি আশ্ৰয়হীন বা অক্ষমসকলক বস্ত্ৰ দিয়া কাৰ্যসমূহ কৰি থাকে। তথাপিও আজিৰ যুৱ-প্ৰজন্মই সৃষ্টিশীল কাৰ্যত মনোনিৱেশ কৰি সমাজৰ হকে যি অৰিহণা আগবঢ়াইছে ইয়ো এক শুভ লক্ষণেই বোধ কৰোঁ। আমাৰ নৱ প্ৰজন্মই ফুলৰ লগত খেলি সুগন্ধি পাবলৈ হ'লে নিজৰ লগতে দেশৰ নাম বিশ্বপটত উজ্জ্বল কৰিবলৈ হ'লে পোন প্ৰথমে প্ৰতিজন অভিভাৱক সচেতন হ'ব লাগিব। প্ৰতিজন অভিভাৱক তথা শিক্ষকে সন্তান বা ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান প্ৰযুক্তিবিদ্যা বা সকলো ধৰণৰ উচ্চ শিক্ষাৰে শিক্ষিত কৰাৰ লগতে তেওঁলোকক একোজন সৎ, মানৱদৰদী মানুহ হিচাপে গঢ়ি তুলিব লাগিব।

**মুখপত্ৰখনিৰ বিষয় ঃ** ঢকুৱাখনা অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ঢকুৱাখনা মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) অতীত, বৰ্তমান যথেষ্ট প্ৰগতিৰ দিশত। ১৯৬৬ চনৰ পৰা জ্ঞানৰ জ্যোতিৰে ঢকুৱাখনা মহকুমাক জাতিষ্কাৰ কৰা "ঢকুৱাখনা মহাবিদ্যালয়" নামৰ এই জ্ঞানৰ মন্দিৰটিৰ মুখপত্ৰখনিক ২০১৩-২০১৪ বৰ্ষৰ পৰা 'অন্তৰীক্ষ' নামেৰে নামকৰণ কৰা হৈছে। এখন উন্নত মানৰ আলোচনীৰ আঁৰত থাকে সম্পাদকৰ জ্ঞান, প্ৰয়োজনীয় পুঁজি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লেখা-মেলা আদিৰ দিশত থকা আগ্ৰহ। আলোচনীখন প্ৰকাশৰ বিভিন্ন স্তৰত ৰৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে সম্পাদক হিচাপে মই ক্ষমাপ্ৰাৰ্থী।

**কৃতজ্ঞতা স্বীকাৰ ঃ** নিজকে মহাবিদ্যালয় এখনৰ আলোচনী সম্পাদিকা হোৱাৰ যোগ্যতা আছে বুলি নকওঁ। কিন্তু যিকণ জ্ঞানেৰে কলম ধৰিবলৈ শিকিছিলোঁ, নজনা কথা জানিছিলোঁ, সাহিত্য কি জানিছিলোঁ তাৰ সম্পূৰ্ণ কৃতিত্ব মোৰ ঘৰখন তথা মোৰ 'মা'। সেয়েহে প্ৰথমেই কৃতজ্ঞতা মাক এই বাট দেখুৱাৰ বাবে। ইয়াৰ পাছতেই মহাবিদ্যালয়ৰ শিক্ষাগুৰু বিশেষভাৱে আলোচনী বিভাগক তত্ত্বাৱধায়ক হিচাপে মোৰ প্ৰতিটো ক্ষেত্ৰতে সহায়-সহযোগ তথা দিহা-পৰামৰ্শৰে উপকৃত কৰা শ্ৰদ্ধাৰ ড° বিভা ৰাণী দাস বাইদেউ, অধ্যক্ষ শ্ৰীযুত যোগানন্দ সূতদেৱ, অৱসৰপ্ৰাপ্ত শিক্ষাগুৰু ইন্দিবৰ বুঢ়াগোহাঞি ছাৰ, সম্পাদনা সমিতি আৰু পুথিভঁৰালৰ সমূহ কৰ্মচাৰী সকলক মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ সুবিধা দিয়া প্ৰতিজন ডিকেছিয়ানলৈ ধন্যবাদ জনাইছোঁ। আলোচনীখনৰ প্ৰকাশৰ ক্ষেত্ৰত মোক সহায় কৰা ছাত্ৰ একতা সভাৰ সদস্য সকল আৰু মোৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউ সকলক আন্তৰিক ধন্যবাদ জনাইছোঁ। মোৰ কাৰ্যকালত তেওঁলোকে যি সহায়-সহযোগিতা কৰিলে তাক মই সদায় মনত ৰাখিম।

তদুপৰি যিসকলৰ লেখনিয়ে আলোচনীখনৰ প্ৰতিটো পৃষ্ঠা শুৱনি কৰিলে সেইসকলক জনাইছো আন্তৰিক ধন্যবাদ। যদি কেনেবাকৈ কাৰোবাৰ নাম ৰৈ গৈছে সেইসকলক মোৰ কৃতজ্ঞতা জনোৱাৰ লগতে ক্ষমা বিচাৰিছোঁ।

সদৌ শেষত আলোচনীখনিৰ সম্পাদনাত অজানিতে ৰৈ যোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা জনালোঁ। আশা কৰোঁ মোৰ কাৰ্যকালত ৰৈ যোৱা ক্ৰটিসমূহ পাছৰ কাৰ্যকালত নিষ্পত্তি হ'ব। সকলোকে ধন্যবাদেৰে...

জয়তু ঢকুৱাখনা মহাবিদ্যালয় (স্বায়ত্তশাসিত)

জয়তু ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

তনুশ্ৰী বৰুৱা

# সূচীপত্ৰ

**প্ৰবন্ধ ঃ**

◈বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যত সমাজ-চেতনা— **মিতালী বৰঠাকুৰ** /১৩
◈অসমৰ পুতলা নাচ আৰু ইতিহাস-- **চুমকি গগৈ**/১৬
◈অন্ধবিশ্বাস আৰু আমাৰ সমাজ--**ড° অমল চন্দ্ৰ দত্ত**/১৮
◈অসমৰ স্থাপত্য, ভাস্কৰ্য আৰু চিত্ৰকলাত এভুমুকি--**বিমান চমুৱা**/২০
◈দীপালী বৰঠাকুৰে কণ্ঠদান কৰা গীতৰ বিষয় বৈচিত্ৰ্য—**কৰবী দত্ত**/২৩
◈বৌদ্ধিক উত্তৰণৰ ক্ষেত্ৰত সামাজিক মাধ্যমৰ ভূমিকা--**দ্বীপৰঞ্জন দত্ত**/২৬
◈বাল্য বিবাহ ঃ ইয়াৰ প্ৰভাৱ আৰু প্ৰতিৰোধৰ উপায় —**জ্ঞানদ্বীপ কোঁচ**/২৮
◈শৃংখলাবদ্ধ আৰু সমৃদ্ধিশালী সমাজ গঢ়াত নাৰীৰ ভূমিকা—**লক্ষীমাই বৰুৱা**/৩১
◈সাম্প্ৰতিক সময়ৰ সমাজ ব্যৱস্থাত শংকৰ-মাধৱৰ প্ৰাসংগিকতা--**শিৰাণী বৰ্মণ**/৩৩
◈ALTRUISM: THE SACRIFICE FORM OF BEHAVIOUR AMONG ANIMALS --**Dr. Narendra Nath Dutta** /৩৪
◈HUMANSTIC PHILOSOPHY OF SHRIMANTA SANKARDEVA –**Dipshikha Boruah**/৩৬
◈Communication at the Age of Science--**Paharee Konwar**/৩৮
◈The Naming Game : Bharat VS India--**Kripa Sagar Pegu**/৪০
◈Health and Wellness--**Lakhichaya Pegu** /৪০
◈Marie Curie : Life history of a Woman who changed "Science"--**Tribeni Gohain**/৪৪
◈Exploring the Cosmos : The Fascinating Nourney of Chandraryaan Missions --**Abhinab Neog** /৪৬

**কবিতা** / ৪৮-৫৬

✚**পৌনঃ পুনিক**-- পংকজ চক্ৰৱতী
✚**জীৱন**-- জিন্টু টাৰ
✚**পিতাই**—মেঘালী গোঁহাই
✚**সোণোৱালী শৈশৱ সোণ যেন স্মৃতি**—বৰ্ণালী ভৰালী
✚**জীৱন**—বিদ্যাৰতী গগৈ
✚**ঢকুৱাখনা মহাবিদ্যালয়**— দিপান্তৰ হাজৰিকা
✚**মানৱতা**— কমল দাস
✚**সোণোৱালী শৈশৱ এটি মধুৰ সপোন** – তৃষ্ণা কোঁৱৰ
✚**তুমি আৰু মই**— টিনা বড়া
✚**মা**— লীনা ৰায়
✚**ব'হাগৰ আগমন**—গৌতম দাস
✚**আমি কোন**—স্বৰ্ণজ্যোতি গগৈ
✚সোণোৱালী শৈশৱ—দায়েনা পাচনী
✚The Burden of Being a Man--Deepranjan Dutta
✚The Farmer's Hope--Manash Handique
✚Love--Priyanab Jyoti Gogoi



**গল্প ঃ**

◈ **বৃদ্ধাৱস্থা**-- লীনামণি বৰুৱা /৫৭
◈**নিয়তিৰ ইচ্ছা**-- জিপুলীনা গোঁহাই/৫৯
◈**মৃত্যু**—সবিতা বৰুৱা/৬১
◈**সপোনৰ পম খেদি**--নিমিষা বৰা/৬৩

● **সাক্ষাৎকাৰ** *ৰাজশ্ৰী হাতীবৰুৱাৰ সৈতে...* /৬৪

**অনুপ্ৰেৰণাদায়ক ৰচনা ঃ**

◈অধ্যয়ন কাৰ্যক আকৰ্ষণীয় কৰি তোলাৰ বিভিন্ন কৌশল— অংশুমান কোঁচ/৬৭

**উপন্যাসিকা ঃ**

◈অন্তৰ্দ্বন্দ্ব – সীমাশ্ৰী গগৈ/৭০

**বোলছবি সমালোচনা ঃ**

◈'আমিষ'—পংকজ চক্ৰৱতী/৭৪

**ভ্ৰমণ কাহিনীঃ**

◈নামচাইত এভুমুকি —ঋষিকেশ হাজৰিকা/৭৭

**ৰস ৰচনা ঃ**

◈ভোগালীৰ ভোজ –চয়নিকা চুতীয়া/৭৮

**অনুভৱ স্বৰ ঃ**

◈যুৱ মহোৎসৱৰ অভিজ্ঞতা--গায়ত্ৰী হাজৰিকা/৮০

**পৰিশিষ্ট ঃ**

◈সম্পাদকৰ প্ৰতিবেদন
◈মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহৰ ফলাফল






# শ্ৰদ্ধাঞ্জলি



শশী ফুকন
মনোৰঞ্জনধৰ্মী মাহেকীয়া আলোচনী 'বিস্ময়'ৰ প্ৰতিষ্ঠাপক সম্পাদক



ৰতন টাটা
ভাৰতীয় উদ্যোগপতি তথা সমাজ হিতৈষী




পংকজ উদাস
সংগীত জগতৰ নক্ষত্ৰস্বৰূপ

# অভিনন্দন



ৰথীন্দ্ৰনাথ গোস্বামী
শিশু সাহিত্য অকাডেমী বঁটা, ২০২৩



ৰঞ্জু হাজৰিকা
শিশু সাহিত্য অকাডেমী বঁটা, ২০২৪



ৰিয়ান পৰাগ
ভাৰতীয় ক্ৰিকেট দলত অসমৰ সুযোগ্য সন্তান




মহাবিদ্যালয় অধ্যক্ষ মাননীয় ড° যোগানন্দ সূত



মহাবিদ্যালয় উপাধ্যক্ষ মাননীয় শ্ৰীযুত চিত্ৰ কুমাৰ কোঁচ

## ৪১ সংখ্যক 'অন্তৰীক্ষ'ৰ সম্পাদনা সমিতি




বহি বাঁওফালৰ পৰা ক্ৰমে ঃ পাহাৰী কোঁৱৰ (উপদেষ্টা), গীতাৰ্থী বৰগোহাঁই (উপদেষ্টা), ড° বিভা ৰাণী দাস (তত্ত্বাৱধায়ক), ড° যোগানন্দ সূত (মুখ্য উপদেষ্টা), ড° নৰেন্দ্ৰ নাথ দত্ত (উপদেষ্টা), ড° মায়া দেউৰী (উপদেষ্টা)
থিয় হৈ বাঁওফালৰ পৰা ক্ৰমে ঃ জেৰিণা বুঢ়াগোহাঁই (সদস্যা), টুইনা দাস ( সদস্যা), তুলিকা বৰুৱা (সদস্যা), তনুশ্ৰী বৰুৱা ( সম্পাদক), সুলেখাৰাণী কুম্বাং (সদস্যা), দিপক চুতীয়া (সদস্য), জ্যোতিষ্মান চমুৱা (সদস্য), বিমান চমুৱা (সদস্য)

## ছাত্ৰ একতা সভা, ২০২৩-২৪ বৰ্ষ



বাঁওফালৰ পৰা ক্ৰমে ঃ টুইনা দাস (উপ-সভাপতি), জেৰিণা বুঢ়াগোহাঁই (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা), তুলিকা বৰুৱা (সম্পাদিকা, সমাজসেৱা), তনুশ্ৰী বৰুৱা (সম্পাদিকা, সাহিত্য আৰু আলোচনী) সুলেখাৰাণী কুম্বাং (সম্পাদিকা, ক্ৰীড়া শাখা), জ্যোতিষ্মান চমুৱা (সম্পাদক, ছাত্ৰ জিৰণি কোঠা, বিমান চমুৱা (সম্পাদক, শৰীৰ চৰ্চা)
অনুপস্থিত ঃ ৰিকুমণি গোহাঁই (সভাপতি), দিপক চুতীয়া (সাধাৰণ সম্পাদক), তপন গোহাঁই (সহঃ সাধাৰণ সম্পাদক), অভিনৱ বুঢ়াগোহাঁই (সাংস্কৃতিক সম্পাদক ), পৰশমণি [illegible]





মহাবিদ্যালয়ৰ শিক্ষকসকলৰ একাংশ




মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ একাংশ

# ৫৭ সংখ্যক মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ শ্ৰেষ্ঠসকল



পংকজ চক্ৰৱৰ্তী
শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী



স্বৰ্গজ্যোতি গগৈ
মিচ্ ডি কে চি



মেৰী বৰগোহাঁই
ষ্ট্ৰং ৱমেন



ৰিকী সুত
শ্ৰেষ্ঠ গায়িকা



পম্পী হাজৰিকা
শ্ৰেষ্ঠা খেলুৱৈ



কৈলাশ দত্ত
শ্ৰেষ্ঠ খেলুৱৈ



আশিস ধন্য বৰা
মিষ্টাৰ ডি কে চি, শ্ৰেষ্ঠ ...



# বিভাগীয় প্ৰাচীৰ পত্ৰিকা




ৰসায়ন বিজ্ঞান বিভাগ



গণিত বিভাগ




ৰাজনীতি বিজ্ঞান বিভাগ




ইতিহাস বিভাগ




প্ৰাণীবিজ্ঞান বিভাগ




উদ্ভিদ বিজ্ঞান বিভাগ




ইংৰাজী বিভাগ



অৰ্থনীতি বিভাগ




পদাৰ্থ বিজ্ঞান বিভাগ





নৃতত্ত্ব বিভাগ





অসমীয়া বিভাগ


NSS UNIT, Dhakuakhana College (Autonomous)


Study Centre, DODL
Dhakuakhana College (Autonomous)


ORCHIDARIUM
Dhakuakhana College (Autonomous)


LYCEUM
Dhakuakhana College (Autonomous)



CENTRAL LIBRARY
Dhakuakhana College (Autonomous)


STUDENTS' UNION
Dhakuakhana College (Autonomous)

*এগৰাকী হাড়ে হিমজুৰে মানৱতাবাদী সাহিত্যিক আছিল বিষ্ণু প্ৰসাদ ৰাভা। তেখেতৰ সাহিত্যত কোনো জাতি-বৰ্ণ বা সম্প্ৰদায়ৰ চাপ নাই। একমাত্ৰ সমাজৰ শোষিত মানুহ চামেই আছিল ৰাভাদেৰৰ সাহিত্যৰ প্ৰেৰণা আৰু মুখ্য সমল।*

# বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যত সমাজ-চেতনা

**মিতালী বৰঠাকুৰ**
চতুৰ্থ যাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

'অ জুমে জুমে আহ কেঁচা সোণ
আহ বনুৱাৰ দল।
ন-পোহৰৰ জিলিক সানি
যাওঁ আগুৱাই ব'ল।'

সকলো জনতাক একলগ কৰি, ভিন্ পৰ নাৰাখি, হাতে হাত ধৰি, শ্ৰমৰ জৰিয়তে এখন সুন্দৰ সমাজ গঢ়াৰ প্ৰচেষ্টা চলোৱা এগৰাকী স্বনামধন্য ব্যক্তি আছিল-কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা। ৰাভাদেৱে সম্ভ্ৰান্ত শ্ৰেণীৰ কবলৰ পৰা শোষিত সকলক উদ্ধাৰ কৰাৰ বাবে যথেষ্ট প্ৰচেষ্টা হাতত হৈছিল। নিষ্পেষিত জনতাৰ দুখ-দুৰ্গতিৰ কথা বিষ্ণু ৰাভাৰ ৰচিত সাহিত্যত খুউব স্পষ্টকৈ ফুটি উঠিছিল। সাহিত্য ৰচনাৰ জৰিয়তেই ধনীক শ্ৰেণীৰ বিৰুদ্ধে ৰাভাদেৱে জেহাদ ঘোষণা কৰিছিল। দীন-দুখীয়াসকলৰ ত্ৰাণকৰ্তাস্বৰূপ আছিল বিষ্ণুপ্ৰসাদ ৰাভা। বঞ্চিতসকলক আগুৱাই নিয়াত প্ৰেৰণা যোগাবলৈ ৰাভাদেৱে গাইছিল-


'কমৰ বান্ধি ল' কৃষক বনুৱা
ৰক্তৰে নিচান উৰাই
মহাচীন আৰু ৰাছিয়াৰ পথে
সেই পথে ব'ল আগুৱাই
কৃষক মুক্তি নাই মালিকানাৰ প্ৰতাৰণা হায়!
কোৰিয়া, চীন আৰু ৰাছিয়াৰ পথে
ব'ল আগুৱাই, ব'ল আগুৱাই।

এগৰাকী হাড়ে হিমজুৰে মানৱতাবাদী সাহিত্যিক আছিল বিষ্ণু প্ৰসাদ ৰাভা। তেখেতৰ সাহিত্যত কোনো জাতি-বৰ্ণ বা সম্প্ৰদায়ৰ চাপ নাই। একমাত্ৰ সমাজৰ শোষিত মানুহ চামেই আছিল ৰাভাদেৱৰ সাহিত্যৰ প্ৰেৰণা আৰু মুখ্য সমল।

অসমীয়া সাহিত্যৰ এই বিশাল পথাৰখনৰ একো একাটা সোণালী বীজ আছিল ৰাভাদেৱৰ প্ৰতিটো

লিখনি। ৰাভাদেৱৰদ্বাৰা সৃষ্ট সাহিত্যবোৰ আছিল অসমৰ তেজাল বদন মলিন হোৱা নতুন পুৰুষৰ প্ৰেৰণাৰ একমাত্ৰ উৎস। তেখেতৰ লিখনিসমূহ আছিল সদায়ে সমাজমুখী। সহজ-সৰল ভাষাৰে দৰিদ্ৰ লোকৰ ওপৰত চলা অন্যায়-শোষণ আদিৰ বেদনা প্ৰকাশৰ লগতে ধনতন্ত্ৰবাদৰ অৱসান ঘটাই ন-জিলিঙনি অনাৰ মূৰ্তমানৰ প্ৰচেষ্টাই আছিল বিষ্ণু প্ৰসাদ ৰাভাৰ সাহিত্য সৃষ্টিৰ উদ্দেশ্য।

জনগণৰ সমন্বিত শক্তিৰ হাতত সদায়েই শাসক গোষ্ঠীৰ আসুৰিক শক্তি হৈ আহিছে পদাঘাত! শোষণ-নিষ্পেষণৰ দাৰুণ সংগ্ৰামী যাত্ৰাপথত সেয়েহে সাহসেৰে আগবাঢ়ি গৈ স্থিতাৱস্থাৰ পৰিৱৰ্তন কৰিবলৈ তেওঁ সাহসী আৰু শ্ৰমিক দৰদী কণ্ঠৰে গাইছিল-



“ভাঙ্ ভাঙ্ ভাঙ্ ভাঙ্
লোহাৰ শিকলি ভাঙ্
ছিঙ্ ছিঙ্ ছিঙ্ ছিঙ্
দাসৰ বান্ধোন ছিঙ্
খোল খোল খোল খোল
কাৰাৰ ফাটক খোল
ভাঙ ভাঙ ভাঙ ভাঙ
দুৱাৰৰ ডাং।”

সমাজখনৰ পৰিৱৰ্তনৰ হকে ৰাভাদেৱে বিপ্লৱৰো সূচনা কৰা কাৰ্যত পোষকতা কৰিছিল। তেখেতে ভাবিছিল মানুহৰ ওপৰত চলা অবিৰত শোষণ-নিৰ্যাতনৰ ফলতেই শোষিত-নিষ্পেষিত জনসাধাৰণ বিদ্ৰোহী হৈ উঠে। এই শোষণ ব্যৱস্থাৰ অন্যতম হোতা হ'ল- ধনতন্ত্ৰবাদ। সেইবাবেই ৰাভাদেৱে তেওঁৰ লিখনিৰ জৰিয়তে কৈছিল যে- 'আমাৰ অৱস্থা বেয়া হ'লে আমি এবাৰ কপালক, এবাৰ ঈশ্বৰক দোষ দিওঁ। দলাচলতে কপালৰো দোষ নহয়, দেৱতাৰো দোষ নহয়, আচলতে এইয়া হ'ল ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থাৰ দোষ। ধনতন্ত্ৰবাদৰ অৱসানৰ হকে বিষ্ণু প্ৰসাদ ৰাভাই যি বিপ্লৱৰ কথা কৈছিল তাৰ বাবে তেওঁ মাৰ্ক্সবাদৰ পৰা লাভ কৰা শ্ৰেণী সংগ্ৰামৰ পোষকতা কৰিছিল। ধনতান্ত্ৰিক সমাজত সৰ্বহাৰা সকলেই হ'ল সমাজৰ একমাত্ৰ দৃঢ় আৰু সংযত বিপ্লৱীৰ শ্ৰেণী।' বিষ্ণু ৰাভাই বিপ্লৱৰ মাজেদি সেই ধনী সকলৰ বিপক্ষে যুঁজি, হেজাৰ হেজাৰ বন্দীশালত বন্দী হৈ থকা দলৰ মুক্তি, হালোৱাৰ মুক্তি, হজুৱাৰ মুক্তি, বনুৱাৰ মুক্তি বিচাৰিছিল। সেইবাবেই তেখেতে সৰ্বহাৰাৰ মুক্তিৰ কথা কৈছিল-

“দুখীয়াৰ কলিজা নিঙাৰি লব
টুপি টুপি তেজ শুহি শুহি পিব
ৰুকি ৰুকি মঙহ চোবাই খাব
কুৰুকি হাড় কেউডালো চোবাব
হুচিয়াৰ! হুচিয়াৰ!!
ধনী! মহাজন!! জমিদাৰ!!!
হুচিয়াৰ! হুচিয়াৰ!!'

জনজাতীয় লোকসকলৰ ক্ষেত্ৰতো ৰাভাদেৱে এক বিশেষ সমাজ-চেতনাৰ ধাৰণা গঢ়ি তুলিছিল। জনজাতীয় লোকসকলক কিছুমান শব্দ প্ৰয়োগৰ জৰিয়তে মনত যথেষ্ট আঘাত হানে। জনজাতীয় লোকসকলৰ ক্ষেত্ৰত ম্লেচ্ছ শব্দটো ব্যৱহাৰ কৰাৰ সন্দৰ্ভত বিষ্ণু ৰাভাই 'বড়ো কৃষ্টি' শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰিছিল-

*'আমাৰ অৱস্থা বেয়া হ'লে আমি এবাৰ কপালক, এবাৰ ঈশ্বৰক দোষ দিওঁ। দলাচলতে কপালৰো দোষ নহয়, দেৱতাৰো দোষ নহয়, আচলতে এইয়া হ'ল ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থাৰ দোষ। ধনতন্ত্ৰবাদৰ অৱসানৰ হকে বিষ্ণু প্ৰসাদ ৰাভাই যি বিপ্লৱৰ কথা কৈছিল তাৰ বাবে তেওঁ মাৰ্ক্সবাদৰ পৰা লাভ কৰা শ্ৰেণী সংগ্ৰামৰ পোষকতা কৰিছিল। ধনতান্ত্ৰিক সমাজত সৰ্বহাৰা সকলেই হ'ল সমাজৰ একমাত্ৰ দৃঢ় আৰু সংযত বিপ্লৱীৰ শ্ৰেণী।'*



“শালস্তম্ভ সপ্তম শতিকাত হাৰূপা বা হাৰূপেশ্বৰ বা দৰঙৰ তেজপুৰত ৰাজত্ব কৰিছিল। এই বংশৰে হৰ্জ্জৰ বৰ্ম্মনে সুখ্যাতিৰে তেওঁৰ ৰাজ্য শাসন কৰিছিল। হৰ্জ্জৰ বৰ্ম্মনক কছাৰীসকলে, হাজো-অৰ্-কে বড়ো ভাষাত জ্ঞান নথকা সংস্কৃত পুৰাণকাৰ বা তাম্ৰলিপি-শিলালিপিকাৰ সকলে হৰ্জ্জৰ বৰ্মনক আৰু তেওঁৰ বংশক মেচ্ নুবুলি ভুলকৈ ম্লেচ্ছ আখ্যান দিছিল।


এনে সাহিত্য ৰচনাৰ জৰিয়তে বিষ্ণু ৰাভাই এনেদৰেই অৱহেলিত জনজাতিসকলক উচ্চ আসনেৰে বৃহত্তৰ অসমীয়া জাতিৰ বৰঘৰত বহুৱাবলৈ চেষ্টা কৰিছিল আৰু জনজাতীয়সকলৰ ওপৰত আৰোপিত অপমানজনক বিশেষণ আৰু বিশেষ্যবোৰ তুলি দিবলৈ খাটিছিল। এটা স্বাধীন জাতি হ'বলৈ হ'লে প্ৰকৃতপক্ষে আন এটা জাতিক মৰ্যাদা সহকাৰে সন্মান জনাবই লাগিব। বিষ্ণু ৰাভাই জনজাতিসকলক তেনে সন্মানৰ অধিকাৰীৰূপে আমাৰ আগত থিয় কৰাই গৈছে। ৰাভাদেৱৰ ৰচনাত-


'ট্ৰাইবেল নৰ হেব' অসমৰ আদিম “আদাম”
সবল দেহেৰে গঢ়া সুঠাম উদ্দাম!
আৰু তই অসমৰ আদিমা যুৱতী নাৰী 'ইভা'
মন প্ৰাণ লোভা।'

এনেদৰেই সকলোকে একেলগ কৰি বৃহত্তৰ অসমীয়া জাতিৰ সমাজ-চেতনা সুদৃঢ় কৰাত বিষ্ণু প্ৰসাদ ৰাভাদেৱৰ লিখিত সাহিত্যৰ অসমীয়া সমাজৰ 'নিষ্পেষিত কলুষিত সকলোকে আগুৱাই যোৱাত সহায় কৰিব বুলি ধাৰণা কৰিব পাৰি। সেই আশাকে বুকুত বান্ধি ৰাভাদেৱে অধিক উৎকণ্ঠাৰে গাইছিল-

“ব'ল্ ব'ল্ ব'ল্ ব'ল্
কৃষক শক্তি দল
অ বনুৱা সমনীয়া
আগবাঢ়ি যাওঁ ব'ল
জাগ জাগ জাগ জাগ
মজদুৰ ন জোৱান
নিৰ্যাতিত নিপীড়িত
কৃষক শক্তি মান।”

●






# অন্ধ বিশ্বাস আৰু আমাৰ সমাজ

ড° অমল চন্দ্ৰ দত্ত
উপ-সভাপতি, অসম বিজ্ঞান সমিতি
(অৱসৰপ্ৰাপ্ত অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ)

**দৃশ্যপট একঃ**


কেৰেলাৰ পটনমথিট্টা জিলাৰ থিৰুভিল্লা নগৰ। দুজন স্বামী-স্ত্ৰী, পেচাত মাছাজ-থেৰাপিষ্ট। তাৰমানে চিকিৎসা বিজ্ঞানৰ লগত জড়িত। তান্ত্ৰিকৰ পৰামৰ্শত সহজে ধনী হোৱাৰ বাসনাত দুগৰাকী মহিলাক নৃশংসভাৱে দেহ খণ্ডিত কৰি বলি দিয়ে স্বামী ভগবৎনাথ সিং আৰু স্ত্ৰী লাইলা সিঙে। ব্যক্তি দুজন উচ্চ শিক্ষিত, তাতে চিকিৎসা বিজ্ঞানৰ লগত জড়িত। কিন্তু তেওঁলোক অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ তান্ত্ৰিকৰ পৰামৰ্শত নৰবলিৰ নিচিনা আদিম বাসনাত মত্ত হয়। এইয়া আমাৰ আধুনিক শিক্ষা ব্যৱস্থা। আধুনিক শিক্ষাৰে শিক্ষিত হৈও অন্ধবিশ্বাসৰ পৰা মুক্ত হ'ব পৰা নাই। নিজক বিজ্ঞান মনষ্কতাৰে গঢ়ি তুলিব পৰা নাই। এনেধৰণৰ কাৰ্য একবিংশ শতিকাৰ বিজ্ঞান শিক্ষাৰ বাবে অভিশাপ।

**দৃশ্যপট দুই ঃ**

ৰোগী চিকিৎসকলৰ ওচৰলৈ যায় ৰোগ চিকিৎসাৰ বাবে। চিকিৎসকে সকলো পৰীক্ষা-নিৰীক্ষা কৰি ৰোগৰ নিদান পত্ৰ লিখি ৰোগীক সেৱা আগবঢ়ায়। চিকিৎসকৰ এইয়া মানৱ সেৱা। আধুনিক চিকিৎসা বিজ্ঞানে মানুহক ৰোগ-ব্যাধিৰ পৰা মুক্তি দিয়াই নহয়, মানুহৰ জীৱন নিৰ্বাহো সহজলভ্য কৰি তুলিছে। কিন্তু এনে আধুনিক চিকিৎসা বিজ্ঞানেৰে শিক্ষিত হোৱা চিকিৎসকৰ মাজতে দুই এজন অন্ধবিশ্বাসী চিকিৎসকৰ অভাৱ নাই। মোৰ ব্যক্তিগত তেনে এক অভিজ্ঞতা হ'ল-ব্যক্তিগত স্বাস্থ্যজনিত কাৰণত আমাৰ সৰু নগৰখনৰ চিকিৎসালয়লৈ গৈ এজন জ্যেষ্ঠ চিকিৎসকৰ কাষ চাপো ৰোগ চিকিৎসাৰ বাবে। চিকিৎসকগৰাকীয়ে মোৰ লগত আলচ কৰি ৰোগ চিকিৎসা বিষয়ক নিদান পত্ৰ লিখিবলৈ হাতত কলম তুলি ল'লে, সেই মুহূৰ্ততে প্ৰত্যক্ষ কৰিলো চিকিৎসকজনে নিদানপত্ৰ লিখিবলৈ কলম তুলি লোৱা হাতৰ আঙুলি কেইটাত বিভিন্ন ৰং-বিৰঙৰ আঙুঠি। নিশ্চয় কিবা-কিবি পাথৰ। হয়তু কোনো তান্ত্ৰিকে দিয়া বিধান মতে পৰিধান কৰিছে গ্ৰহ দোষ মৰিষণ কৰিবলৈ। কিন্তু তেখেতৰ (চিকিৎসকজনৰ) ওপৰত এটা দুটা গ্ৰহৰ নহয় নিশ্চয়কৈ সমস্ত সৌৰজগতৰ নৱগ্ৰহৰ প্ৰভাৱ পৰিছে। (প্লুটুৱে হয়তো তেখেতলৈ কেৰাহীকৈ চাইছে) ধিক্ আধুনিক শিক্ষা ব্যৱস্থা। আজিৰ সময়ত এনেধৰণৰ সমাজত প্ৰতিষ্ঠিত কিন্তু আত্মবিশ্বাসহীন মানুহৰ বাবেই অন্ধবিশ্বাস, কু-সংস্কাৰসমূহ প্ৰচলিত হৈ আছে।

*আধুনিক শিক্ষাৰে শিক্ষিত হৈও অন্ধবিশ্বাসৰ পৰা মুক্ত হ'ব পৰা নাই। নিজক বিজ্ঞান মনষ্কতাৰে গঢ়ি তুলিব পৰা নাই। এনেধৰণৰ কাৰ্য একবিংশ শতিকাৰ বিজ্ঞান শিক্ষাৰ বাবে অভিশাপ।*





**দৃশ্যপট তিনি ঃ**

পৰিৱেশ সংৰক্ষণমূলক এক স্বেচ্ছাসেৱী সংগঠনৰ লগত জড়িত। সেয়েহে জীৱ-জন্তুৰ হত্যা বা জীৱ-জন্তুৰ ওপৰত কৰা অত্যাচাৰৰ লগতে অন্ধবিশ্বাস, কু-সংস্কাৰ বিৰুদ্ধে সামূহিক ভাৱে প্ৰতিবাদ কৰি আহিছো। আমি কৰা তেনে এক প্ৰতিবাদ আছিল বলি বিধানৰ বিৰুদ্ধে। আজি কিছু বছৰৰ আগতে এখন দেৱালয়ত প্ৰচলিত হৈ থকা বলি-বিধানৰ বিৰুদ্ধে আমাৰ মত প্ৰকাশ কৰিবলৈ সেই দেৱালয়খনলৈ গৈ সমিতিৰ কৰ্মকৰ্তাসকলৰ লগত আলচ কৰিছিলো আৰু আমাৰ মত ব্যক্ত কৰিছিলো। সেই সময়ত তেখেতলোকে জনাইছিল, সেই বছৰৰ বলিৰ বাবে গোনাম'হটো দিছিল এজন চিকিৎসকে। যি কথাই আমাক মৰ্মাহত কৰিছিল। কিন্তু পৰিতাপৰ কথা, সেই চিকিৎসক জনৰ কেই মাহমানৰ পাছতে মৃত্যু হ'ল। হয়তু দেৱী প্ৰসন্ন নহ'ল। আমাক ৰোগ চিকিৎসা কৰিবলৈ দিয়া চিকিৎসকৰ বলি-বিধানত দেৱী তুষ্ট নহ'ল।

**দৃশ্যপট চাৰি ঃ**

অসম বিজ্ঞান সমিতিৰ এটা শাখাৰ এগৰাকী নিষ্ঠাবান কৰ্মীৰ আকস্মিক বিয়োগ ঘটিল। সেই খবৰ পাই শাখাৰ সম্পাদকে শোক প্ৰস্তাৱত 'ভগৱান'ৰ ওচৰত প্ৰাৰ্থনা জনাই মৃতকৰ 'আত্মাৰ সদ্‌গতি' কামনা কৰিলে। ধিক্ বিজ্ঞান মানসিকতা!

ওপৰোক্ত উদাহৰণ কেইটাৰে কোনো ব্যক্তিক হেয় কৰাৰ অভিপ্ৰায় নাই। একবিংশ শতিকাতো যে আমি অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ পৰা মুক্ত হ'ব পৰা নাই এইকেইটা তাৰহে নমুনা মাত্ৰ। কু-সংস্কাৰসমূহ উচ্চ শিক্ষিতি ব্যক্তি, অৰ্থ আৰু ক্ষমতালোভী ৰাজনৈতিক নেতা, সমাজ সুবিধাবাদী ব্যক্তি আদিৰ পৃষ্ঠপোষকতাত সমাজত ন-ন ৰূপত প্ৰচলিত হৈ আছে। নৱজাগৰণ আৰু শিল্প বিপ্লৱৰ পাছত বিজ্ঞান আৰু প্ৰগতিৰ উচ্চ শিখৰত আৰোহণ কৰিও আমি প্ৰশ্ৰয় দিছো অন্ধবিশ্বাস, কু-সংস্কাৰসমূহক। আধুনিক বিজ্ঞান মানসিকতাই এতিয়াও আমাৰ মনত স্থান পোৱা নাই।

*কু-সংস্কাৰসমূহ উচ্চ শিক্ষিতি ব্যক্তি, অৰ্থ আৰু ক্ষমতালোভী ৰাজনৈতিক নেতা, সমাজ সুবিধাবাদী ব্যক্তি আদিৰ পৃষ্ঠপোষকতাত সমাজত ন-ন ৰূপত প্ৰচলিত হৈ আছে। নৱজাগৰণ আৰু শিল্প বিপ্লৱৰ পাছত বিজ্ঞান আৰু প্ৰগতিৰ উচ্চ শিখৰত আৰোহণ কৰিও আমি প্ৰশ্ৰয় দিছো অন্ধবিশ্বাস, কু-সংস্কাৰসমূহক। আধুনিক বিজ্ঞান মানসিকতাই এতিয়াও আমাৰ মনত স্থান পোৱা নাই।*

অন্ধবিশ্বাস, অন্ধভাৱে বা কোনো বিচাৰ বিশ্লেষণ নকৰাকৈ কৰি অহা বিশ্বাস। প্ৰচলিত অসমীয়া 'অন্ধবিশ্বাস' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হৈছে- "Superstititon. The Oxford Advanced learner's dictionary (1994) ৰ মতে 'Superstition' ৰ দুটা ব্যাখ্যাৰ এটা হৈছে- Idea or belief held by many people for no good or logical reason.

Superstition শব্দটো বুজাবলৈ সচৰাচৰ অসমীয়া ভাষাত দুটা শব্দ ব্যৱহাৰ কৰা হয়- অন্ধবিশ্বাস আৰু কু-সংস্কাৰ। হেমকোষত এই বহু প্ৰচলিত শব্দ দুটাৰ অৰ্থ হৈছে-

অন্ধবিশ্বাস-কণাৰ দৰে, অৰ্থাৎ বিবেচনা নকৰাকৈ কৰা বিশ্বাস। (প্ৰায় ধৰ্মত খাটে) Blind, faith, bigotry.

কু-সংস্কাৰ নুবুজাকৈ কৰা সিদ্ধান্ত, Prejudice মিছা বস্তুক সঁচা বুলি কৰা বিশ্বাস, Superstition, যুক্তি নথকা নীতি বা ধৰ্ম বিশ্বাস, Wrong notion.

আচলতে, অন্ধবিশ্বাস আৰু কু-সংস্কাৰ শব্দ দুটাই প্ৰচলিত কিছুমান বিশ্বাসৰ ভিত্তিহীনকহে ব্যাখ্যা কৰে। সমাজত বিচাৰ বিশ্লেষণহীন ভাৱেই এই বিশ্বাসসমূহ প্ৰচলিত হৈ আহিছে। অৰ্থাৎ বিবেচনা নকৰাকৈ কৰি অহা বিশ্বাস।

আহক আমি সকলোৱে বিজ্ঞান মানসিকতাৰে আত্মবিশ্বাসী হৈ সমাজৰ পৰা অন্ধবিশ্বাস, কু-সংস্কাৰ দূৰ কৰো। তেতিয়াহে প্ৰকৃত মানৱ সমাজৰ উত্তৰণ হ'ব।

# অসমৰ স্থাপত্য, ভাস্কৰ্য আৰু চিত্ৰকলাত এভুমুকি

**বিমান চমুৱা**
দ্বিতীয় ষাণ্মাসিক, ইতিহাস বিভাগ

কলা মানৱ জীৱনৰ এক এৰাব নোৱাৰা বিষয়। সেইয়া স্থাপত্য কলাই হওক বা ভাস্কৰ্য কলাই হওক, অথবা চিত্ৰকলাই হওক । কলাৰ অবিহনে এজন মানুহ সুন্দৰ মনৰ অধিকাৰী হ'ব নোৱাৰে। কলাৰ জৰিয়তে মানুহে আৱেগ অনুভূতি তথা জীৱনৰ অভিজ্ঞতা সমূহ সুন্দৰ ভাৱে প্ৰকাশ কৰিব পাৰে। কলাৰ ভিতৰত এই স্থাপত্য কলা, ভাস্কৰ্যকলা আৰু চিত্ৰকলাও এক অন্যতম কলা। সভ্যতাৰ দোকমোকালিৰে পৰা আজি পৰ্যন্ত এই কলাই ব্যক্তিৰ জীৱনৰ এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। স্থাপত্য কলা হ'ল স্থপতিবিদে শিল, ইটা আদিৰ লগতে অন্যান্য থলুৱা সামগ্ৰীৰে মঠ-মন্দিৰ, প্ৰাসাদ, দূৰ্গ, দৌল-দেৱালয় আদি নিৰ্মাণ কৰা প্ৰণালী। আনহাতে স্থপতিবিদে নিৰ্মাণ কৰা সেই শিল্পকৰ্ম সমূহৰ ওপৰত খোদিত কৰা বিভিন্ন নক্সা-মূৰ্তি আদিয়েই হ'ল ভাস্কৰ্য কলা। স্থাপত্য আৰু ভাস্কৰ্য




কলাৰ দিশত অসম বিশেষভাৱে সমৃদ্ধিশালী। পুৰণি কালত অসমত নিৰ্মিত মঠ-মন্দিৰসমূহ, ৰজাঘৰীয়া প্ৰাসাদ, দূৰ্গ, সাঁকো, দৌল-দেৱালয় আদিয়ে অসমৰ স্থাপত্য কলাক আৰু স্থপতিৰাজিৰ ওপৰত খোদিত কৰা বিভিন্ন নক্সা, মূৰ্তি আদিয়ে অসমৰ ভাস্কৰ্য কলাক প্ৰতিনিধিত্ব কৰে। ইয়াৰ উপৰিও বিভিন্ন শিলালিপি আৰু তাম্ৰলিপি সমূহতো ভাস্কৰ্য কলাৰ সুন্দৰ নিদৰ্শন দেখিবলৈ পোৱা যায়। অসমৰ স্থাপত্য আৰু ভাস্কৰ্য কলাৰ ইতিহাস অতি প্ৰাচীন। এতিয়ালৈকে আৱিস্কৃত স্থাপত্য-ভাস্কৰ্যসমূহে প্ৰমাণ কৰে যে অসমৰ স্থাপত্য আৰু ভাস্কৰ্যৰ ইতিহাস গুপ্তযুগৰ পৰা আছে। পুৰণি লিখিত বিৱৰণী, অভিলেখ ধৰ্মীয় পুথি-পাঁজি আৰু পৰিব্ৰাজকৰ টোকাবহী অধ্যয়ন কৰি এইবোৰৰ ইতিহাসৰ বিষয়ে জানিব পাৰি। মাৰ্কণ্ডেয় পুৰাণত উল্লেখ থকা অনুসৰি পুৰণি কালত শিৱ, সূৰ্য, বিষ্ণু আদি দেৱতাৰ নামত সমগ্ৰ ভাৰতৰ লগতে অসমতো মন্দিৰ নিৰ্মাণ কৰা হৈছিল। চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ টোকাবহীত উল্লেখ কৰা অনুসৰি প্ৰাচীন কামৰূপত শ শ দেৱ-দেৱীৰ মন্দিৰ আছিল বুলি কৈছে। এইবোৰৰ উপৰিও অসমৰ প্ৰাচীনতম স্থাপত্যৰ এটা উল্লেখযোগ্য নিদৰ্শন হৈছে তেজপুৰৰ পৰা তিনি মাইল দূৰত্বত অৱস্থিত দ-পৰ্বতীয়া মন্দিৰৰ স্থাপত্য। আনুমানিক পঞ্চম-ষষ্ঠ শতিকাতে সজোৱা এই শিৱ মন্দিৰটো গুপ্তযুগৰ ইটাৰে নিৰ্মিত মন্দিৰ সমূহৰ প্ৰাচীনতম আৰু পূৰ্ণাঙ্গ মন্দিৰ বুলি প্ৰত্নতত্ত্ববিদসকলে মত পোষণ কৰিছে। অক্ষত অৱস্থাত উদ্ধাৰ হোৱা শিলেৰে নিৰ্মিত তোৰণ খনেই গুপ্ত স্থাপত্যৰ উৎকৃষ্ট নিদৰ্শন। এই তোৰণ খনত বিচিত্ৰ ভংগীত থিয় হৈ থকা গংগা আৰু যমুনাৰ দুটা মূৰ্তি পোৱা গৈছে। তোৰণখনৰ ভাস্কৰ্যশৈলী পঞ্চম-ষষ্ঠ শতিকাৰ বাৰাণসী আৰু পাটলিপুত্ৰত বিকশিত ভাস্কৰ্যশৈলীৰ সৈতে মিল দেখা যায়।



*চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ টোকাবহীত উল্লেখ কৰা অনুসৰি প্ৰাচীন কামৰূপত শ শ দেৱ-দেৱীৰ মন্দিৰ আছিল বুলি কৈছে। এইবোৰৰ উপৰিও অসমৰ প্ৰাচীনতম স্থাপত্যৰ এটা উল্লেখযোগ্য নিদৰ্শন হৈছে তেজপুৰৰ পৰা তিনি মাইল দূৰত্বত অৱস্থিত দ-পৰ্বতীয়া মন্দিৰৰ স্থাপত্য। আনুমানিক পঞ্চম-ষষ্ঠ শতিকাতে সজোৱা এই শিৱ মন্দিৰটো গুপ্তযুগৰ ইটাৰে নিৰ্মিত মন্দিৰ সমূহৰ প্ৰাচীনতম আৰু পূৰ্ণাঙ্গ মন্দিৰ বুলি প্ৰত্নতত্ত্ববিদসকলে মত পোষণ কৰিছে।*

দ-পৰ্বতীয়া মন্দিৰ আৰু তোৰণৰ উপৰিও মাজগাঁও বামুণী পাহাৰ, বিহালী, বিশ্বনাথ, গহপুৰ আদি ঠাইত ভালেমান মন্দিৰ আৰু স্থাপত্য-ভাস্কৰ্য পোৱা গৈছে। মাজগাঁৱত গুপ্ত যুগত নিৰ্মিত এটা মন্দিৰ আৰু তাৰ ভগ্নাৱশেষৰ পৰা স্তম্ভ শিৰপট্টী, দ্বাৰশাখা উদ্ধাৰ হৈছে। বামুণী পাহাৰত উদ্ধাৰ হোৱা অষ্টম-নৱম শতিকাতে নিৰ্মিত বৃহৎ মন্দিৰৰ ভগ্নাৱশেষৰ পৰা তাৰ একেখন চোতালতে সাতোটা মন্দিৰ আছিল বুলি অনুমান কৰা হৈছে। ইয়াৰ পিছতে তেজপুৰৰ কাছাৰীঘৰ-নিৰ্মাণ কৰোঁতে উদ্ধাৰ হোৱা স্থাপত্য ভাস্কৰ্যই তেজপুৰৰ অনেক মন্দিৰ নিৰ্মাণ হোৱা বুলি প্ৰমাণিত কৰে।

তেজপুৰৰ গুপ্তযুগৰ স্থাপত্য-ভাস্কৰ্যৰ পিছতে প্ৰাক-আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যৰ অনেক নিদৰ্শন কামৰূপ জিলাৰ অন্তৰ্গত গুৱাহাটী আৰু ইয়াৰ দাতিকাষৰীয়া অঞ্চলত পোৱা গৈছে। গুৱাহাটীৰ শুক্ৰেশ্বৰ পাহাৰত থকা জনাৰ্দন আৰু শিৱ মন্দিৰ, বাইহাটা চাৰিআলিৰ মদন-কামদেৱ মন্দিৰ এই ক্ষেত্ৰত উৎকৃষ্ট নিদৰ্শন বুলিব পাৰি। মদন-কামদেৱ পাহাৰত উদ্ধাৰ হোৱা এই মন্দিৰটোৰ উপৰিও সেই ঠাইত অনেক ভাস্কৰ্য আৰু স্থাপত্য পোৱা গৈছে যিবোৰ আনুমানিক একাদশ-দ্বাদশ শতিকাৰ। এই সমূহৰ উপৰিও প্ৰাক্ আহোম যুগৰ বিভিন্ন স্থাপত্য-ভাস্কৰ্যৰ অন্যতম হ'ল গোৱালপাৰাৰ শ্ৰীসূৰ্য পাহাৰত উদ্ধাৰ হোৱা মূৰ্তি-ভাস্কৰ্য সমূহ, শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰৰ ভাস্কৰ্য, দেওপানীৰ দেৱীদৌল, নুমলীগড়ৰ শিৱদৌল ইত্যাদি। নগাঁও জিলাৰ বিভিন্ন অঞ্চলত বহুতো স্থাপত্য-ভাস্কৰ্যৰ ভগ্নাৱশেষ পোৱা গৈছে। অসমত এতিয়ালৈকে উদ্ধাৰ হোৱা মন্দিৰৰ ভেটিৰ পৰা অনুমান হয় যে অসমত পূৰ্ণাংগ মন্দিৰতকৈ মঠৰ সংখ্যা বেছি। মন্দিৰ সমূহৰ নক্সাৰ পৰা সেই মন্দিৰৰ স্থাপত্য শৈলীৰ বিষয়ে জানিব পাৰি।



অসমৰ স্থাপত্য আৰু ভাস্কৰ্য কলাৰ ইতিহাসত আহোম যুগৰ অৱদান অনবদ্য আৰু প্ৰাক-আহোম যুগৰ তুলনাত এই যুগ বিশেষভাৱে চহকী। আহোম যুগৰ বহুখিনি স্থাপত্য-ভাস্কৰ্যই গৌৰৱোজ্জ্বল ইতিহাসৰ

স্বাক্ষৰ বহন কৰি বিশেষকৈ আহোমৰ ৰাজধানী শিৱসাগৰ আৰু ইয়াৰ কাষৰীয়া অঞ্চলত অক্ষত অৱস্থাত জিলিকি আছে। উল্লেখযোগ্য যে আহোম ৰাজত্বৰ আৰম্ভণিতে বাঁহ-কাঠেৰে, ঘৰ-বাৰী, কাৰেং নিৰ্মাণ হৈছিল। যদিও স্বৰ্গদেউ গদাধৰ সিংহৰ দিনৰ পৰা শিল-ইটাৰ ব্যৱহাৰ কৰা হয়। ইয়াৰ পাছতেই প্ৰমত্তসিংহই সজোৱা গড় গাঁৱৰ কাৰেংঘৰ আৰু ৰংঘৰ, ৰাজেশ্বৰ সিংহই সজোৱা শিৱসাগৰৰ সাতমহলীয়া তলাতল ঘৰ, আহোম যুগৰ স্থাপত্যৰ উজ্জ্বল নিদৰ্শন। তদুপৰি গদাধৰ সিংহৰ দিনত উমানন্দৰ শিৱ মন্দিৰ, শিৱসিংহৰ দিনত শিৱসাগৰৰ শিৱ দ'ল, ৰুদ্ৰসিংহৰ দিনত গৌৰীসাগৰত দেৱী দ'ল, গুৱাহাটীৰ উগ্ৰতাৰা মন্দিৰ, নৱগ্ৰহ, বশিষ্ঠাশ্ৰম আৰু মণিকৰ্ণেশ্বৰ আদি নিৰ্মাণ কৰা হৈছিল। এই মন্দিৰ সমূহত সাধাৰণতে একোটি মণ্ডপ, গৰ্ভগৃহ আৰু গৰ্ভগৃহৰ ওপৰত একোটি সোণৰ কলচী থাকে। পশ্চিমে কোচ ৰজাসকলেও পকী নিৰ্মাণকাৰ্যৰ পৃষ্ঠপোষকতা কৰিছিল। মহাৰাজ নৰনাৰায়ণৰ দিনত চিলাৰায়ে গুৱাহাটীৰ পুৰণি কামাখ্যা মন্দিৰটো নকৈ পকাকৈ নিৰ্মাণ কৰে (১৫৬৫ খ্ৰীঃ)। উল্লেখযোগ্য যে মধ্যযুগৰ অসমৰ স্থাপত্যত স্বকীয় বৈশিষ্ট্যতকৈ মোগল বা ভাৰতৰ অন্যান্য কলা কৌশলৰহে প্ৰকাশ ঘটিছিল। কিয়নো, অসমৰ ৰজা সকলে পকী নিৰ্মাণকাৰ্যত অসমৰ বাহিৰৰ শিল্পীকহে নিয়োগ কৰিছিল। উদাহৰণস্বৰূপে কোচবিহাৰৰ পৰা ঘনশ্যাম নামৰ শিল্পী আনি শিৱসাগৰৰ তলাতল ঘৰ নিৰ্মাণ কৰিছিল। এই বিলাকৰ উপৰিও আহোম ৰজাসকলে নামদাং, দৰিকা আৰু ৰহদৈ নৈৰ ওপৰত শিলৰ সাঁকো নিৰ্মাণ কৰিছিল। ৰুদ্ৰসিংহই এক প্ৰকাণ্ড শিল কাটি নিৰ্মাণ কৰোৱা ২০২ ফুট দীঘল, ২১ ১/২ ফুট বহল আৰু ৫ ১/২ ফুট ডাঠ গৌৰীসাগৰৰ ওচৰৰ নামদাং শিলৰ সাঁকো আহোম যুগৰ এক উল্লেখযোগ্য স্থাপত্য।

অসমৰ স্থাপত্য আৰু ভাস্কৰ্য কলাৰ দৰে অসমৰ চিত্ৰকলাৰো সাফল্য লাভ কৰিছিল বিশ্ব দৰবাৰত। এই বিলাকত সাধাৰণতে স্থানীয় কলা-কৌশল ফুটি উঠিছিল। প্ৰাক্ ঐতিহাসিক কালৰ পৰা বৰ্তমান সময়লৈকে ভাৰতীয় শিল্প কলাই বিশ্বৰ শিল্প জগতত এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি আহিছে। প্ৰস্তৰ যুগৰ গুহাচিত্ৰৰ পৰা আৰম্ভ কৰি সিন্ধু সভ্যতাত আৱিষ্কৃত মহেঞ্জোদাৰো আৰু হৰপ্পাৰ চিত্ৰ, ভাস্কৰ্য, অজন্তা, ইলোৰাৰ গুহাচিত্ৰ, দক্ষিণ ভাৰতৰ বাসগৃহৰ চিত্ৰ ভাস্কৰ্য, ইজন চিত্ৰকলা, মোগল চিত্ৰকলা, প্ৰাক্-আহোম যুগৰ তথা আহোম যুগৰ চিত্ৰ ভাস্কৰ্যৰ নাম উল্লেখযোগ্য। প্ৰাক্ আহোম যুগৰ শিল্প-ভাস্কৰ্যত গুপ্তযুগীয়া প্ৰভাৱ পৰিলক্ষিত হয়। অসমৰ তেজপুৰৰ 'দ পৰ্বতীয়া' অঞ্চলত থকা ভগ্ন মন্দিৰত খোদিত চিত্ৰ শৈলী, কাৰ্বি আংলঙৰ বড়গঙ্গাত থকা শিলা লিপিৰ চিত্ৰ সমূহ চিত্ৰকলাৰ এক অপূৰ্ব নিদৰ্শন।

অসমৰ শিল্পজগতৰ আটাইতকৈ চহকী দিশটো হ'ল অসমৰ পুথি চিত্ৰ। মহাপুৰুষ শংকৰদেৱৰ গুৰুজনাৰ নৱ বৈষ্ণৱ আন্দোলনৰ সময়চোৱাৰ পৰাই এই চিত্ৰশৈলী চলি আহিছে। শ্ৰীমন্ত শংকৰদেৱে নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰ আৰু প্ৰতিষ্ঠাৰ লক্ষ্যৰে অন্যান্য কলাৰ লগতে চিত্ৰকলাকো মাধ্যম হিচাপে লোৱাৰ পৰা অসমত চিত্ৰকলাৰ এক নতুন দিগন্তৰ সূচনা হয়। গুৰুজনাই সৰ্বসাধাৰণ লোকে সহজতে বুজি উঠিবলৈ এখন বিশাল পটত বৈকুণ্ঠপুৰীৰ এখন কাল্পনিক ছবি আঁকিছিল। সেইখন হ'ল 'বৃন্দাবনী বস্ত্ৰ'। এইখন তেওঁৰ জগত বিখ্যাত শিল্প কৰ্ম।



অসমৰ পুথি চিত্ৰসমূহে বিকাশ লাভ কৰাৰ মূলতে আছিল সত্ৰীয়া অনুষ্ঠান আৰু সেই সময়ৰ আহোম আৰু কোঁচ ৰজাসকলৰ পৃষ্ঠপোষকতা। অসমৰ এখন উল্লেখযোগ্য অসমীয়া সচিত্ৰ পুথি হ'ল দশমস্কন্ধ ভাগৱত। ইয়াত ৰাজপুত আৰু মোগল চিত্ৰশৈলীৰ প্ৰভাৱ পৰিলক্ষিত হয়। অসমত বহুতো টাই চিত্ৰ-পুথি পোৱা যায়। এইবোৰত জাতকৰ কাহিনী আৰু ড্ৰেগনৰ চিত্ৰ অংকন কৰা দেখা যায়।

আহোম ৰাজত্বকালত সৃষ্টি হোৱা এখন উল্লেখযোগ্য পুথি হ'ল হস্তীবিদ্যাৰ্ণৱ। এই পুথিখনৰ চিত্ৰসমূহ অংকন কৰিছিল দিলবৰ আৰু দোসাই নামৰ দুজন চিত্ৰশিল্পীয়ে। ইয়াত মোগল চিত্ৰশৈলীৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। অন্যান্য চিত্ৰপুথিসমূহ হ'ল- তীৰ্থকৌমুদী, অনাদিপৰ্ৱণ, আনন্দলহৰী, দৰং ৰাজবংশাৱলী, বুধবাৰী সত্ৰৰ কুমাৰ হৰণ, চলিহা বাৰেঘৰ সত্ৰৰ ৰামায়ন, নগাঁও বালিসত্ৰৰ চিত্ৰভাগৱত, দক্ষিণপাট সত্ৰৰ দশমস্কন্ধ ভাগৱত, কৰতিপাৰ সত্ৰৰ চিত্ৰ ৰত্নাৱতী ইত্যাদি।

বৰ্তমান বিশ্বত চিত্ৰকলাৰ ক্ষেত্ৰখনত বহু পৰীক্ষা-নিৰীক্ষা বা গৱেষণা চলি আছে আৰু ভৱিষ্যতেও চলি থাকিব। মানুহে সদায় নতুনক আহ্বান কৰে আৰু প্ৰাপ্তিৰ হাবিয়াসে ইয়াক অধিক প্ৰাণৱন্ত আৰু গতিশীল কৰি তোলে। ফলত ভিন্নশৈলী অথবা উপস্থাপন ৰীতিয়ে চিত্ৰ জগতখনক সদায় নতুনত্ব প্ৰদান কৰি আহিছে। ●





# দীপালী বৰঠাকুৰে কণ্ঠদান কৰা গীতৰ বিষয় বৈচিত্ৰ্য

**কৰবী দত্ত**
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

আধুনিক অসমীয়া সংগীত জগতৰ এক সোণালী ইতিহাস আছে। এই ইতিহাসত বিভিন্ন গীতিকাৰে গীত ৰচনা কৰাৰ উপৰিও বিভিন্ন সুৰকাৰে সুৰ, আৰু বহুকেইগৰাকী কণ্ঠশিল্পীয়ে গীতৰ কথা অংশত কণ্ঠদান কৰিছে। এই কণ্ঠশিল্পীসমূহৰ ভিতৰত কেইটিমান গীতেৰে জনসমাজৰ সমাদৰ লাভ কৰিব পৰা, চিৰজীৱনৰ বাবে জনপ্ৰিয়তা লাভ কৰা অন্যতম এগৰাকী কণ্ঠশিল্পী হৈছে দীপালী বৰঠাকুৰ।

দীপালী বৰঠাকুৰ আধুনিক সংগীত জগতৰ বিংশ শতিকাৰ পঞ্চম দশকৰ পৰৱৰ্তীসময়ৰ এগৰাকী কণ্ঠশিল্পী। দীপালী বৰঠাকুৰৰ জন্ম হয় ১৯৪১ চনৰ ৩০ জানুৱাৰীত শিৱসাগৰ জিলাৰ নীলমণি চাহ বাগিচাত। দীপালী বৰঠাকুৰে সৰুৰে পৰাই সংগীতৰ লগত জড়িত। কাৰণ দীপালী বৰঠাকুৰৰ ককায়েক ভৰেন বৰঠাকুৰে গান গাবলৈ শিকাইছিল। আৰু তেতিয়াৰে পৰা দীপালী বৰঠাকুৰে সংগীতৰ চৰ্চা আৰম্ভ কৰিলে। তেখেতে ৰেডিঅ'ত গোৱা প্ৰথমটো গীত হৈছে-

"মোৰ আই বোপাই লাহৰি/ নেপাইছো আহৰি
বৰা জুৰিছো আহ এ/সেই বৰা বানি/পিঠাগুড়ি সানি
বোপাইলৈ লৈ যাম লাডু এ"...

দীপালী বৰঠাকুৰে কণ্ঠদান কৰা প্ৰায়বোৰ গীতৰ কথা জয়ন্ত বৰুৱা, ৰুদ্ৰ বৰুৱা, শ্যামানন্দ

বৈশ্য, ফণী তালুকদাৰ, লীলা গগৈ, নিৰ্মলপ্ৰভা বৰদলৈকে ধৰি কেইবাগৰাকীও গীতিকাৰৰ। দীপালী বৰঠাকুৰে বাণীবদ্ধ কৰা প্ৰথমটো গীত হৈছে-

"বন্ধু সময় পালে আমাৰ ফালে এবাৰ আহি যাবা"

দীপালী বৰঠাকুৰ যিমান কেইটা গীতত কণ্ঠদান কৰিছে সেই গীতকেইটাৰ বিষয় যদি লক্ষ্য কৰোঁ দেখা পাম যে তেওঁ কণ্ঠদান কৰা গীত সমূহৰ দিশ সমূহ, বিষয়সমূহ বেলেগ। যাক কোৱা হয় বৈচিত্ৰ্য। দীপালী বৰঠাকুৰৰ গীতসমূহত শিশুৰ পৰা আদি কৰি বৃদ্ধলৈকে, চৰাই চিৰিকটিৰ পৰা গছ-গছনি, ফুল, গছ-লতা, নদী, লুইত, নাৰীৰ মনৰ যি অৱস্থা এই সকলো দিশ সুন্দৰভাৱে প্ৰতিফলিত হৈছে।

দীপালী বৰঠাকুৰে কণ্ঠদান কৰা গীতৰ বিষয়সমূহক আমি বিভিন্ন ধৰণেৰে ভাগ কৰিব দেখুৱাব পাৰো।

**গ্ৰাম্য জীৱনঃ** দীপালী বৰঠাকুৰৰে কণ্ঠদান কৰা প্ৰায়বোৰ গীত বা গান গ্ৰাম্য জীৱনৰ আধাৰত ৰচনা কৰা যেনে- (১) 'বন্ধু সময় পালে আমাৰ ফালে এবাৰ আহি যাবা।'

(২) "সোণোৱালী বুটা বচা
অসমীয়া পাট
জিকিমিকি কৰে চোৱা
কাৰেনো দেহাত..."

(৩) "কোন সেই ৰূপৱতী যায়
কপালত সূৰুয জ্বলাই..."

**নাৰীৰ ছবি ঃ** দীপালী বৰঠাকুৰে কণ্ঠদান কৰা গীতসমূহত নাৰীসকলৰ যি মনৰ অনুভৱ সুন্দৰভাৱে প্ৰকাশ পাইছে। সেই গীতকেইটা যদি আমি শুনো তেতিয়াই নাৰীৰ যি কোমল অনুভৱবোৰ আৰু বিয়াৰ আগমুহূৰ্তত নাৰী, বিয়াৰ সময়ত নাৰীৰ যি অনুভৱ এই সকলোবোৰ তেওঁৰ গীতত খুব সুন্দৰভাৱে প্ৰতিফলিত হৈছে।

(১) "আগলি কলাপাত লৰে কি চৰে
বাওঁ চকুটো মোৰ ঘনে ঘনে লৰে..."

(২) "আই মই শুনিছো আঘোণতে বোলে
পাতিছ তই মোৰ বিয়া..."

(৩) "সোণৰ খাৰু নালাগে মোক
বিয়াৰ বাবে আই..."

(৪) "সন্ধিয়াৰ আকাশত বগলী উৰে
আইৰে ঘৰলৈ মোৰ মনতে পৰে...।"

**চৰাই, নদী, গছ, ফুলৰ ছবি ঃ**

দীপালী বৰঠাকুৰে কণ্ঠদান কৰা গীতসমূহৰ আন এক বৈশিষ্ট্য প্ৰকৃতি উপস্থাপন। এই গীতসমূহ তলত উল্লেখ কৰা হ'ল-

**চৰাইঃ** "ডালে ডালে গাই কুলি বুলবুলি"
"এঠেঙীয়া বগলী হৈ নাচে...।"
"চৰাই নিদিওঁ তোক গোট কৰাই"

**ফুল ঃ** "চম্পা জাগা ফুলনি শুৱায়।
"অ ফুল অ' ফুল নুফুল কিয়।"

**নদীঃ** (১) "লুইতে নাযাবা লুইত কোঁৱৰ ঐ"
(২) "এই নদীৰ ইপাৰে।"
(৩) "কাচোনমতী নদীখনি।"
(৪) "সোৱণশিৰি সোণে চিকেমিকাই।"
(৫) "একা-বেকা কৰি যোৱা এই নদী।"

দীপালী বৰঠাকুৰে কণ্ঠদান কৰা গীতসমূহৰ আন কিছুমান বিষয় হৈছে বুৰঞ্জী, লোকসাহিত্য এই সমূহ বিষয় বা দিশৰ ছবিও গীতকেইটাত সুন্দৰভাৱে ফুটি উঠিছে।

**বুৰঞ্জীৰ ছবি ঃ** দীপালী বৰঠাকুৰে খুব কম গীত ৰচনা কৰিছে কিন্তু এই গীতবোৰতেই বিভিন্ন বিষয় বৈচিত্ৰ্য দেখা গৈছে। বুৰঞ্জীৰ ছবি প্ৰতিফলিত হোৱা গীতটি তলত উল্লেখ কৰা হৈছে।

(১) "কালৰ বুকুত নুমাল যদি জীৱনৰ চাকি
নাকান্দিবা আই অ' মোৰ চকুপানী টুকে।"

**লোক সাহিত্য ঃ** দীপালী বৰঠাকুৰৰ গীতত লোকসাহিত্যৰ ছবিও প্ৰকাশ হৈছে-

(১) "হাতো নেমেলিবি, ফুলো নিচিঙিবি
ক'ৰে নাৱৰীয়া তই
পাট-কাপোৰৰ লগতে মাহী আই খুন্দিলে
তেজীমলাহে মই।"

দীপালী বৰঠাকুৰে কণ্ঠদান কৰা গীতৰ আন এটা বিষয় হৈছে, মাক আৰু সন্তানৰ যি সম্পৰ্ক। সেই সম্পৰ্কৰ কথা গীতৰ মাজতে প্ৰকাশ কৰিছে-

(১) নিশাৰ তৰালি দেখোঁ
সন্ধিয়াৰ বিননি শুনো
কিনো সুৰে হিয়া পৰশে।"

(২) "সপোন দেখে মইনাৰ মাকে
উৰুকাৰ ৰাতি
অন্নপূৰ্ণা আই আহে..."

দীপালী বৰঠাকুৰে কণ্ঠদান কৰা গীতসমূহত প্ৰতিফলিত হোৱা আন এটা বিষয় হৈছে- শিশুসকলৰ মনৰ ভাব-

(১) "জোনবাই এ
বেজী এটি দে
সোণে মোৰ গায়নে নেগায়
ধুনীয়া ঘোৰাঁতে
পৰীৰ দেশলে সোণে মোৰ যায় নে নেযায়..."

(২) "নিয়ৰে পিন্ধালে মণিৰে মুকুটে
মইনাৰ মিহিকৈ চুলিত বতাহে সানিলে
ফুলৰ সুৰভি....

দীপালী বৰঠাকুৰে কণ্ঠদান কৰা গীতসমূহ আন এটা বিষয় হৈছে লোকবাদ্য বা সা-সঁজুলি ছবি প্ৰকাশ কৰা। অসমীয়া সমাজত লোক বাদ্য বা লোক সঁজুলিৰ এক বিশেষ স্থান আছে।

(১) "আগলি বাঁহৰে লাহৰী গগনা
বহি তাঁতৰ পাটত বাওঁ
.....
সোণে খৰকৈ বজায় পেঁপা
মন পিচলে চাবি।

**সামাজিক চিত্ৰৰ প্ৰতিফলন ঃ** 'হে যুদ্ধ বিদায়'

**নাৰীৰ ৰূপ-লাৱণ্য ঃ** 'জোনধনে জোনালীত তৰাৰতীক চাই'


**ভাৰতীয় দৰ্শনঃ** 'আইয়ে ভাবিছে আমাৰ ধৰাখনি
ওখোৱা মোখোৱা বাট"

অসমৰ বিভিন্ন মাহৰ প্ৰাকৃতিক শোভাৰ বৰ্ণনা দীপালী বৰঠাকুৰে কণ্ঠদান কৰা গীতৰ মাজত প্ৰকাশ হোৱা দেখা যায়।

(১) "ফাগুনে অগনি জ্বলে
পলাশত ৰং ঢালে
পছোৱাৰ সৈতে গছে-পাতে
হালে-জালে....

(২) "আগ ফাগুনৰ বা ছাটি
কেনি আহি কেনি যায়
উৰোঁ উৰোঁ মন পখিলা.....

দীপালী বৰঠাকুৰে কণ্ঠদান কৰা গীতৰ সংখ্যা যদিও কম, সেই গীতকেইটিৰ মাজেৰে বিভিন্ন বৈচিত্ৰ্য দেখা পোৱা গ'ল। তেখেতৰ প্ৰায় সংখ্যক গীতত গ্ৰাম্য জীৱনৰ ছবি প্ৰতিফলিত হৈছে। গ্ৰাম্য সমাজৰ প্ৰকৃতি, সমাজ ব্যৱস্থা, গ্ৰাম্য সমাজৰ সাজ-পাৰ, গ্ৰাম্য সমাজৰ প্ৰেম। দীপালী বৰঠাকুৰে কণ্ঠদান কৰা প্ৰায় সংখ্যক গীত নাৰী জীৱনৰ অভিব্যক্তি পৰিলক্ষিত হৈছে। যি কেইটা গীতে নাৰীসকলক সুন্দৰভাৱে কোমল অনুভৱবোৰে হৃদয় স্পষ্ট কৰিব পাৰিছে। যদিও কম সংখ্যক গীত এই গীতকেইটাৰে কিন্তু জনসমাজৰ মাজত জনপ্ৰিয় আৰু সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ল।






# বৌদ্ধিক উত্তৰণৰ ক্ষেত্ৰত সামাজিক মাধ্যমৰ ভূমিকা



**দ্বীপৰঞ্জন দত্ত**
ষষ্ঠ ষাণ্মাসিক,ৰাসায়ন বিজ্ঞান বিভাগ

সামাজিক মাধ্যম হৈছে আধুনিক সমাজৰ কাণ্ডাৰীস্বৰূপ। কোনো এজন ব্যক্তিৰ এটা আদৰ্শক সামাজিক আদৰ্শস্বৰূপে উপস্থাপন কৰাত সামাজিক মাধ্যমৰ ভূমিকা অতুলনীয়। তাৰোপৰি বিশ্বত এতিয়ালৈকে সংঘটিত হোৱা প্ৰগতিশীল আন্দোলন তথা বিপ্লৱৰ পটভূমিলৈ যদি আমি লক্ষ্য কৰো তেন্তে দেখা পাম যে ইয়াৰ আঁৰতো সামাজিক প্ৰচাৰ মাধ্যমে অৰিহণা যোগাইছে। বিংশ শতিকাত ভাৰতবৰ্ষৰ গৰ্ভত ৰোপিত হোৱা জাতীয়তাবাদক জনতাৰ ন্যায্যতা দিয়াত প্ৰচাৰ মাধ্যমে বিশেষ ভূমিকা পালন কৰিছে। আমি যদি প্ৰচাৰ মাধ্যমৰ ইতিহাসলৈ চাওঁ তেন্তে দেখা পাম যে ঊনবিংশ বা বিংশ শতিকাৰ প্ৰচাৰ মাধ্যম কেৱল বাতৰি কাকত, আলোচনী আদিত সীমাবদ্ধ আছিল। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে প্ৰচাৰ মাধ্যমৰো পৰিৱৰ্তন ঘটে আৰু বহুতো নতুন উপাদানৰ সংযোজন ঘটে। তেনেদৰেই একবিংশ শতিকাত প্ৰচাৰ মাধ্যমত এটা বৃহৎ অংশ হৈ পৰে ছ'চিয়েল মিডিয়া। গুগল প্লে'ষ্টৰত সীমাবদ্ধ হৈ থকা হোৱাটচ এপ, ফেচবুক, টুইটাৰ, ইউটিউৱ আদি প্ৰচাৰ মাধ্যমৰ এটা বৃহৎ অংগ হৈ পৰে। সেয়েহে আমি ছ'চিয়েল মিডিয়াৰ আলোচনাৰ অন্যতম বিষয়ৰূপে গ্ৰহণ কৰিছো।

বিশ্বায়নৰ সময়ত প্ৰত্যেকজন ব্যক্তিকে পৃথিৱীখনক হাতৰ মুঠিতে লৈ চাব পৰাকৈ ছচিয়েল মিডিয়াই সুযোগ প্ৰদান কৰিছে। দিনক দিনে ছচিয়েল মিডিয়া পণ্য সামগ্ৰীৰ এখন বিশাল বজাৰলৈ ৰূপান্তৰিত হৈছে। যাৰ সহায়ত এজন ব্যক্তিয়ে নিজৰ প্ৰয়োজন তথা তাগিদা সকলো ঘৰতে বহি বহি পূৰণ কৰিব পাৰিছে। ইয়াৰোপৰি উল্লেখনীয় এই যে সাম্প্ৰতিক সময়ত সংঘটিত হোৱা ঘটনা এটাৰ ওপৰত পুংখানুপুংখ বিশ্লেষণ আমি ছচিয়েল মিডিয়াৰ প্ৰেক্ষাপটত বিচাৰি পাওঁ। প্ৰাসংগিক বিষয়বস্তু এটাৰ আঁত ধৰি বিভিন্ন চিন্তাবিদ, সমালোচক বা নাগৰিক সমাজৰ বিজ্ঞলোকসকলে নিজ নিজ মতামত ছ'চিয়েল মিডিয়াত এৰি দিয়ে আৰু এনে মতামতসমূহে গঠনমূলক চিন্তা-ধাৰা তথা প্ৰশ্ন উদ্বেগ কৰাত সহায়ক ভূমিকা পালন কৰি থকা পৰিলক্ষিত হয়। এনেবোৰ পৰিঘটনা যুৱ সমাজৰ মাজত সামাজিক তথা বৌদ্ধিক সচেতনতা বৃদ্ধি কৰাত সহায় কৰে।

লক্ষণীয় এই যে ছচিয়েল মিডিয়াই যিদৰে সমাজলৈ কিছুমান ইতিবাচক বৰঙণি আগবঢ়াইছে ঠিক এনেদৰে কিছুমান নেতিবাচক প্ৰভাৱ পেলোৱাও দেখা যায়। বিশেষকৈ সামায়িক অপপ্ৰচাৰ চলোৱাত আমি আটাইতকৈ বেছি ছ'চিয়েল মিডিয়াকেই দোষাৰোপ কৰিব পাৰো। এইবোৰ কাৰ্যই হিংসাত্মক ঘটনা সংঘটিত কৰাত সাধাৰণ লোকক প্ৰৰোচিত কৰা দেখা যায়। আনকি টেলিভিচন, বাতৰি কাকতৰ খবৰেও কেতিয়াবা সমাজলৈ বিষবাষ্প কঢ়িয়াই আনে। যিয়ে সমাজখনক শ্বাসৰুদ্ধ সমাজলৈ ৰূপান্তৰিত কৰে। কিন্তু এনে এক পটভূমিত আমালৰ যুৱ-সমাজৰ হাতত যথেষ্ট দায়িত্ব ন্যস্ত হৈ থাকে। কাৰণ আজি যুৱ প্ৰজন্মই কাইলৈ দেশৰ ভ ৱিষ্যত, দেশৰ মানৱ সম্পদ। সাধাৰণতে ১৫ বছৰৰ পৰা ২৪ বয়সলৈকে যুৱ অৱস্থা বুলি কোৱা হয় যদিও National Youth policy of India ই ১৫ বছৰৰ পৰা ৩৫ বছৰ বয়সলৈকে সকলোকে যুৱ অৱস্থাত সামৰি লৈছে। এই সময়খিনি হৈছে সকলোৰে বাবে বৰ সংবেদনশীল। উক্ত সময়খিনিৰ ভিতৰতে এজন লোকৰ শাৰীৰিক তথা মানসিক বিকাশ সাধন হয়। গতিকে এইখিনি নিজকে পৰিপক্ক ৰূপত গঢ় দিব পাৰিলেহে ভৱিষ্যত সুদৃঢ় হৈ পৰে। সেয়েহে কোৱা হয় "যুৱ অৱস্থা সুন্দৰ ভৱিষ্যত জীৱনৰ এখন খিৰিকী।" কিন্তু আজিৰ তাৰিখত দেশৰ এই ভৱিষ্যতক লৈ নানান প্ৰশ্ন উত্থাপিত হৈ থাকে। কাৰণ বৰ্তমান যুৱ প্ৰজন্মৰ মাজত উশৃংখলতাই গা কৰি উঠিছে। যিয়ে সামাজিক পৰিকাঠামোত নেতিবাচক প্ৰভাৱ পেলোৱা দেখা যায়। সি যি কি নহওঁক যুৱ উশৃংখলতাৰ আৰত বহুতো কাৰক লুকাই আছে। কিন্তু বহুতো সমালোচকে আঙুলিয়াই দিয়া কাৰকটো হ'ল ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰ। নৱপ্ৰজন্মৰ অধিকাংশই এই মাধ্যমৰ অপব্যৱহাৰ কৰা দেখা যায়। বহুলোকে ছ'চিয়েল মাধ্যমসমূহত ভুৱা একাউণ্ট খুলি কাৰোবাক ভাবুকি বা ব্লেকমেইলিং, অপপ্ৰচাৰ, উৰাবাতৰি আদি প্ৰচাৰত আগ-ভাগ লোৱা দেখা যায়। কোনো কোনো ঠাইত ভাতৃঘাটি বা গোষ্ঠী সংঘৰ্ষ সংঘটিত হোৱাৰ মূলতে সামাজিক মাধ্যমেই আটাইতকৈ জগৰীয়া। উদাহৰণস্বৰূপে কাৰ্বি আংলঙত সোপাধৰাৰ সন্দেহত দুজন নিৰীহ যুৱকক জীৱন্তে হত্যা কৰা হয়। এই ঘটনাৰ আঁৰত অৰিহণা যোগোৱা কাৰকসমূহৰ অন্যতম আছিল ছ'চিয়েল মিডিয়াত প্ৰচাৰ হৈ সোপাধৰাকেন্দ্ৰিক ভুৱা খবৰসমূহ। গতিকে এনেবোৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰাটো দৰকাৰ। এনে সতৰ্কময় পৰিৱেশ সূচনা কৰাত নৱপ্ৰজন্মই বিশেষ ভূমিকা পালন কৰাটো দৰকাৰ। তদুপৰি সাম্প্ৰতিক সময়ত আমাৰ সমাজত সংঘটিত হোৱা প্ৰায়বোৰ সৰু-বৰ ঘটনাকে সামাজিক মাধ্যমত তুলি ধৰা হয়। যুৱ প্ৰজন্মৰ মানসিকতাত এনে ঘটনাই ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা পৰিলক্ষিত হয়। এনে ক্ৰিয়া-প্ৰতিক্ৰিয়াই বহুতকেই সমস্যাৰ ফালে ঠেলি দিয়ে। আনকি কেইবাবছৰৰ পৰা আমাৰ দেশত যুৱক-যুৱতীৰ আত্মহত্যাৰ হাৰ যথেষ্ট হাৰত বৃদ্ধি পাইছে আৰু ইয়াৰ বাবেও সামাজিক মাধ্যম বহুগুণে দায়ী। কাৰণ যদিও সমাজ মাধ্যমত যথেষ্ট ফলপ্ৰসু বিষয়সমূহ সন্নিবিষ্ট হৈ থআকে তৎসত্বেও অধিক সংখ্যক লোক তাত সন্নিবিষ্ট হৈ থকা বেয়া বিষয়সমূহৰ ফালহে ঢাল খায়। তাৰে পৰিণতিত এনেবোৰ ঘটনা সংঘটিত হয়।

উল্লেখনীয় এই যে বহু সময়ত আমাৰ সমাজত সংঘটিত হৈ থকা সাম্প্ৰদায়িক সংঘৰ্ষ, শ্ৰেণী সংঘৰ্ষ তথা বৰ্ণ-জাতিগত সংঘৰ্ষ সংঘটিত হোৱাত প্ৰচাৰ মাধ্যমে এক নিৰ্ণায়ক ভূমিকা পালন কৰে। আনকি আজিৰ পটভূমিত প্ৰচাৰ মাধ্যমৰ নিৰপক্ষতাক লৈও নানান প্ৰশ্ন উত্থাপিত দেখা যায়। যাৰ ফলত প্ৰচাৰ মাধ্যমক লৈ জনতাৰ যি আস্থা আৰু ভৰসা ক'ৰবাত স্খলন ঘটাৰো উল্লেখ পোৱা যায়। অৱশ্যে এনে জটিল সময়ত উন্মাদ নহৈ গঠনমূলকভাৱে কাৰ্য সমাধান কৰিবলৈ যুৱ প্ৰজন্ম যত্নপৰ হ'ব লাগে। লগতে আৱেগৰ বশবৰ্তী নহৈ যুক্তিবাদী দৃষ্টিভংগীৰ মাধ্যমেৰে খোজ দিলে নিশ্চয় সু-ফল পাব।

ইয়াৰোপৰি সম্প্ৰতি আমাৰ সমাজখন এখন অসুখী সমাজৰূপে চিহ্নিত হৈছে। কাৰণ সৰহসংখ্যক লোকৰ মাজত থকা বিচাৰ-বুদ্ধিৰ মান নিম্নগামী হৈ পৰিছে। নিঃসংগতা, আত্মকেন্দ্ৰিকতা আৰু হতাশাই এতিয়াৰ প্ৰজন্মক লক্ষ্যচ্যুত কৰি ভুল পথত অগ্ৰসৰ আৰু পৰিচালিত কৰিছে। শৃংখলাহীন এনে পৰিস্থিতিত সমাজখনত চুৰি-ডকাইতি, হিংসা-প্ৰতিহিংসা আৰু অপৰাধমূলক কাৰ্যকলাপবোৰ বৃদ্ধি পাবলৈ ধৰিছে। বিভিন্ন পৰ্যায়ত সংঘটিত হোৱা সংঘৰ্ষ আৰু দুৰ্নীতিয়ে পোনপটীয়াভাৱে সামাজিক মূল্যবোধত মাধমাৰ মাৰিছে। ৰাজনীতি এক উৎসৱলৈ ৰূপান্তৰিত হৈছে য'ত কেৱল জড়িত হৈ থাকে মুনাফাৰ এটা বৃহৎ অংক। এন এক পৰিৱেশত সামাজিক দায়বদ্ধতাৰ বিষয়টো অপ্ৰাসংগিক হৈ পৰাৰ প্ৰশ্ন উঠে। কিন্তু সামাজিক দায়বদ্ধতা হৈছে সমাজ এখনৰ বাবে অবিচ্ছেদ্য অংগ। সমাজ এখনক সৰ্বাংগীণ সুন্দৰভাৱে পৰিচালনা কৰিবলৈ হ'লে সামাজিক দায়বদ্ধতাৰ খুব প্ৰয়োজন। মূলতঃ সামাজিক দায়বদ্ধতা হৈছে নৈতিক পৰিকাঠামো। আমাক সৰুৰে পৰা সমাজখনে শিকাই যে কেনেকৈ আমি জ্ঞান আৰু ক্ষমতাক সাৰোগত কৰি সামাজিকভাৱে সংঘাতহীন জীৱন এটা অতিবাহিত কৰিব পাৰিম। ফলস্বৰূপে মানুহে এটা পৰিশীলিত তথা সাধাৰণ জীৱন-যাপন কৰাটো সক্ষম হৈ পৰিছে। সেয়েহে যুৱ প্ৰজন্ম সামাজিকভাৱে দায়িত্বশীল হোৱাটো দৰকাৰ। সমান্তৰালভাৱে সামাজিক স্থিতাৱস্থাক এটা নিৰ্দিষ্ট গতি প্ৰদান কৰিবলৈ যুৱ সমাজ আগবাঢ়ি আহিব লাগে। লগতে জীৱনমুখী মানসিকতাৰ মাজেৰে ভৱিষ্যতৰ বাট মুকলি কৰিবলৈ যুৱ সমাজ অগ্ৰসৰ হ'ব লাগে।

যি কি নহওক নৱপ্ৰজন্মৰ হাতত বৌদ্ধিকতাৰ নামত বিপ্লৱ হওক। প্ৰগতিশীল চিন্তা-চৰ্চাক লৈ এলানি আলোচনা হওক অন্যায়-অবিচাৰ-অনিয়মৰ বিৰুদ্ধে সদামুখৰ হৈ থাকক নৱপ্ৰজন্ম।



# বাল্য বিবাহ ঃ
# ইয়াৰ প্ৰভাৱ আৰু প্ৰতিৰোধৰ উপায়

**জ্ঞানদ্বীপ কোঁচ**
চতুৰ্থ ষাণ্মাসিক, ৰাজনৈতিক বিজ্ঞান বিভাগ

**আৰম্ভণিঃ**

এখন সুস্থ সবল ৰাষ্ট্ৰ গঠনৰ বাবে আৱশ্যক এটা সুস্থ সবল জাতি। ৰাষ্ট্ৰত থকা জনগণৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্য উন্নত নহ'লে এটা সুস্থ জাতি বা এখন দেশ গঠন হ'ব নোৱাৰে। এনে সুস্থ সবল শিক্ষিত নাগৰিকৰ কল্পনা কৰিলেই মনলৈ আহিব এগৰাকী মাতৃৰ কথা। অৰ্থাৎ এগৰাকী মানসিক, শাৰীৰিকভাৱে সুস্থ আৰু শিক্ষিত নাৰীয়েহে এটা সুস্থ সবল সন্তান জন্ম দিব পাৰে। গতিকে সুস্থ সমাজ গঢ়াত এগৰাকী মাতৃৰ ভূমিকা অপৰিসীম। সেয়ে নেপোলিয়নে কৈছিল, "মোক কেইগৰাকীমান সুস্থ সবল নাৰী দিয়া, মই এটা সুস্থ সবল জাতি দিম।" ইয়াৰ অৰ্থ এইটোৱেই যে সুস্থ সবল আৰু শিক্ষিত মাতৃত্বই এখন সুস্থ সমাজ বা জাতি গঢ় দিব পাৰে।

কিন্তু অতি পৰিতাপৰ কথা যে, একবিংশ শতিকাতে। আজি আমাৰ দেশত এনে কিছুমান অঞ্চল তথা জাতি-গোষ্ঠী বা সম্প্ৰদায় আছে য'ত আধুনিক শিক্ষা ব্যৱস্থাই সামগ্ৰিকভাৱে পোহৰ বিস্তাৰ কৰিব পৰা নাই। ফলস্বৰূপে, সেই অঞ্চলবোৰত বা সম্প্ৰদায়ৰ মাজত এতিয়াও নাৰীক পণ্য দ্ৰব্যৰ দৰে ব্যৱহাৰ কৰি আহিছে। পুৰণি ধ্যান-ধাৰণাৰ বশৱতী হৈ অতি কম বয়সতে কন্যা সন্তানক বিয়া দি ঘৰৰ পৰা উলিয়াই দিয়া হৈছে। আইনগতভাৱে বিয়াত বহাৰ উপযুক্ত সময় তথা বয়সৰ পূৰ্বেই যেতিয়া ল'ৰা-ছোৱালী এগৰাকী বিবাহপাশত আৱদ্ধ হয়, তেতিয়া সেই বিবাহ বাল্য বিবাহৰূপে পৰিগণিত হয়। এনে বিবাহৰ প্ৰভাৱ সমাজ এখনত বাৰুকৈয়ে পৰে। বয়সৰ লগে লগে মানুহৰ শাৰীৰিক আৰু মানসিক বিকাশে পূৰ্ণতা লাভ কৰে



আৰু তেনে স্থলত সুস্থ চিন্তাধাৰাৰে সকলো আগুৱাই যাব পাৰে। কিন্তু অপৈণত অৱস্থাতে বিবাহপাশত সোমাই পৰিলে শাৰীৰিকভাৱে বিভিন্ন সমস্যাৰ সন্মুখীন হোৱাৰ সম্ভাৱনাই অধিক। তদুপৰি চিন্তাশক্তিৰ তৰলতাৰ বাবেই হওক সঠিক সিদ্ধান্ত লোৱাৰ দিশতো পথচ্যুত হ'ব পাৰে আৰু তেনে পিতৃ-মাতৃয়ে জন্ম দিয়া সন্তানৰ ক্ষেত্ৰটো বিভিন্ন দিশত কিছুমান আঁসোৱাহ ৰৈ যাব পাৰে। ফলত ইয়াৰ কু-প্ৰভাৱ এখন সমাজে বাৰুকৈয়ে ভুগিবলগীয়া হ'ব পাৰে।




**বাল্য বিবাহৰ প্ৰভাৱঃ**

বাল্য বিবাহ হৈছে একপ্ৰকাৰৰ কু-প্ৰথা। ই দেশৰ উন্নতিৰ প্ৰতি ভাবুকি স্বৰূপ। বাল্য বিবাহৰ ফলত জন্ম হোৱা জনসংখ্যাই দেশৰ আৰ্থসামাজিক উন্নতিৰ অন্তৰায় হৈ থিয় দিছে। ইয়াৰ লগতে বাল্য বিবাহে আন বহুতো আৰ্থ সামাজিক আৰু স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰিছে।

বাল্য বিবাহৰ কবলত পৰা কন্যাই সচৰাচৰ বিদ্যালয় ত্যাগ কৰিবলগীয়া হয়। যি সময়ত এটা ল'ৰা বা কন্যা সন্তানে শিক্ষা গ্ৰহণ কৰিবৰ বাবে বিদ্যালয়লৈ যোৱাটো প্ৰয়োজন, সেই বয়সত অভিভাৱকে নিজৰ দায়িত্ব সামৰিবৰ বাবে কন্যাক বিয়া দিয়াৰ ফলত শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হয়। কম বয়সতে বিয়া হোৱাৰ ফলত অসম্পূৰ্ণ শাৰীৰিক গঠনৰ ফলস্বৰূপে অপৈণত গৰ্ভধাৰণ হয়। ফলত ইয়ে প্ৰসূতি তথা নৱজাতকৰ মৃত্যুৰ প্ৰধান কাৰণ হৈ পৰে। উদ্বেগজনকভাৱে ভাৰতৰ ভিতৰতে অসমত প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুৰ হাৰ অধিক। আকৌ বৃদ্ধ পুৰুষে কম বয়সীয়া ছোৱালীক বিয়া কৰোৱাৰ ফলত ছোৱালীজনীয়ে অকাল বৈধব্যৰ বোজা সহিব লগা হয়। নাইবা জীৱনৰ নিৰাপত্তা বিচাৰি পুনৰ বিবাহপাশত আবদ্ধ হ'ব লগা হয়। যিটোৰ দ্বাৰা কন্যাৰ স্বাস্থ্য হানি হয়। ফলত কেতিয়াবা কম বয়সতে মৃত্যুমুখত পৰিবলগীয়া হয়। তদুপৰি বিকলাংগ শিশুৰ জন্মও বাল্য বিবাহৰেই ফল। অধিক সন্তান জন্মৰ ফলত পৰিয়ালৰ অৰ্থনৈতিক দুৰৱস্থাৰ সৃষ্টি হয়। যিয়ে শিশু শ্ৰমিক সৃষ্টিত অৰিহণা যোগায়, যিটো আইনবিৰুদ্ধ।

*উদ্বেগজনকভাৱে ভাৰতৰ ভিতৰতে অসমত প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুৰ হাৰ অধিক। আকৌ বৃদ্ধ পুৰুষে কম বয়সীয়া ছোৱালীক বিয়া কৰোৱাৰ ফলত ছোৱালীজনীয়ে অকাল বৈধব্যৰ বোজা সহিব লগা হয়। নাইবা জীৱনৰ নিৰাপত্তা বিচাৰি পুনৰ বিবাহপাশত আবদ্ধ হ'ব লগা হয়। যিটোৰ দ্বাৰা কন্যাৰ স্বাস্থ্য হানি হয়। ফলত কেতিয়াবা কম বয়সতে মৃত্যুমুখত পৰিবলগীয়া হয়। তদুপৰি বিকলাংগ শিশুৰ জন্মও বাল্য বিবাহৰেই ফল।*

গুৰুত্বপূৰ্ণভাৱে বাল্য বিবাহৰ ফলত নাৰীগৰাকী যিহেতু আৰ্থিকভাৱে স্বাৱলম্বী নহয় আৰু মানসিক সজাগতা, ব্যক্তিত্ব গঠন আদি ক্ষেত্ৰত সবল নহয়। সেয়ে স্বাভাৱিকতেই ইয়াৰ পৰিণতিস্বৰূপে ঘৰুৱা সংঘাত নিৰ্যাতন, বিচ্ছেদৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পায়। সেয়েহে আমাৰ সমাজত সচৰাচৰ কন্যাৰ দায়িত্ব দৰিদ্ৰ পৰিয়ালে বহন কৰিবৰ বাবে সক্ষম নোহোৱাত আৰু পৰৱৰ্তী জীৱনত আৰ্থিক নিৰাপত্তা আৰু সুৰক্ষা নিশ্চিত কৰিবৰ বাবে কম বয়সতে অভিভাৱকে বিয়া দিয়াৰ সিদ্ধান্ত লয়। যদিও পাছৰ জীৱনত ইয়াৰ বিপৰীতে অধিক সমস্যাই গা কৰি উঠে। গতিকে এই বিবাহ কেৱল আইন বিৰুদ্ধই নহয়, অমানবীয়ও।

**বাল্য বিবাহ প্ৰতিৰোধৰ উপায় ঃ**

প্ৰতিটো সমস্যাৰে একোটা সমাধান থকাৰ দৰে বাল্য বিবাহকো প্ৰতিৰোধ কৰাৰ উপায় আছে। বাল্য বিবাহৰ সুদূৰ প্ৰসাৰী আৰু ভয়াবহ পৰিণতিৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ বিৰুদ্ধে কঠোৰ আইনৰ প্ৰয়োজন। সেই আইন মানি চলিবলৈ নাগৰিকক বাধ্য কৰোৱাটোও জৰুৰী। ২০০৬ চনত দেশত বাল্য বিবাহ ৰোধৰ লক্ষ্যৰে প্ৰণয়ন কৰা আইনখন সফলৰূপত কাৰ্যকৰীকৰণ কৰাৰ প্ৰয়োজন।

যিহেতু নিৰক্ষৰ জনসাধাৰণৰ মাজত এই কু-প্ৰথাৰ প্ৰচলন অধিক। সেয়েহে চৰকাৰ তথা প্ৰশাসনে শিক্ষা ব্যৱস্থাৰ প্ৰসাৰ সাধনৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত। তদুপৰি চৰকাৰে গাঁওবুঢ়া, পুৰোহিত, কাজী আদিক বাল্য বিবাহৰ কু-ফলৰ বিষয়ে সচেতন হ'বলৈ বিশেষ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰাৰ লগতে যিবোৰ জনগোষ্ঠীৰ মাজত বাল্যবিবাহ ব্যৱস্থাৰ প্ৰচলন আছে তেওঁলোকৰ পৰিয়ালৰ মুখিয়ালক লৈ সজাগতা সভা অনুষ্ঠিত কৰাৰ দৰে ব্যৱস্থা গ্ৰহণ কৰা উচিত। প্ৰতিজন গাঁওবুঢ়াকে চৰকাৰে অঞ্চলটোত হোৱা প্ৰতিখন বিয়াৰ পাত্ৰ-পাত্ৰীৰ জন্ম প্ৰমাণ পত্ৰ স্থানীয় আৰক্ষী থানাত আগতীয়াকৈ জমা দিয়াৰ বাবে নিৰ্দেশ দিয়াৰ প্ৰয়োজন। আশাকৰ্মী সকলেও যাতে নজৰ ৰাখে আৰু কোনোৱে এনে বিবাহপাশত আৱদ্ধ হ'লে যাতে গোপনে আৰক্ষীক খবৰ দিয়ে, তাৰ বাবে চৰকাৰে নিৰ্দেশ দিয়াৰ প্ৰয়োজন। আকৌ প্ৰতিটো অঞ্চলতে শিক্ষিত লোক, ছাত্ৰ সংগঠন, বে-চৰকাৰী সংস্থা সমূহেও বাল্য বিবাহক প্ৰতিৰোধ কৰাত আগভাগ লোৱাৰ লগতে এদল স্বাস্থ্য কৰ্মী, আৰক্ষীৰ ৰাজহুৱা নিৰীক্ষণ কৰা দলৰ প্ৰয়োজনীয়তা আছে। চৰকাৰ তথা প্ৰশাসনৰ বাহিৰেও পিতৃ-মাতৃ, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজ নিজ ক্ষেত্ৰত বাল্য বিবাহ প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন। তাৰবাবে কন্যা সন্তানক মৰম আদৰেৰে আৱৰি ৰাখি অধ্যয়নৰ প্ৰতি চকু দি আগুৱাই যোৱাত সহায় কৰা, স্বাৱলম্বী, আত্মনিৰ্ভৰশীল, সাহসী হ'বলৈ শিকোৱা, কুমলীয়া বয়সৰ পৰাই বিয়াৰ ইচ্ছাৰ বীজ নিসিচি নিজৰ জীৱনটোক গঢ় দিবলৈ অনুপ্ৰাণিত কৰাটো আৱশ্যক।আমাৰ দেশত ছোৱালীৰ বিয়াৰ বয়স ১৮ বছৰ আৰু ল'ৰাৰ বিয়াৰ বয়স ২১ বছৰ যদিও বহুলোকে জাল জন্ম প্ৰমাণ পত্ৰ উলিয়াই বয়স বৃদ্ধি কৰি বিবাহপাশত আৱদ্ধ হয়। এনেক্ষেত্ৰত জাল জন্ম প্ৰমাণ পত্ৰ দিয়া সংশ্লিষ্ট লোকসকল অধিক দায়ী। এই লোকসকলকো গ্ৰেপ্তাৰ কৰি কাৰাবাস খাটিবলৈ দিলে হয়তো এনে অপকৰ্ম ৰোধ কৰিব পৰা যায়। মুঠতে, বাল্য বিবাহ হৈছে এক সামাজিক ব্যাধি। যেতিয়ালৈকে সমাজৰ নিৰক্ষৰ লোকক শিক্ষা দীক্ষাৰে পৈণত কৰিব পৰা নাযাব, তেতিয়ালৈকে এনে স্পৰ্শকাতৰ সমস্যা সমাধান কৰা সম্ভৱ নহ'ব।

**সামৰণিঃ**

বাল্য বিবাহ সংঘটিত হোৱা মানে কেৱল চৰকাৰ, প্ৰশাসন তথা আৰক্ষী বিভাগৰে ব্যৰ্থতা নহয়। সেয়া অভিভাৱক আৰু সমাজৰো দায়িত্বহীনতা। কিয়নো বাল্য বিবাহৰ ঘটনা সংঘটিত হোৱাৰ ক্ষেত্ৰত চৰকাৰ, প্ৰশাসন তথা আৰক্ষীতকৈ অভিভাৱক আৰু সমাজৰ ভূমিকা অধিক। নিৰ্ধাৰিত বয়সৰ পূৰ্বে বিবাহপাশত আৱদ্ধ হোৱা ল'ৰা ছোৱালী যিদৰে আইনৰ আওঁতালৈ আহিব লাগে ঠিক তেনেদৰে বাল্য বিবাহ সম্পন্ন কৰিবলৈ সুবিধা প্ৰদান কৰা অভিভাৱক সকলো সমানে দায়ী। ইয়াৰ উপৰিও বাল্য বিবাহৰ নীৰৱ দৰ্শক হৈ থকা সমাজৰ সচেতন লোকসকলৰ দোষো কম নহয়। নাগৰিকসকলে চৰকাৰ, প্ৰশাসন আৰু আৰক্ষীৰ ওপৰত দৃষ্টি নিৱদ্ধ কৰি হাত সাৱটি বহি থাকিলেই হয়তো বাল্য বিবাহৰ দৰে সামাজিক ব্যাধিসমূহ সমাজৰ পৰা নিৰ্মূল কৰাত কেতিয়াও সফল হ'ব পৰা নাযায়। এজন সচেতন নাগৰিক হিচাপে সকলোৱে চৰকাৰ প্ৰশাসন তথা আৰক্ষীৰ লগত সহযোগিতা আগবঢ়ালেহে বাল্য বিবাহৰ দৰে অপৰাধ সমাজৰ পৰা নিৰ্মূল কৰিব পৰা যাব।





# শৃংখলাৱদ্ধ আৰু সমৃদ্ধিশালী সমাজ গঢ়াত নাৰীৰ ভূমিকা



লক্ষীমাই বৰুৱা
কৰ্মচাৰী,ঢকুৱাখনা মহাবিদ্যালয়

সমাজ হৈছে ব্যক্তিৰ সমষ্টি, য'ত কিছুমান উমৈহতীয়া নিয়ম শৃংখলা জড়িত হৈ থাকে। শৃংখলাৱদ্ধ আৰু সমৃদ্ধিশালী সমাজ গঢ়াত নাৰীৰ অৱদান অতুলনীয়। নাৰীসকলে সভ্যতাৰ পাতনিৰে পৰা মাতৃ, ভগ্নী, পত্নী, গৃহিনী আদি ৰূপেৰে ব্যক্তিগত আৰু সামাজিক জীৱনত দায়িত্ব পালন কৰি আহিছে। এটা জাতিৰ সভ্যতা সংস্কৃতি বহুলাংশে নিৰ্ভৰ কৰে নাৰীসকলৰ ওপৰত। ভগা জুপুৰী এটাই হওক, তাত যদি এগৰাকী সদ্‌গুণী, মিতব্যয়ী আৰু পৰিপাটি স্বভাৱৰ গৃহিনী থাকে, তেনে হ'লে সেই ভগা জুপুৰীটোও নৈতিকতা আৰু সুখৰ আলয় হয়।

ভগৱন্ত শ্ৰী কৃষ্ণই অৰ্জুনৰ আগত ব্যক্ত কৰিছে যে মই নাৰীসকলৰ ভিতৰত কীৰ্তি, শ্ৰী, বাক, স্মৃতি, মেধা, ধৃতি আৰু ক্ষমা সপ্ত শক্তি ৰূপে বিৰাজ কৰোঁ (মহাভাৰত)। ঈশ্বৰৰ সপ্ত শক্তিৰে শক্তিমান, আদৰ্শ পৰায়ণ, স্নেহ, দয়া ক্ষমাৰ দৰে মহৎ গুণেৰে নাৰীসকল বিভূষিতা। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শনত এটা উল্লেখনীয় দিশ হ'ল নাৰীৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱ দেখিবলৈ পোৱা যায়। নাৰীসকলক গুৰু জনাই 'আই' সম্বোধনেৰে উচ্চ আসন দিছে। গুৰুজনাৰ আবিৰ্ভাৱৰ সময়ত অসমত নাৰী সমাজ সকলো দিশতে নিস্পেষিত আছিল বুলিব পাৰি। তেৰাই সংকীৰ্ণতাৰ পৰিধি ভাঙি নাৰী পুৰুষৰ সমমৰ্যাদাৰ ধ্বনি উদাত্ত কণ্ঠৰে ঘোষণা কৰিছিল —

কাক বুলি হৰি কথা হৰিৰ কীৰ্ত্তন কৰা
যিটো সৰে একোকে নাজানে
স্ত্ৰী পুত্ৰ অন্ত্যজাতি তাকো দিবা শিক্ষা মাতি
ধৰিব সিসৰ অহো প্ৰাণে।।
(নিমি-নৱ সিদ্ধ সংবাদ)

গুৰুজনাই এক শৰণ নৱবৈষ্ণৱ ধৰ্মৰ জৰিয়তে স্ত্ৰী আৰু পুৰুষৰ সম শিক্ষা প্ৰদানত গুৰুত্ব দি অসমীয়া নাৰী সমাজক যোগ্য আসন দি থৈ গৈছে।

মাতৃ হৈছে পবিত্ৰতা, শুচিতা, সহিষ্ণুতা আৰু সুন্দৰতাৰ প্ৰতিমূৰ্ত্তি। সন্তানৰ প্ৰতি মমতা, স্বামীৰ প্ৰতি পবিত্ৰতা, বিশ্বৰ প্ৰতি দয়া, জীৱৰ প্ৰতি কৰুণা এই মহা প্ৰবৃত্তিসমূহৰ প্ৰকাশিকা শক্তিয়েই নাৰী। শাৰীৰিকভাৱে পুৰুষতকৈ কিছু দেহৰ গঠন পৃথক আৰু কম শক্তিশালী হ'লেও নাৰীৰ মানসিক শক্তি বহুত বেছি। যুগে যুগে পৃথিৱীৰ বুকুত কিছুমান ব্যক্তিৰ জন্ম হয় যাৰ ব্যক্তিত্ব আৰু কৰ্মৰাজি ইতিহাসৰ বুকুত চিৰস্মৰণীয় হৈ থাকে। অসমীয়া নাৰীয়ে অধ্যয়নশীলা, যোদ্ধা, শাসক, সতী বা বীৰাঙ্গনা, ত্যাগী, মমতাময়ী আদি গুণেৰে স্বাভিমান প্ৰকাশ কৰি আহিছে। তেওঁলোকে জীৱনৰ প্ৰতিটো স্তৰতে নিজৰ শক্তি, বুদ্ধিমত্তা, ধৈৰ্যশীলতা গুণেৰে সমাজৰ পথ প্ৰদৰ্শক হ'ব পাৰে।

এগৰাকী মাতৃয়ে শিশুৰ নৈতিক চৰিত্ৰ গঠনত বিভিন্ন দিশৰ শিক্ষা দিব পাৰে। পুত্ৰ-জী সমপৰ্যায়ৰ বিপথে যোৱা যুৱ-প্ৰজন্মক মৰমেৰে নাৰীয়েহে সৎপথলৈ আনিব পাৰে। পুৰুষৰ উত্তৰণতো নাৰীৰ যথেষ্ট অৱদান আছে। তেওঁলোক শুদ্ধ পথৰ পৰা বিচলিত হ'লে সঠিক পথৰ সন্ধান দিবলৈও আপ্ৰাণ চেষ্টা কৰে।

ঘৰখনেই শিশুৰ প্ৰথম পঢ়াশালি আৰু মাতৃগৰাকীয়েই প্ৰথম শিক্ষক সেই বাবেই শিশুৱে ঘৰৰ পৰাই দয়া, ক্ষমা, সত্য, প্ৰেম, ত্যাগ, ধৈৰ্য, সুহৃদয়তা আদি গুণবোৰ আয়ত্ত কৰে। সুস্থ ঘৰুৱা পৰিৱেশত ডাঙৰ দীঘল হোৱা ল'ৰা-ছোৱালী পাৰিবাৰিক আৰু মানসিক দিশ সদায় শৃংখলাৱদ্ধ আৰু সুস্থ হয়। বিশ্বৰ মান সমাজলৈ সুখ-শান্তি অনাত নাৰীগৰাকী আৰু ঘৰখনৰ গুৰুত্ব কিমান সেই কথাৰে ভাৰতৰ ৰাষ্ট্ৰপতি ড° এ. পি. জে. আব্দুল কালামে কৈছে — "হৃদয়ত যদি সদাচাৰ থাকে, চৰিত্ৰত থাকে সৌন্দৰ্য, চৰিত্ৰত যদি সৌন্দৰ্য থাকে ঘৰত বিৰাজ

কৰে সুখ-শান্তি, ঘৰত যদি সুখ শান্তি থাকে, দেশত বিৰাজ কৰে শৃংখলা, দেশত যদি শৃংখলা থাকে সমগ্ৰ বিশ্বত সুখ আৰু শান্তি আহে।"

এগৰাকী মাতৃক জীৱনৰ প্ৰথম শিক্ষয়িত্ৰী হিচাপে গুৰুত্ব কিমান সেৱা হিন্দু ধৰ্মৰ বিখ্যাত গ্ৰন্থ মনু সংহিতাত উল্লেখ আছে এনেদৰে — "উপাধ্যায়তকৈ দহগুণ শ্ৰেষ্ঠ আচাৰ্য, আচাৰ্যতকৈ এশগুণ শ্ৰেষ্ঠ পিতৃ আৰু পিতৃতকৈ হেজাৰগুণ শ্ৰেষ্ঠ গৌৰৱময়ী মাতৃ। এগৰাকী আদৰ্শময়ী শিক্ষিত মাতৃয়ে সন্তানক যিমান ভালদৰে বুজাব পাৰিব সেয়া অন্যৰ বাবে সম্ভৱ নহয়। যিহেতু মাকতকৈ সন্তানৰ যশস্যা আন কোনোৱে ভালদৰে বুজিব নোৱাৰে। যিসকল মহান লোকে এই পৃথিৱীৰ বুকুত নমস্য ব্যক্তি হিচাপে নাম বা খ্যাতি ৰাখি থৈ গৈছে সেই সকলৰ প্ৰায় সকলোৱেই এগৰাকী মাতৃ, পত্নী বা মহিলাৰ দ্বাৰা অনুপ্ৰাণিত হোৱা দেখা যায়। তাৰে কেইজন মানৱ উদাহৰণ হ'ল — মহাপুৰুষ শঙ্কৰদেৱৰ বুঢ়ীমাক খেৰসূতি, মহামানৱ মহাত্মা গান্ধীৰ পত্নী কস্তুৰ বা গান্ধী, কবি গুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ মাক সাদৰদেৱী, শিৱাজীৰ মাতৃ জীজামাতা ইত্যাদি। সেয়েহে হয়তো কোৱা হয় "Behind every successful man, there is a women"।

সমাজ পৰিৱৰ্তন কৰা বা প্ৰগতিৰ পথত আগবঢ়াই নিয়াৰ প্ৰথম পদক্ষেপেই হৈছে — শিক্ষা। শিক্ষা হৈছে জাতি বিকাশৰ সবাতোকৈ শক্তিশালী মাধ্যম যি দ্ৰুত আধুনিকীকৰণৰ উপায়, যাৰ সহায়ত সমস্ত জ্ঞান অৰ্জন কৰিব পাৰি। জ্ঞান হৈছে এক শক্তি, যি ব্যক্তিক মাতৃয়ে সন্তানক দিয়াৰ দৰে সুৰক্ষা দিয়ে। দেশ এখনত বসবাস কৰা জাতি, ধৰ্ম, সম্প্ৰদায় লিংগ নিৰ্বিশেষে সকলো লোককে শিক্ষা গ্ৰহণৰ সুবিধা দিব পাৰিলেহে দেশৰ সমবিকাশ সম্ভৱ হ'ব। নাৰীসকল অধিক সবল হ'বলৈ হ'লে সকলো স্তৰৰ নাৰীয়ে উপাৰ্জনক্ষম হ'ব লাগিব। চৰকাৰৰ প্ৰাপ্য আঁচনি সমূহ গ্ৰহণ কৰাৰ লগতে নিজেও কৰ্মক্ষম হৈ নিজৰ উপাৰ্জিত ধন যথাযোগ্য ব্যৱহাৰ কৰিবলৈ বুলি ভাৱিব লাগিব।

দুখৰ বিষয় যে — ইমানবিলাক গুণেৰে সমৃদ্ধ নাৰী জাতি স্থান, কাল, পাত্ৰ ভেদে নাবালিকাৰ পৰা সাবালিকা লৈ শিক্ষয়িত্ৰী, কৰ্মচাৰী, চিকিৎসকৰ পৰা বৃদ্ধা আইতালৈকে সকলো বয়সৰ নাৰীয়ে ঘৰ, বিদ্যালয়, কৰ্মক্ষেত্ৰ আদিত এচাম লম্পট চৰিত্ৰৰ পুৰুষৰ হাতত নিৰ্যাতিতা হ'বলগীয়া হৈছে। সি উচ্চপদবীধাৰী ব্যক্তি, খুৰা, ককা, দাদা, সাধু-সন্যাসীৰূপী পূজাৰী যিয়েই নহওক। এই অসৎ প্ৰকৃতিৰ লোক সকলে নাৰীক বাটে-ঘাটে বা যান-বাহনত অপদস্থ কৰিবলৈ কুণ্ঠাবোধ নকৰা বাবেই হয়তু আজিৰ নাৰীয়ে নিৰাপদে নিৰ্ভয়ে জীৱন যাপন কৰাৰ মৌলিক অধিকাৰ খিনিও হেৰুৱাৰ লগাত পৰিছে।

অপ্ৰিয় হ'লেও এটা কথা স্বীকাৰ কৰিবই লাগিব যে সমাজত ভাল-বেয়া দুটা দিশ সদায় লক্ষণীয়। বাতৰি কাকত, সংবাদ মাধ্যম আদি শিৰোনাম দখল কৰা কিছু তথা কথিত পুৰুষ নাৰী (অতিকম সংখ্যক) ৰ কৰ্মকাণ্ড দেখি গাৰ নোম শিঁয়ৰি উঠে। শিক্ষিতেই হওক বা অৰ্ধশিক্ষিতেই হওক তেওঁলোকৰ আচৰণ পুতৌ লগা বিধৰ। উদাহৰণ স্বৰূপে পিতৃ-মাতৃ দায়িত্বৰে পালন কৰিবলৈ অনা অনাথ শিশুক নিজ ভোগ সম্ভোগৰ কাৰণে যৌন-নিৰ্যাতনৰ দৰে অপৰাধ কৰা, ঘৰুৱা শিক্ষক বেশেৰে ছাত্ৰীক নিৰ্যাতন চলোৱা, অধিক ধনসম্পত্তিৰ গৰাকী হৈ লাহ-বিলাহ আৰু কোটিপতি হোৱাৰ আনন্দও সৰ্ব সাধাৰণক জুৰুলা কৰা কাৰ্যই কেৱল নাৰী জাতিকে নহয় সমগ্ৰ মানৱ জাতিকে লজ্জানত কৰিছে।

সাম্প্ৰতিক কালত আমাৰ নাৰীসকল সকলোৱে শিক্ষিত হৈছে। তেওঁলোকৰ মাজত বাল্য বিবাহ আৰু যৌতুক প্ৰথাৰ নিচিনা সামাজিক ব্যাধিবোৰ অলপ হ'লেও কমিছে। শিক্ষিত ছোৱালীসকলেও যৌতুক প্ৰথা বিৰোধ কৰাৰ বাবে উঠি পৰি লাগিছে। বাল্যবিবাহৰ ক্ষেত্ৰত চৰকাৰে যথেষ্ট ভাল পদক্ষেপ গ্ৰহণ কৰাটো আমাৰ কাৰণে পৰম সৌভাগ্য। আমাৰ উঠি অহা ভৱিষ্যত প্ৰজন্মৰ হাততেই যিহেতু সুস্থ সমাজ বৰ্তি থাকিব বুলি আমি আশাবাদী। সমাজৰ হিতৰ হকে দেশৰ উন্নতিৰ বাবে বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়াই যোৱা গুণী-জ্ঞানী ব্যক্তি সকলৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ তেওঁলোকে যাতে অগ্ৰগতি লাভ কৰিব পাৰে। এই ক্ষেত্ৰত আমি নাৰী সকলেই প্ৰধান ভূমিকা গ্ৰহণ কৰিব লাগিব।

আহক আমি সকলোৱে সহায় সহযোগিতাৰে এখন সুস্থ সমাজ গঠন কৰি সু-নাগৰিক আৰু মানৱ সম্পদ গঢ়িবলৈ যত্ন কৰোঁ। ⬢


*সহায়ক গ্ৰন্থ ঃ*

*১। নাৰীৰ পৰিসৰ — অনুৰাধা শৰ্মা।*

*২। সুধা সিন্ধু (স্মৃতিগ্ৰন্থ, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ ৯২ সংখ্যক বাৰ্ষিক অধিৱেশন)*



# সাম্প্ৰতিক সময়ৰ সমাজ ব্যৱস্থাত শংকৰ-মাধৱৰ প্ৰাসংগিকতা




শিৱাণী বৰ্মণ
৪ৰ্থ ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

বৰ্তমান প্ৰযুক্তিগত উন্নয়ন তথা বিশ্বায়নৰ দ্ৰুতগতিত পৰিৱৰ্তিত পৃথিৱীখনত পৰম্পৰাগত বিশ্বাস আৰু আধুনিক মূল্যবোধৰ মাজত এক সংঘৰ্ষৰ সৃষ্টি হৈছে। সাম্প্ৰতিক সময়ত আমাৰ সমাজৰ ছবিখন অতিকৈ ধূসৰ হৈ পৰিছে। সাম্প্ৰদায়িকতাবাদ, উচ্চ-নীচ, ৰাজনৈতিক অশান্তিৰ লগতে অনাচাৰ, মানৱীয় প্ৰমূল্যৰ অৱক্ষয় আৰু নৈতিক মূল্যবোধৰ স্খলন ঘটিছে। হত্যা আৰু হিংসা এক প্ৰকাৰৰ আদৰ্শস্বৰূপ হৈ জাতীয় জীৱনৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। সমসাময়িক এনে সমাজ ব্যৱস্থাত পুনৰ প্ৰয়োজন হৈ পৰিছে জগতগুৰু দুজনাৰ আদৰ্শ। যি সময়ত অসমৰ সমাজ অস্পৃশ্যতাৰ অন্ধকাৰত ডুব গৈ আছিল, অন্ধবিশ্বাস, অনাচাৰ, বৰ্ণ বৈষম্যই আৱৰি আছিল তেনে পৰিস্থিতিত শংকৰ আৰু মাধৱদেৱ গুৰু দুজনাৰ আৱিৰ্ভাৱ হৈছিল। গুৰুদুজনাৰ আদৰ্শ য'ত বৰ্তি আছিল- সমতা, মানৱতা আৰু গণতান্ত্ৰিক প্ৰমূল্যবোধ। মহাপুৰুষ দুজনা হ'ল জাতীয় বৈশিষ্ট্যৰ প্ৰতীক তথা জাতীয় প্ৰেৰণাৰ উৎস। একমাত্ৰ ধৰ্মপ্ৰচাৰকৰূপে গণ্য কৰিলে তেওঁলোকৰ অৱদানক প্ৰকৃত মূল্যায়ন কৰা নহ'ব। সমাজৰ অন্ধবিশ্বাসৰ পৰা আৰম্ভ কৰি প্ৰতিটো সৰু-ডাঙৰ অমানৱীয় কথা, কামৰ সংশোধন কৰি সমাজখনক এক নতুন গতি প্ৰদান কৰিছিল। কিন্তু সাম্প্ৰতিক গতিশীল সমাজত কোনোবাখিনিত গুৰুদুজনাৰ আদৰ্শৰ স্খলন ঘটিছে। দেখা পাওঁ যে ধৰ্মৰ নামত ৰাজনীতি সমাজত উচ্চ-নীচ শ্ৰেণী, জাতি-অজাতি আদিৰ গইনা লৈ যেন জাতিটো ৰুগীয়া হৈ পৰিছে। মহাপুৰুষ দুজনাৰ আদৰ্শ যেন কেৱল সত্ৰ-নামঘৰ তথা ধৰ্মীয় পুথিতেই সীমাবদ্ধ হৈ পৰিছে।

অসমীয়া সমাজ জীৱন আৰু জাতি সংগঠনৰ সাংস্কৃতিক বিৱৰ্তনৰ সৃষ্টি কৰিছিল এই সত্ৰ নামঘৰসমূহে। পিছে বৰ্তমান সময়ছোৱাত একেখন গাঁৱতে কেইবাটাও নামঘৰ সাজিছে। একেটা পৰিয়ালৰ লোকেই বিভিন্ন খেলত বিভক্ত হৈছে, এইয়া গুৰুদুজনাৰ আদৰ্শ নাছিল। এনেবোৰ ঘটনা সমাজ তথা জাতিটোৰ বাবে অত্যন্ত লজ্জাজনক।

প্ৰগতিৰ বাবে পৰিৱৰ্তন অনিবাৰ্য; কিন্তু সমাজ তথা জাতিটোৱে মানৱীয়তা, সততা, নিষ্ঠা আৰু নৈতিক প্ৰমূল্যক বিসৰ্জন দি আনিব বিচৰা পৰিৱৰ্তন কিমান যুক্তিসংগত? আমি নৱ প্ৰজন্মই গুৰু দুজনাৰ যি মহান আদৰ্শ "অনৈক্যৰ মাজত ঐক্য" তথা অসমীয়া জাতিক বৃহত্তৰ অসমীয়া জাতি হিচাপে লৈ সকলো সংকীৰ্ণতা, ৰক্ষণশীলতাৰ উৰ্দ্ধত সৰ্বসাধাৰণক একত্ৰিত কৰাৰ প্ৰচেষ্টাৰে আগুৱাব লাগিব। তেওঁলোকৰ প্ৰগতিশীল চিন্তাধাৰাৰে প্ৰতিটো মানৱ কল্যাণকামী কৰ্ম সাম্প্ৰতিক সময়চোৱাত প্ৰয়োজন আছে। প্ৰতিজন লোকে এই চিন্তাক আঁকোৱালি ল'ব লাগিব। মানৱীয়তাৰ সামূহিক প্ৰমূল্য সততা, নৈতিকতা, মানৱীয়তাবোধ, বিশ্বভাতৃত্ব আদি মূল্যৰাজিৰে জ্ঞানৰ পোহৰ সিঁচিবলৈ আমাক প্ৰয়োজন মহাপুৰুষ দুজনাৰ আদৰ্শ। বিৱৰ্তন-পৰিৱৰ্তনৰ মাজত সমগ্ৰ জাতিটোৰ অস্তিত্বক জটিল সংকটৰ গৰাহৰ পৰা ৰক্ষা কৰিব সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ এই দুগৰাকী মহান গুৰুৰ চিন্তা-কৰ্মই। বৰ্তমান ছিন্ন-ভিন্ন হোৱা জাতিটোৰ এক কৰাৰ পদক্ষেপৰ পথ প্ৰদৰ্শক তথা-ভৱিষ্যতৰ বাবে আশাৰ কিৰণ দিয়া এই জগৎ গুৰুদুজনাৰ প্ৰচেষ্টাৰ ধাৰা অক্ষুন্ন ৰাখি আত্মাৰ পংগুপ্ৰায় সমাজক পুনৰ ন-জীৱন প্ৰকাশ কৰিব পৰা যাব। সেয়েহে সাম্প্ৰতিক সময়ত গুৰুদুজনাৰ কৰ্মৰাজিক সমল আৰু শ্ৰদ্ধা জনাই তেওঁলোকৰ আদৰ্শৰেই প্ৰতিজন লোকে অনুপ্ৰাণিত হোৱাৰ প্ৰয়োজন আছে। ⬢



# HUMANSTIC PHILOSOPHY OF SHRIMANTA SANKARDEVA


**Dipshikha Boruah**
BA 6th Semester
Department of English


Srimanta Sankardeva was a great social reformer. He contributed to the Assamese society to a great extent. Sankardeva was also a humanitarian. The ideal of humanism is selfless love towards man. He emphasized on removing superstitions establishing communal harmony in Assam. If humanism without regilion has no root, Sankaradeva demonstrated how religion without humanism has no fruit. Instead, there is a profound sense of service to humanity. Sankaradeva's life itself is a service to humanity. There is nothing comapared to the service of living beings. Humanism, then, is the driving force of his religion. "Man is born free, but everywhere he is in chains." Sankaradeva's humanistic religion seeks to unshackle man from the hundreds of bondages of this material world.

Man is a social animal. Man cannot exist without society, nor does the society have any existence without man. Though man wants to live in the society peacefully with his brothers and sisters, they themselves create some problems in the society. Philosophy tries to find out the solutions to the problems of society philosophycally. From time to time, we have seen various personalities who try to prevent these social problems through their own philosophical ideals. Medieval Assam and a harbinger of total social and cultural renaissance which took place in remote fifteenth century. The advent of Srimanta Sabnkaradeva at that time was not only a remarkable event for Assamese people but also a great landmark in the field of Assamese art and culture. He was a great advocate of humanism. His aim was to give a new shape to the society. He lived a long life and was able to prevent many social evils present in the society. Sankaradeva's mision was not limited to the spiritual foundation. A mystic of the highest order, Sankaradeva had a direct and intuitive experience of reality. He derived his ideas from that of unfailing source of wisdom and often presented them in the souls tiring language of poetry.

Humanistic philosophy has arisen in awareness of the need to reconcile the forces of tradition with those of modernity. There is a definite attempt to construct a system Sankaradeva developed under the conviction that the basic aim of philosophy is to cultivate a world view. He tried to solve the social problems humanistically.


The world is developing day by day. But like other countries, India also due to the westernization has now given more importance on the materialistic ideals. Because of westernization, India has been free from many superstitions. Again, the increasing literary rate has also made India free from the affects of tobacco unlike ancient times. The most conservative Indian society has now become more flexible than ever. People now do not accept anything superstitiously. Science has changed our lives. We are living our lives more comfortably. The literacy rate is getting increased. As a result of this, some social evils have disappeared from the Indian society. But, people are losing the morality which was present in the ancient times. They have forgotten the great ideals of the Vedas. It goes without saying that we are enjyoing now only physical comfort. According to him, all people are essentially alike. If people understand this great truth there will not be any conflict among people for physical comfort, we shall help the helpless, we will consider other individuals as our brothers and sisters. We shall not be sad in our losses and other's gain. Our satisfaction will consist in other's satisfaction.

Another great problem thet exists in a society like India is the communal conflict. It is a great problem in a secular country like India. In India there are a lot of religions. Though it is said that God did not create religion, religion is created by man yet we generally see that a child of Hindu parents as a Hindu and a child of Muslim parents as Muslim and so on. While growing the child starts to follow the religious rituals of his/her parents. From the community of the child, the child learns to respect his/her religion. No doubt the child's religion teaches the great ideal that all religions are only the different paths of going to the same destination. But, on the other hand, when the child grows up the child creates a mentality of disregarding other's religion. In his subconscious mind a mentality of respecting the followers of his own religion and disregarding the followers of other religions are created. That is why we often see the bloody violence in the name of religion in countries like India, Pakistan and Iraq etc.

In the present time, people are highly educated and they have earned sufficient money by their education. But, we have seen that people have fallen morally. Therefore, for the rebuilding of the morality for the present generation of human race his concept of education should be practiced. According to him, another aim of education is the service of humanity. In a self-centered society service of human must be an aim of education. Education should not only be for the self. It should be benificial for others too. If our education cannot help the helpless then education is useless. We have to learn to look after our fellow brothers and sisters. Everyone should take education in order to serve the whole human race to the greatest extent.

The relevance of Sankaradeva's teaching is still fresh and alive in the minds of the people. Multifarious social and political impediments and varied historical events also could not depend on the unique and massive contribution of Srimanta Sankaradeva in our lives. Still he is the most venerable personality in the state of Assam in particular and the country in general.

In conclusion, it may be said that the teachings of Sankaradeva are important for us. The upliftment of socially, morally. economically backward people of Assam may take place by following the path shown by Snakaradeva-the sense of unity, untouchability, integrity, fraternity and sense of humanity. Active sincere efforts and co-operation from all levels of the society, irrespective of caste, creed, religion and organizations will make it possible. Such attempts from grassroot level to the elite classes of our country will certainly develop the sense of oneness, belonging to one nation and one human race preached by Sankaradeva, through his ideals and humanitarian philosophy.



# Communication at the Age of Science

**Paharee Konwar**
Assistant Professor
Department of English, Dhakuakhana College

Communication is a fundamental aspect of human interaction, encompassing a myriad of verbal, nonverbal, and visual cues that facilities the exchange of information, ideas, and emotions. Effective communication is esential for fostering relationships, sharing knowledge, and chieving mutual understanding. Science communication is the partice of conveying scientific information in a clear, accurate, and engaging manner to diverse audiences. In the context of science, communication serves as a bridge between the scientific community and the general public, enabling the dissemination of research findings, promoting scientific literacy, and addressing societal challenges .

**Importance of Science Communication:**

Science communication is esential for promoting scientific literacy, fostering informed decision-making, and inspiring a deeper appreciation for the wonders of the natural world. Science communication plays a crucial role in democratizing access to scientific knowledge and promoting public engagement with science. By translating complex concepts into accessible language and formats, communicators bridge the gap between experts and non-experts, empowering individuals to make informed decisions about scientific issues that impact their lives. Moreover, effective science communication fosters trust in scientific institutions, encourages curiosity, and inspires the next generation of scientists and innovators.

Science impacts our lives in profound ways, from healthcare to technology. Effective science communication helps the public understand complex concepts, enabling informed decision-making and fostering trust in scientific advancements. Even many policy decisions rely on scientific evidence. Communicating research findings to policymakers ensures that decisions are based on accurate information, leading to more effective and evidence-based policies.

Effective science communication bridges the gap between scientists and the public, breaking down barriers of language and accessibility. By making science more relatable and accessible, it promotes inclusivity and diversity in STEM (Science Technology Engineering and Mathematics) fields. Communication science in an engaging and relatable manner inspires young minds to pursue carrers in STEM fields. It helps cultivate a scientifically literate society capable of tacking global challenges.

In an era of misinformation and fake news, science communication plays a crucial role in debunking myths and combating false narratives. By promoting critical thinking and providing reliable information, science communications helps counteract misinformation. Similarly engaging the public with science fosters curiosity and enthusiasm for discovery. It empowers individuals to participate in scientific discussions, ask questions, and contribute to the advancement of knowledge.

At present, science communication holds immense importance for several reasons :

1) In the face of global health crises, such as the COVID-19 pandemic, effective science communication is crucial for disseminating accurate information about the virus, preventive measures, vaccination, and public health guidelines. Clear and accessible communication helps mitigate misinformation, fosters public compliance with health measures, and promotes trust in scienctific expertise.

2) Science communication plays a vital role in raising awareness about climate change, its causes, impacts, and potential solutions. By translating complex scientific findings into understandable language, communications empower individuals and policymakers to take informed action to mitigate climate chnage and adapt to its effects.

3) With rapid advancements in technology, such as artificial intelligence, biotechnology, and nanotechnology, science communication becomes essential for discussing the ethical, social, and environmental implications of these innovations. Engaging the public in dialogue about responsible reasearch and innovation fosters transparency, accountability, and informed decision-making.

4) Many of the pressing challenges faced by society, including poverty, ineeuality, food security, and environmental degradation, require science-informed solutions. Effective science communication bridges the gap between scientific research and societal needs, facilities the translation of knowledge into actionable solutions that address real-world problems.

5) In an era marked by complex challenges and competing interests, policymakers relyon scientific evidence to form policy decisions. Science communication plays a vital role in conveying research findings, uncertainties, and trade-offs to policymakers and the public, enabling evidence-based decision-making that reflects the best available knowledge.

6) In an increasingly technologically driven society, scientific literacy is essential for informed citizenship and lifelong learning. Science communication initiatives aim to engage individuals of all ages and backgrounds, fostering curiosity, critical thinking, and a deeper understanding of the natural world and the scientific process .

**Strategies for Effective Science Communication:**


Effective science communication relies on a combination of strategies tailored to the needs and perferences of divers audiences. From traditional approaches such as lectures, articles, and press rfeleases to innovative methods including social media, podcasts, and interactive exlibits, communicators employ a range of tools to convey scientific information effectively. Moreover, incorporating storytelling, visuals, and analogies enhances comprehension and retention, making complex concepts more relatable and engaging.

**Challenges and Opportunities:**

Despite its importance, science communication faces numerous challenges, including misinformation, scientific jargon, and the politicization of science. Addressing these challenges requires collaboration between scientists, communicators, policymakers, and educators to promote scientific literacy, critical thinking, and media literacy. Additionally, advancements in technology present new opportunities for science communities, enabling interactive experiences, virtual reality simulations, and global collaborations that transcend geographical boundaries.

Science Communication encompasses a wide range of activities that connect science and society. Science communication is indispensable in addressing contemporary challenges, promoting public understanding of science, and fostering informed decision-making at individual, societal, and global levels. By facilitating dialogue, collaboration, and engagement between scientists, communicators, policymakers, and the public, science communication can contribute to building a more resilient, equitable, and sustainable future.






# The Naming Game : Bharat VS India

**Kripa Sagar Pegu**
2nd Semester
Department of Political Science

In a pivotal moment during the drafting of India's constitution, the question arose: should the nation be officially named 'Bharat' or 'India'? This debate, which unfolded almost a year after the initial draft, held great significance for the newly formed nation. On September 18, 1949, B.R. Ambedkar, the chiarman of the drafting committee, moral an amendment to draft Article proposing 'India, that is Bharat shall be a union of states." Nowever, this proposal sparked a passionate discussion among the members of the constituent Assembly. In the Debate, H.V. Kamath, a member of Assembly, argued that Ambedkar's phrasing was dumsy and suggested two alternatives: "Bharat, or in the English language, India, shall be a union of states" or "Hind, or, in the English language, India, shall be a union of states". It is to note that in many other countries, India was still known as 'Hindustan' and its inhabitants were referred to as Hindus, regardless of their religon while some of the members believed that 'Bharat had deep historical and cultural roots in ancient texts like the vedas, Upanishads, Brahmanas, Mahabharata and puranas. They believed that 'Bharat' better represented the nation's rich history and culture. Kallur Subba Pao added that 'India' relirect from 'Sindhu' or 'Indus' which was more fitting for Pakistan due to its proximity to Indus River. However, Muhammad Ali Jinnah said that if we are using the term Pakistan then why India did not use Hindustan. Jinnah



wanted our country's name to be Hindustan instead of India. In the end, a show of hands within the constituent Assembly resulted in 38 in favor of Kamath's proposal and 51 opposed it consequently, the original wording, 'India, that is Bharat shall be a union of states', prevaled.

'Bharat' is a historical and ideological name for India while India is a constitutional and international name. The use of these names has become political due to the formation of an opposition alliance called INDIA (Indian National Development Inclusive Alliance). Recently, the current government under Prime Minister Narendra Modi has used the term "President of Bharat" instead of "President of India' on a invitation card for the recent G-20 summit. This shift in terminology has raised eyebrows and suggests a political elimension to the use of these names.

On 5th September, 2023 'Times Now' reported that India likely to be renamed to Bharat. As soon as this news, spread some people started taking side on the social media. After 70 years of independence there were polls runing on social media regarding the name of our country. Morever, it is clearly mentioned in the English version of our constitution that "India that is Bharat shall be a union of states." Likewise in the Hindi version of our constitution it is mentioned the "भारत, अर्थात इंडिया, राज्यों का संघ होगा।". If we look at the name of our constitution, then in English, it is knwon as the constitution of India and in Hindi it is known as "Bharat Ka Sambidhan". It shows that the great people who fought for our independence used two names for our country, India and Bharat. The word 'Bharat' was used when Hindi and devanagri script was used and the word India was used when writing in English.

The word India or Indian was not mentioned one or twice but rather was mentioned more than 900 times in our constitution. For instance, Article 52 of the constituyion deals with the president of India, article 63 deals wish the vice president of India, article 124 with supreme court of India etc. So, the pattern is clear that whenever our country's name is written in English, the name 'India' is being used and whenever we write in Hindi we call it 'Bharat'.

It is not strange to use different names in two different language. This is done in many other countries as well. For example, the rest of the world call china as 'china' because the name 'China' is used in English but in chinese the name of the country is Zhongguo. So, when the chinese people speak in chinese language they use the word 'Zhongguo'. Likewise, Japan is an English term and it is called 'Nippan' in Japanese language. All the important organisations like the Reserve Bank of India, the Election Commission of India, Indian army, ISRO, IIT were named after India. So, there should not be a question of replacing India with Bharat as Bharat itself is India.

Bharat and India is not only the name of our country, as people called it Meluhha 4500 years ago. Hind by the Persian, Jambudvip, Bharatvarsha by Jain King Kharavela. And the people who believe in the thought process of changing India's name have an illiterate thought process, who have no awarness of history. People all over the world know us, the pride can be taken from any name. Does not listerning to songs like "Phir Bhi Dil Mai Hindustani", "I love my India", "Bharat Humko Jaan Se Pyara hain" bring us same amount of patritism feeling? When there are so many options, when constitution gave us options then what is the need to run after one name. We should feel pride in being called Indian or Bharatvasi or Hindustani.

# Health and Wellness

**Lakhichaya Pegu**
2[nd] Sem., Department of English

People often use the terms health and wellness interchangebly. Although a person cannot have one and not the other, they are two different concept. The World Health Organization (WHO) defines health as a state of complete physical, mental and social well-being and not merelly the absence of disease or in firmity (illness)". And WHO also defines wellnes is expressed as "a positive approach to living". The primary difference between health and wellness is that health is the goal and wellness is the active process of acgieving it. One truely cannot have health without first achieving wellness. Wellness has a direct in fluence on overall health, which is evential for living a robust happy and fulfilled life.

Health and wellness are crucial for our long term well being and success impacting every aspect of our lives profoundly. Here's a detailed explanation of why they are so important. Maintaining good physical health through excercise, nutrition and regular check ups ensures that our bodies can function optimally. It reduces the risk of chromic diseases boosts immune function and increasing longevity, allowing us to live longer and healthier liver. Mental well-being is equally essential as physical health. Practices such as mindfullness. Stress management and therapy promote emotional resilience and engance overall lognitive function, enabling us to navigate life's challenges more effectively.

Health and wellness practices contribute to emotional balance helping us to manage stress, anciety and depression by cultivating self-awareness emotional intelligence and coping strategies we can maintain stable mental health and enjoy greater happiness and contenment in life. Prioritizing health and wellnes fasters positive social connections and relationships. Strong socialities provide emotional support reduce feelings of isolation and contribute to a sense of belonging and community enhancing our overall well being and life satisfaction. Wellness practices encourage personal growth and self improvement. Engagging in activities such as learning, creativity and goal setting fasterens a sense of purpose fulfillment and continued growth leading to a more meaningful and rewarding life.

Health and wellness directly impact our performances in various aspects including work when we priorities our well being we experience higher energy levels improved focus and increased productivity leading to greater success and satisfaction in our carrers and professional en devors. Practicing health and wellness behaviors help in preventing the oneset of chronic disease such as diabetes, heart diseas and cancer. By adopting healthy habits such as regular excercise balanced nutrition and avoiding harmful substances we reduce the risk of illness and improve our overall health outcomes. Investing in health and welness promotes longivity and enhances the quality of life. By taking care of our bodies and minds we increase our enhances of living longer, healthier lives with greater independence vitality and enjoyment of daily activities. Health andwellness extend beyond personal benefits to include environmental considerations adopting eco friendly behaviours such as deducing waste-conserving resources and supporting custainable practies contributes to a healthier planet for future generation ensuring a better world for all.

Dev… llness involves adopting a holistic approach that addresses various aspects of well-being. There are some steps to help one enchance thier health and wellness. Eating balanced diet rich is fruits vegetables whole grains, lean proteins and healthy fats limit procerred foods, sugar and unhealthy fats. Engaging in regular physical activity that includes cardiovancelar excercise strength training flexibility and balance excercise aiming for at least 150 minutes of moderate intensity excercise per week. Prioriting quality sleep by establishing a consistent sleep schedule creating a relaxing bedtime routine and ensuring that one's sleep environment is comfortable and enducive to rest. Practicing stress-reducing techniques such as deep breathing meditation, Yoga, Tai chi or mindifulness excercises. Identifiying sources of stress and eeveloping coping strategies to manage them effectively cultivate meaningful relationships with family, friends and community members. Spending time with loved ones, participating in social activities and seeking support when needed taking care of own mental well being by practicing self care, seeking professional help when necessary and engaging in activities that promote relaxation and enjoyment. Scheduling regular cheek ups with health care provider for preventive screenings, vaccination and health assesments, staying up to date on recommended health screenining and immunisations, Drinking plenty of water throughout the day to stay hydrated and supporting optimal bodily function. Minimising alcohol consumption and avoiding to tobacco and illiit drugs and seeking help one struggles with substance abuse.

One should continuously seek opportunities for personal growth and development. Engaging in habbies, pursue interests, and challange themselves intellectually. By incorporating these practices into one's daily life he or she can faster a lifestyle that promote both health and wellness. It is important to remember that small, consistant changes over time can lead to significant improvement in our overall well being.



# Exploring the Cosmos : The Fascinating Nourney of Chandraryaan Missions

**Abhinab Neog**
2nd Semester, Department of Chemistry


In humanities ceaseless quest to unravel the mysteries of the cosmos, space exploration has played a huge role. One significant player in this cosmic adventure is the Chandrayaan missions conducted by the Indian Space Research Organisation (ISRO). Chandrayaan represents India's endeavour to understand Earth's celestial companion through a series of ambitious lunar missions.

**Chandrayaan-1: Pioneering steps:-**

Launched on October 22, 2008, Chandrayaan-1 marked India's first move into lunar exploration. Equipped with cutting edge technology, the spacecraft's primary goal was to map the lunar surface, study its mineral composition, and search for water. One of the missions most significant achievements was the discovery of water molecules in the moon, a breakthrough that challenged conventional wisdom and opened up new avenues for future exploration.

**Chandrayaan-2: Advancing the Legacy:-**

Building upon the success of Chandrayaan-1, ISRO embraked on the Chandrayaan-2 mission, which comprised an orbiter, a lander named Vikram, and a rover Pragyan. Launched on July 22, 2019,





this mission aimed to explore the Moon's south pole region, an area of great scientific interest due to its potential ice water deposits and unique geological features. While the orbiter continues to relay valuable data, the lander's descent was a exhilarating moment that captured global attention, and communication with it was lost shortly before touchdown. Nevertheless, the orbiter's success in achieving lunar orbit and its ongoing scientific observations have provided substantial insights into the Moon's composition, exosphere, and surface.


**Chandrayaan-3: and Beyond:-**

Continuing the journey following the lessons learned from Chandrayaan-2, ISRO announced its plans for Chandrayaan-3, a mission solely focused on successful soft landing on the lunar surface. This mission represents ISRO's determination to master the challenging art of lunar landing and contribute to the humanity's understanding of the Moon and ISRO succeed in achieving their goal on august 23, 2023 making India the first country to land its lander Vikram in the south pole the moon commonly referred to as the dark side of the moon. The lander is continuing to send valuable information back home.

Beyond Chandrayaan-3, ISRO envisions more ambitious missions that could include lunar sample return mission, enhanced rovers, and international collaboration. These endeavours not only deepen our knowledge of the Moon's history and composition but also foster technological advancements that have far-reaching implications for space exploration.

While the Chandrayaan mission have achived remarkable success, they have also highlighted the challenges and risks of space exploration. The unforgiving nature of interplanetary travel and the challenges of soft landings represent the need for meticulous planning and continuous innovation. As ISRO and other space agencies look to the future, these challenges will drive the development of new technologies further propelling humanity's cosmic journey.

In conclusion, the Chandrayaan missions stands as a testament to human curiosity, ingenuity, and preservance. As we continue to explore the cosmos and unravel its secrets, India's Chandrayaan series has left an undeniable mark, reminding us of the boundless possibilities that await us beyond our terrestrial realm.




# পৌনঃ পুনিক

পংকজ চক্ৰৱৰ্তী
চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ

নিয়ৰসৰা ৰাতি এটাত
আইৰ উমাল বুকু ফালি দেখো
প্ৰত্যয়ভৰা এখন কৰ্কশ হাত
নাম তাৰ- দেউতা
কোলাত উঠি হাত ফুৰাই দেখো
খহটা পিঠিত চিমেণ্টৰ দাগ
হৃদয়ত ক্লান্তিকৰ কঁপনি আৰু ধপ-ধপ অবুজ মাত।
নাম তাৰ-দায়বদ্ধতা।
কুঁৱলী ভৰা এটি ৰাতিপুৱা
বাকলি গুচোৱা লিচুৰ মুখত পকা পনিয়লৰ মিঠা মাত।
আৰু শেঙুনভৰা নাকত আইতাৰ জধলা চুমাৰ দাগ
নাম তাৰ- ল'ৰা
তোমাক বাৰু ক'ত দেখিছিলো?
চানমাৰি ফ্লাই-অভাৰত নে জনভিৰ চিটি-মলত
বোধহয় চাৰিকড়ীয়াত জাকৈ বাই থকা পৰত।
হাতত গুজি দিছিলোঁ এখিনি বিশ্বাস
তোমাৰ ওঁঠৰ হেঙুল ৰেঙনি
মোৰ দুগালত লাগিছিল।

কোনোবাই নাকচ কৰিলেও
ওঁঠৰ উপৰি বিয়পিছিল নঙঠা হৃদয়াবৃত্তত,
তোমাৰ চুমাৰ চেকা ওলমি পৰিছিল
মোৰ অযত্ন উশাহত, বুকুৰ কল্লোলিত সোঁতত।
তাৰ নাম- "পুৰুষ প্ৰেম"
বিবেকৰ দংশন আৰু অভিমানৰ বিদ্বেষত হৈছিল
আলিংগনৰ ৰোমাঞ্চক লগ্ন।
তোমাৰ সেওতাফলা কেশৰ চিৰিত বন্ধাইছিলো
যুগ্মজীৱনৰ সেন্দুৰীয়া আলি।
নাম তাৰ- "স্বামী"
নিয়ৰ সৰা ৰাতি এটাত
তোমাৰ উমাল বুকু ফালি
আমাৰ পোনাকণে দকৈ খেপিয়াই পাইছিল
প্ৰত্যয়ভৰা এখন কৰ্কশ হাত, আৰু বহু আস্থাৰ বাণী।
নাম তাৰ-দেউতা
যেন পৌনঃ পুনিক সুকোমলতা।
বাহিৰৰ পৰা সেউজীয়া, জুমি চাই দেখো
ভিতৰভাগ তৰমুজৰ দৰে ৰঙা।।





# জীৱন

জিন্টু টাৰ
দ্বিতীয় ষাণ্মাসিক,অসমীয়া বিভাগ

জীৱনত কিবা এটা কৰিতো চোৱা
যাক কোনো মানুহেই কৰিব পৰা নাই,
সেই স্থানলৈ গৈ চোৱা
য'ত কোনো মানুহেই গৈ পোৱা নাই,
জীৱন গঢ়িতো চোৱা
য'ত লক্ষ্যত উপনীত হ'ব পাৰো,
সাহস কৰিতো চোৱা
কিজানিবা লক্ষ্যস্থান প্ৰাপ্তিয়েই হয়।

তেওঁৰ বাবে কিবা এটা কৰিতো চোৱা
যিয়ে আগলৈ আগবাঢ়ি যাব পৰা নাই,
তেওঁৰ লগত হাঁহিতো চোৱা
যিয়ে সুখ বিচাৰি আহিছে।
সেই আন্ধাৰ কোঠালীত চাকি জ্বলোৱা
যিয়ে পোহৰ বিচাৰি আহিছে,
সাহস কৰিতো চোৱা
কিজানিবা পৃথিৱীখনেই পোহৰাই তোলে।
গল্প, উপন্যাসৰ যিদৰে আৰম্ভণি, সামৰণি থাকে
ঠিক জীৱন তেনেকুৱাই
মানুহ জন্ম হ'লে মৃত্যু হ'বই,
জীয়াই থকা সময়ত মানুহৰ লগত সুখ-দুখৰ সমভাগী হোৱা,
কিজানিবা জীৱনৰ মধুময় সময় বিচাৰি পাওঁ
ভালে থাকক, জীৱনটো উপভোগ কৰক
জীৱন জিন্দাবাদ।




# পিতাই

মেঘালী গোঁহাই
ষষ্ঠ ষাণ্মাসিক,ইতিহাস বিভাগ

ফিৰফিৰিয়া বতাহ জাকত উৰি আহিছে এটি সপোন গোন্ধ,
দেহাটো চেঁচা পেলাই সোঁৱৰাইছে মোৰ অতীত।
আইয়ে পিতাইৰ পানী গামোচাখন সামৰি
আথে-বেথে পিতাইৰ সমাধিত চাকিগছ জ্বলাইছে।
পিতাই নোহোৱা দিন ধৰি এনেকৈয়ে কিমান জয়াল
সন্ধ্যা পাৰ হৈ গৈছে তাৰ হিচাপ আইয়ে হয়তো ৰখা নাই!
পিতাইয়ে ৰোৱা বকুল জোপাত পৰি ফেঁচা এটা ঘনাই মাতিছে
ঠিক পিতাইৰ মৃত্যুৰ আগদিনাৰ দৰে।
এতিয়া পিতাইক বিচাৰি পাওঁ পানী গামোচাখনত
পদুলিৰ বকুল জোপাত, সন্ধ্যা আইৰ চাকি গছিত
আৰু ক'ত পাওঁ ক'ত!

# সোণোৱালী শৈশৱ
# সোণ যেন স্মৃতি

বৰ্ণালী ভৰালী
চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ



তাহানি দিনৰ সোণালী কথা
চৰাই জাকৰ কিচিৰ-কিচিৰ মাত
আইয়ে বাকি দিয়া ৰঙাচাহ টুপিৰ
কি যে সোৱাদ!...
আই অ',
মনত পৰে...
চপৰা চপৰ দৈৰে পিতায়ে জলপানৰ
সোৱাদ লৈ ওলাই যায়
সোণালী পথাৰৰ দিশে।
টাংগুটি, ৰছীটনা, লুকাভাকু
কত যে কি খেল
সেইবোৰতেই চোন নিজক সজীৱ কৰিছিলো।
কিতাপৰ পাত লুটিয়াও,
এক, দুই, তিনি
জলক জলক টোপনিৰে দুচকুত ভিৰ কৰেহি
নাই, কালিলৈ ভালকৈ পঢ়িম।
নাই কোনো বিষাদৰ টোপোলা
নাই কোনো দুখ
অকণমানি মনটোৱে তাতেই যেন
পাইছিল জীৱনৰ সঁচা সুখ।
আই অ',
মনত পৰে....
মনত পৰে সেই সোণ সদৃশ দিনবোৰ
উজুটিত আঙুলি ছিগা অৱস্থাৰ দৌৰা-দৌৰি।
পিঠিত পৰে আইৰ
ঔ কিল।
তথাপিও চোন মনটো বাৰে বাৰে
অতীতলৈয়ে উৰে।
বতাহ জাকেও যেন তাকেই ক'ব খোজে
'সোণালী শৈশৱ গ'লে আৰু নাহে।'
ক'ত সেই দিন?...
পখিলাই কাণে কাণে ক'লে
সময় থমকি নৰয়।

মৰমবোৰ জানো তাতেই নাছিল?...
নাছিল জানো তাত সুখ?...
জীৱনৰ প্ৰকৃত সুখকণচোন সেয়াই আছিল।
আই অ'
মনত পৰে...
মনত পৰে আইতাৰ শোতোৰা হাতেৰে দিয়া
এটকীয়া দুটকীয়া কেইটালৈ
পিতায়ে নজনাকৈ দিয়ে, কয়-
"পিতাইক নকবি, এইটো ল'।"
এতিয়া....
সেই দিন নাই।
আছে মাথো বুকু ভৰা স্মৃতি আৰু হেৰাই যোৱাৰ
বেদনা।...



# জীৱন

বিদ্যাৱতী গগৈ
কৰ্মচাৰী,ঢকুৱাখনা মহাবিদ্যালয়

পানী এডোঙাত জলক তবককৈ নিজক দেখোঁ
ছাঁ পোহৰৰ মাজত নিজক বিচাৰোঁ
খন্তেকৰ বাবে পাহৰিব বিচাৰোঁ
মোৰ চৌপাশৰ পৃথিৱীক

দাপোনখনেও আজিকালি মোক প্ৰায়ে ঠগে
মোৰ বাদে সকলোৰে ছবি প্ৰতিফলিত হয়
দাপোনখনৰ কোনোবা কোণত মই ৰৈ যাওঁ

মই ৰৈ যাওঁ আইৰ অৱৰ্তমানত
ভাললগা কামবোৰ ভাল লগা হৈ নাথাকে
প্ৰতিটো উশাহত আইৰ প্ৰতিচ্ছবি ভাঁহে

শূন্য এটা চাৰিওফালে ঘূৰি ফুৰে
ভালপোৱা ভাললগা সকলোতে শূন্যতা
গতিৰ লগত গতি কৰিছোঁ
ৰৈ যাব নোৱাৰাৰ বাবেই গৈ আছোঁ
গৈ আছোঁ....।







# ঢকুৱাখনা মহাবিদ্যালয়

দিপান্তৰ হাজৰিকা
পঞ্চম ষান্মাসিক, গণিত বিভাগ

চিৰ প্ৰবাহিত, খৰস্ৰোতা চাৰিকড়ীয়াৰ পাৰত
এখনি উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান
ঢকুৱাখনা মহাবিদ্যালয়,
গৌৰৱোজ্জ্বল সাতাৱনটি বছৰ গছকি
ভিন্নজনৰ জ্ঞান-অন্বেষণৰ পথ প্ৰশস্ত কৰি তোলা
জ্ঞানৰ এক উজ্জ্বল শিখা।
প্ৰকৃতিৰ ন-ৰূপেৰে নিজকে সুশোভিত কৰা
মহাবিদ্যালয়খনৰ বুকুতেই প্ৰতিফলিত হয়
বছৰৰ ছয় ঋতুৰ আগমনৰ বাতৰি,
বসন্তৰ সোণাৰুৰ হালধীয়া হাঁহি।
ফাগুনৰ সৰাপাত আৰু শীতৰ সেউজীয়া
দলিচাত পৰি ৰোৱা নিয়ৰৰ মুকুতাই
যেন হাতবাউলি দি মাতে
প্ৰতিজন ব্যক্তিক
প্ৰতিজন অতিথিক।

## মানৱতা

কমল দাস
কৰ্মচাৰী

মনলৈ দিনে নিশাই তোমাৰ কথা!
ভাৱনাৰ বিশালতাত তুমি এক
নতুন গজালি মেলা কবিতা
কিন্তু! মানুহক কেনেকৈ বুজাওঁ? তোমাৰ ভালপোৱা
তোমাৰ সততা মানুহৰ বাবেই দেখোন এক
হৃদয় জুৰোৱা গান!
পিছে আজিৰ প্ৰেক্ষাপটত তুমি ক'ত মানুহে নুবুজে
লেভিষ্টাৰে কোৱাৰ দৰে–
জ্ঞানী হ'ব খুজিছা যদি নিজকে শাসন কৰা
তাতেই আছা দেখোন তুমি!
জীৱনটোক ইমান প্ৰদৰ্শনী নকৰিবা
নিজস্ব বুলি কিবা এটা ৰাখা
অহংকাৰ হ'ব বুলি সতৰ্কতা দিবলৈ
হয়তো আছা তুমি!
এই তোমাক ইমান ভালপাওঁ...
কেতিয়াবা চিঞৰি চিঞৰি তোমাক ক'বৰ মন যায়–
আত্মকেন্দ্ৰিক কংক্ৰিটৰ দেৱালে সজোৱা ঘৰটোত
মোক বন্দী কৰি নাৰাখিবা
মই কেৱল মোৰ বাবে নহয়, তুমি থাকিলে
আনৰ বাবেও দয়া-মমতা আৰু সহায়ৰ বুকুত
বিলীন হ'ব খোজোঁ!
মোক অলপ মানুহৰ সংজ্ঞা দিবা? তোমাক যাতে
পাহৰিব নোৱাৰোঁ!
মানুহে বুজক বা নুবুজক এই চেগতে কৈ দিওঁ নেকি
তুমিনো বাৰু কোন?
সন্তীয়া মানুহৰ পৰা আশা কৰিব নোৱাৰা
তুমি এটা ডাঙৰ উপহাৰ
মৃত্যুৰ পিছতো থাকি যোৱা গৰিমা শব্দ
মানৱতা!



## সোণোৱালী শৈশৱ এটি মধুৰ সপোন

তৃষ্ণা কোঁৱৰ
প্ৰাণীবিজ্ঞান বিভাগ

স্বপ্নীল আকাশৰ তৰাবোৰৰ ধেমালি
দূৰৈত জিলিকি উঠিছে ধেমালিৰ ৰঙবোৰ;
শৈশৱৰ এটি আশা পুহি লৈ
পিছে পিছে চেকুৰি ফুৰিছো;
পোৱা-নোপোৱাৰ দোমোজাত
সন্ধানী জীৱনৰ মাণিক বিচাৰি।
হয়তো নহ'ব পাৰে আশাৰ এই অভিলাস
তথাপিও সময়ৰ সৈতে
খোজ মিলাই বিলীন হৈ পৰিছো
ঘড়ীৰ কাঁটাৰ লগত;
কিমান যে মধুৰ আছিল শৈশৱৰ দিনবোৰ
কংক্ৰিটৰ পৃথিৱীৰ চাকনৈয়াত
সোণোৱালী দিনবোৰ স্মৰণীয়।
সময়ৰ সোঁতত বৰ্তমানৰ জীৱনৰ
শৈশৱ হা-হুতাহ মৰা
অবিৰাম কুলু কুলু ধ্বনিৰে
বৈ আছো, বৈ আছো।



## তুমি আৰু মই

টিনা বড়া
দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

তুমি সাগৰ হোৱা
মই নদী হৈ বৈ যাম
তোমাৰ বুকুৰ গভীৰতালৈ।

তুমি আকাশ হোৱা
মই মেঘ হৈ
দুবাহু খুলি সোমাম
তোমাৰ হৃদয়ৰ আবেষ্টনীলৈ।

তুমি বসন্ত হোৱা
মোৰ হৃদয়ৰ বৰণ
সেউজীয়া কৰিবলৈ।

তুমি শৰতৰ দুবৰি হোৱা
মই নিয়ৰ হৈ উমলিম
তোমাৰ দলিচাত।

তুমি ফাগুণ হোৱা
মই পছোৱা হৈ নাচিম
তোমাৰ প্ৰেম আকাশত।

তুমি মোৰ আজীৱন প্ৰেমিক হোৱা
মই ছাঁ হৈ ৰম
তোমাৰ কামত।



## মা

লীনা ৰায়
দ্বিতীয় ষাণ্মাসিক,অসমীয়া বিভাগ

তুমিয়ে দিলা জনম
এই পৃথিৱীত
আলফুলে দিলা মৰম
আৰু ল'লা যতন।
তোমাৰ স্নেহত সকলো আছে
খং অভিমানৰ মাজতো
তুমিয়ে শ্ৰেষ্ঠ মা
মৰমেৰে কৰিলা ডাঙৰ
প্ৰেৰণাৰে কৰিলা মোক
তুমি শিক্ষিত
তথাপিও মই যে অবাধ্য বহুত
মই যে কিমান স্বাৰ্থপৰ মা।
মই যে একো নাজানো
মই যে একো নুবুজো মা
মাথোঁ নীৰৱে গতি
কৰোঁ সময়ৰ লগত।

## ব'হাগৰ আগমন

গৌতম দাস
একাদশ শ্ৰেণী

চ'তৰে শেষতে বৰদৈচিলা আহিলে
জাকে জাকে উৰুৱাই নিলে...
বিৰিখৰ সোণাৰু হালধীয়া পাত
কুলি কেতেকীৰ সুৰীয়া মাতত
জ্যাতিষ্কাৰ হৈ ফুলি উঠিল
ন-পুৰণি গছৰ ডালত
ৰজনীগন্ধা, কৃষ্ণচুড়াৰ, মাধৈ-মালতী পয়োভৰ,
ঢোল-পেঁপা, গগনাৰ শৱদত...
ৰিঙিয়াই মাতিলে বহাগী নাচনীক...
ডেকা-গাভৰু মিলি সকলোৱে
আঁহতৰ তলত...
মেদিনী কঁপাই...
গিৰিপ, গিৰিপ, গিৰিপকৈ
নাচনীৰ কঁকাল ঘূৰিল,
আকাশত জোনাকীৰ সাজোন-কাচোন
ব'হাগতেই ভৰুণ হয়, বননি,
নীলা হয় আকাশৰ সীমনা...
এয়াই যে ব'হাগৰ আগমন।।



## আমি কোন

স্বৰ্গজ্যোতি গগৈ
উঃ মাঃ প্ৰথম বৰ্ষ (কলা শাখা)


বিশ্বজনীন ভিত্তিত আমি মানুহ
মানুহ কেৱল মানুহ
বাস্তৱিকতে আমি সঁচাই মানুহ নে?
কোনে কয় মানুহ আমি
জানা তুমি? মানুহ মানে কি?
মানুহ মানে নহয় জন্তু
মানুহ মানে নহয় যন্ত্ৰ
নহয় জীৱন্ত মৃতদেহো।
অনুভূতি হেৰাই যোৱা
উপলব্ধি নোহোৱা বোৰোতো নহয় মানুহ,
তেন্তে মানুহ কোন?
কেৱল যীশুখ্ৰীষ্ট, শংকৰদেৱ আৰু
হজৰত মহম্মদেই নেকি মানুহ?
আৰু আমি?
আমি কুৰি শতিকাৰ আধুনিক সৃষ্টিকৰ্তাই
যন্ত্ৰৰ মাজত সুমুৱাই দিয়া
নিৰ্লজ প্ৰাণৰ সমষ্টি মাথো।



## সোণোৱালী শৈশৱ

দায়েনা পাচনী
ষষ্ঠ ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

হেঁপাহৰ সেই দিনবোৰ যেন
যান্ত্ৰিকতাত লাহে লাহে হেৰাই গৈছে
কিমান যে হেঁপাহৰ আছিল
সময়বোৰ।
ৰিঙিয়াই মাতিছে দিনবোৰে আকৌ এবাৰ
ঘুৰি যাব পৰা হ'লে গ'লোহেঁতেন,
সেই হেঁপাহৰ সোণোৱালী দিনবোৰলৈ।
এতিয়া যেন যান্ত্ৰিকতাৰ গৰাহত
সকলোবোৰ হেৰাই যাবলৈ ধৰিছে।
সেই চেংগুটি খেলা দিনবোৰ
আকৌ জানৌ ঘুৰি আহিব...
আকৌ জানো ঘুৰি আহিব সেই
ল'ৰালিৰ দিনবোৰ...!



## The Burden of Being a Man

**Deepranjan Dutta**
6th Semester, Dept. of Chemistry

In the realm of strength, a stoic grace,
The male spirit, a vibrant trace.
Silhouetted against life's grand stage,
A narrative written with wisdom and sage.

Bold and resilient, a steady flame,
Through trials and triumphs, they proclaim.
Sholdering burdens, a steadfast might,
In the tapestry of existence, woven tight.

Yet in vulnerability, emotions bloom,
A nuanced soul, not bound by gloom.
Expressions varied, a heartfelt song,
In the dance of feelings, where they belong.

Brother, father, son and friend,
Roles intertwining, a journey to mend.
In camaraderic and bonds that bind,
A testament to the strength of the male kind.

Navigating a world of experctations,
Breaking stereotypes, new foundations.
A spectrum vast, identities unfold,
In the story of men, both young and old.

# The Farmer's Hope

**Manash Handique**
2nd Semester
Dept. of English

Upon the meadow's gentle sway,
The farmer led his flock one day.
Their eyes were weary, spirits low,
For market-bound, they had to go.

The morning sun, a golden hue,
Illuminated paths they knew.
Yet burdened hearts, they bore the weight,
Of uncertain destinies, sealed by fate.

The farmer's hope, a flickering flame,
In market stalls, he sought acclaim.
Bus as the hours ticked by in haste,
His dreams of fortune faced a chaste.

No eager buyers no bids to hear,
The market's whispers, faint and clear,
Yet in the silence, a lesson found,
In resillience, the farmer's heart unwound.

For though the day brought no reward,
The journey back, a sweet accord.
The flock, now light, with hearts at ease,
Returned to fields, a cherished breeze.

The farmer, too, found solace there,
In nature's embrace, devoid of care.
A lesson learned, in trials faced,
True wealth in moments, not in haste.

So let this tale, a wisdom hold,
In patience found, in hearts bold.
For joy resides in nature's dance,
And life's true riches, a humble chance.



# Love

**Priyanab Jyoti Gogoi**
B.A. 2nd Semester,
Department of English

In fields of gold, our love does bloom,
Like flowers in the spring, dispelling gloom,
In your eyes, I find my guiding light,
A beacon through the darkest night.

Your touch ignites a flame within,
A passion burning, pure and keen,
With every heartbeat, I feel you near,
In your embrace, I have no fear.

Together we dance in twilight's embrace
Two souls entwined, in timeless grace.
Forever and always, my love for you,
Endless as the ocean, pure and true.



গল্প



# বৃদ্ধাৱস্থা

লীনামণি বৰুৱা
ষষ্ঠ ষাণ্মাসিক,ৰাজনীতি বিজ্ঞান বিভাগ

......দুগালেৰে বৈ অহা চকুলো কেইটোপাল নিজৰ গাত মেৰিয়াই লোৱা আলোৱানখনেৰে মোহাৰি পেলালে সোণপাহিয়ে। উৱলি যোৱা আলোৱানখনৰ দহিকেইটা তাই এনেয়ে পিটিকি-মোহাৰি মনটো জোকাৰি পেলোৱাৰ চেষ্টা কৰিলে। নাই তাই পৰা নাই। কিয় জানো? আজি তাইৰ কণমানি নাতিটোলৈ বহুত মনত পৰিছে। বুকুখন খুন্দা মাৰি ধৰিছে বাৰে বাৰে। গাটো বৰকৈ তপত হৈ উঠিছে। কোনোমতে চুচৰি-বাগৰি গৈ সোণপাহিয়ে জুইৰ ওপৰত দি থোৱা কেট্‌লিটো নমাবলৈ চেষ্টা কৰিলে। পানী এবাটি বাকী লৈ ঘট্‌ঘট্‌কৈ উশাহ নোলোৱাকৈ নিমিষতে শেষ কৰিলে তাই। হাতৰ পৰা বাতিটো পিছলি পৰি টংকৈ মাটিত বাজি উঠিল। সোণপাহিৰো যেন হৃদয়খনত বাটিতো বজাৰ দৰেই টংকৈ বাজি উঠিল।

দুদিন আগলৈকে নাতি-নাতিনী, পুত্ৰ-বোৱাৰীয়ে ঘৰখন ভৰি আছিল। স্বামীৰ মৃত্যুৰ পাছত সোণপাহিৰ কপালখনৰ যিদৰে উকা হৈ পৰিল সেইদৰে তাইৰ ভৰি থকা ঘৰখনো উকা হৈ পৰিল। চাকৰি সূত্ৰে দুই পুত্ৰই নাতি-বোৱাৰীয়েকক লগত লৈ দূৰণিৰ চহৰত থাকে। চহৰতে মাটি-ভেটি কিনি ঘৰ সাজি লৈছে। সোণপাহি এতিয়া বৰ অকলশৰীয়া। তাইৰ বিপদে-আপদে খবৰ লবলৈও আপোন বুলিবলৈ কোনো নাই। আছে, থাকোঁতে সকলোৱে আছে। কিন্তু, তাইৰ খবৰ লবলৈ কাৰোৱেই আহৰি নাই। তাই কোনো দিনে কল্পনা কৰা নাছিল যে তাই ইমান অকলশৰীয়া হৈ পৰিব। কপালৰ ঘাম মাটিত পেলাই গাৰ তেজ পানী কৰি স্বামী হৰেণৰ সৈতে বহু কষ্টেৰে তাই দুই পুত্ৰক মানুহ কৰিলে। কিন্তু, সেই দুই পুত্ৰৰ এতিয়া পিতৃহীন মাতৃৰ এষাৰ খবৰ ল'বলৈ আহৰি নাই।

অকলশৰীয়া সময়ছোৱাত সোণপাহিয়ে অতীতৰ সোণালী স্মৃতিবোৰক সোঁৱৰি মনটো ভৰাই ৰাখে। বৃদ্ধ বয়সৰ দিনক-দিনে অৱস হৈ অহা শৰীৰটোক লৈ তাই বৰ চিন্তিত হৈ পৰে। তেতিয়া তাই মনে-প্ৰাণে ঈশ্বৰক প্ৰাৰ্থনা কৰে যাতে নিজে কৰি-কাটি খাই থাকোঁতেই তাইক ভগৱানে মাৰি নিয়ে। তাই যাতে কাৰোবাৰ বাবে বোজা হৈ নপৰে। কিন্তু তাইৰ প্ৰাৰ্থনা ভগৱানে যেন নুশুনিলে। এই পাঁচদিন তাইৰ পাঁচবছৰ পৰি থকা যেন লাগিছে। জ্বৰৰ গাৰে কাৰোবাৰ ঘৰত খুজি-মাগি এমুঠি আনিবলৈও ওলাই যাব পৰা নাই।

অতীতক ৰোমন্থন কৰি সকলোৱে ভাল পায়। বৃদ্ধ বয়সত অতীতৰ প্ৰতিটো স্মৃতিয়ে আপুৰুগীয়া হৈ পৰে। শৈশৱ, কৈশোৰ কালৰ কৰ্মৰাজিক বুজিব পাৰি নিজৰ প্ৰতিও পুতৌ জাগি উঠে। এনে লাগে যেন সেইবোৰ নিজৰ জীৱনত ঘটা ঘটনা নহয়, এখন নাটকহে উপভোগ কৰি থকা হৈছে। সোণপাহিও তাৰ ব্যতিক্ৰম নহয়। গাভৰু হৈ থাকোঁতে ক'ত যে কি নকৰিছিল তাই; এতিয়া ভাবিলেই হাঁহি উঠে। কাৰোবাৰ ওচৰত যেতিয়া বুকু ফিন্দাই সেই কথাবোৰ কয় তেতিয়া তাইৰ অৱস বৃদ্ধ শৰীৰটোৰ কথা পাহৰিয়েই যায়। তেতিয়া তাইৰ মুখত এমুঠি হাঁহিয়ে চানি

দিছিল। কিমান ৰাতি যে মাজনী আৰু ভনীয়েকে অকলে কটাইছে। মাজনীয়ে কেতিয়াবা বৰকৈ ভাগি পৰিছিল তেতিয়া ভনীয়েকে তাইক কৈছিল- "তই বাৰু কি ছোৱালী বা? তই এনেকুৱা কৰিলে মাক কোনে বুজা? মাৰ মুখলৈ চাচোন, দেউতাৰ কাষত থকাৰ উপৰিও কিমান যে যুঁজি আহিছে? বাকীবোৰ কাম আছেই।" কথাষাৰ শুনি হয়তো আচৰিত হৈছে নহয়নে; আপুনি? ঠিক তেনেকৈ মইয়ো হৈছিলো।

এনেকৈ এটা এটাকৈ দুটা বছৰে বাগৰ সলালে। কিন্তু মাজনীৰ দেউতাকচোন দিনে দিনে বেয়া অৱস্থালৈ ঢাল খালে। শেষত ডাঙৰে হাত দাঙি দিছিল আৰু কৈছিল- "যিকোনো সময়তে বেয়া খবৰ শুনিবলৈ পাব পাৰে, আমাক মাফ কৰিব। এতিয়া সকলোবোৰ ভগৱানৰ ওপৰত।" সেই সময়ত মাকৰ ওচৰত মাজনীও আছিল যিহেতু শেষৰবাৰৰ অৱস্থাত মাজনীও গৈছিল দেউতাকৰ লগত। ডাক্তৰে কোৱা কথাষাৰ শুনি যেন মাজনীৰ বুকুখন কঁপিবলৈ আৰম্ভ কৰিলে। কিন্তু তাৰ মাজতো যেন দেউতাকে কোৱা কথাষাৰ কাণত বাজি উঠিছিল- "মাজনী মই ভাল পাইছো তুমি চিন্তা নকৰিবা।" কিন্তু ডাক্তৰে এইয়া হঠাৎ কি কৈ গ'ল- সঁচাই বাৰু তাই দেউতাকক হেৰুৱাই পেলাব নেকি? তাই বাৰু মাকক বগা সাজত চাব লাগিব নেকি?" ইয়াৰ পাছতো তাইৰ মনলৈ আহিল তাই আৰু দেউতাকৰ স্মৃতি বোৰ- তাইক বাৰু দেউতাক নহ'লে মাকে পিঠি খজুৱাই দিবনে? ভাল পোৱা বস্তুবোৰ তাই নোকোৱাকৈ কোনে আনি দিব? তাইক ফুৰাবলৈ কোনে নিব? দেউতাকৰ মৰমবোৰ কোনে দিব? আৰু ইয়াতকৈ ডাঙৰ কথাটো হ'ল যে- দেউতা বুলি কাক মাতিব তাই? হয়, মাক আছে তাইৰ, মাকেও বহুত মৰম কৰে কিন্তু দেউতাকক যদি সঁচাকৈ হেৰুৱাই পেলাব লগা হয় সিহঁতে বাৰু পাৰিবনে থাকিব? ইমান সহজ জানো কথাবোৰ? কথাবোৰ চোন তাইৰ বুকুত বিষ বোৱে শিল হৈ থিতাপি লৈছে। কি কৰিব বাৰু এতিয়া তাই? সুস্থ হৈ উঠিবনে তাইৰ দেউতাক। ক্ষন্তেক পিছতে মাজনী গৈ দেউতাকৰ ওচৰ পাইছিলগৈ, দেউতাকক যেন তাই সামৰি ৰাখিব সদায়। কিন্তু তাইক আচৰিত কৰি দেউতাকে সৰু জীয়েকৰ খবৰ লৈছে- মাজনী, ভণ্টিলৈ ফোন কৰিছিলিনে? তাই খোৱা-বোৱা ঠিকমতে কৰিছেনে? তাইৰ লগত ৰাতি কোন থাকে? তাইৰ বাৰু গা ঠিকেই আছেনে? দেউতাকৰ মুখৰ পৰা এই কথাখিনি শুনিচোন তাইৰ শোকটোৱে বৰকৈ খুন্দিয়াবলৈ ধৰিলে। মৃত্যুৰ লগত যুঁজি থকাৰ সময়তো চোন নিজৰ সন্তানৰ ইমানবোৰ খবৰ ৰাখিছে। এইয়াই নেকি বাৰু সন্তানলৈ থকা পিতৃৰ মৰম?

সিহঁতে দেউতাকক ঘৰলৈ অনাৰ ব্যৱস্থা কৰিলে, কাৰণ নিজৰ ঘৰখন দেখিলে হয়তো তেওঁ কিছু শান্তি পাব সেই কথা ভাবিয়ে। শেষলৈ দেউতাকে মাজনীহঁতক চিনি নোপোৱা হ'ল। এইয়া সহি থকাটো বাৰু কিমান কষ্টকৰ হ'ব এ... ভাবকচোন!

সেইদিনা মংগলবাৰ। ৰাতি ঠিক এক বজালৈ... মাজনীয়ে দেউতাকৰ কাষত কটালে। কিন্তু তাৰ মাজতে মা... আহি তাইক অকনমান বাগৰ দিবলৈ কৈ মাক দেউতাকৰ কা... থাকিল। তথাপিও মাজনী টোপনি যাব পৰা নাছিল। যিহেতু আ... তিনিদিন ধৰি দেউতাকে চকু টিপ এটাও মৰা নাছিল, মা... একেথৰে চাই ৰৈছিল এটা দিশলৈ। উশাহটোৰ বাহিৰে ... একোৱেই নাছিল। ৰাতিপুৱা ঠিক পাঁচমান বজাত মাকে মাজনী... মাত লগালে- মাজনী দেউতাক গাখীৰ নহ'লে প্ৰটিন পাউ... অকনমান খুৱাই দিয়াচোন। মই গাটো তিয়াই আহো। মাজনী... লগতে ভনীয়েকো আহি দেউতাকক আলপৈচান ধৰিলে ... হাতে-ভৰিয়ে তেল মালিচ কৰি দিলে। মাকে মাত্ৰ গাটো তি... আহি কপালত সেন্দুৰকণ পিন্ধিছিলহে তেনেতে মাজনীহঁ... খুৱাইঁতে হুলস্থূল লগাবলৈ ধৰিলে। মাজনী দেউতাকৰ কা... আছিল- তাই এতিয়া কি কৰিব? দেউতাক কিয় কাঢ়ি নিব খু... তাইৰ নমোৱে? মাক আৰু ভনীয়েকক তাই কি সান্ত্বনা ... এইবোৰ ভাবি থাকোতেই দেউতাকে সিহঁতৰ চকুৰ সম্মু... সিহঁতক এৰি অন্য এখন পৃথিৱীলৈ গ'লগৈ। সকলোবোৰ... শেষ হৈ গ'ল। যিটো সময়ত সিহঁতে দেউতাকৰ মৰম বু... লাগিছিল সেই সময়তচোন... নাই মাজনীয়ে আৰু ভাবিব নোৱা... মাক আৰু ভনীয়েকক তাই সাহস দিব লাগিব। মাকৰ মু... চালে তাইৰ শোকটোৱে খুন্দা মাৰি ধৰে যদিও তাই মাকক ... ভাগি পৰা দেখিলে আৰু কষ্ট পাব বুলিয়ে সকলোবোৰ লুকু... থয়।

দেউতাকৰ আত্মাৰ চিৰশান্তি লাভৰ বাবে কামো... সুকলমে হৈ উঠিল। তাৰ মাজতো যে মানুহৰ অগণন প্ৰ... "তোমালোকৰ ল'ৰা সন্তান নাই নেকি? 'দেউতাকৰ মুখাগ্নি কো... কৰিব? আৰু যে ক'ত কি? তথাপিও এইবোৰ সহিব ... মাজনীয়ে সকলোকে যথাযথ উত্তৰ দি গৈছিল। শেষত সক... ভালে-কুশলে হৈ গ'ল যদিও দেউতাকৰ অনুপস্থিতি ... আজিও শূন্য। কাৰণ ঘৰখনৰ মূল ভেটিটো নহ'লে ঘৰখন ... মজবুট হৈ থাকিব? কথাষাৰ ঠিক তেনেকুৱাই। এতিয়া মা... সিহঁতৰ বাবে সকলো। কিন্তু মাজনীৰ মনত এতিয়াও এটা প্ৰ... সদায় তোল-পাৰ লগায়। 'নিয়তিয়ে বাৰু কিয় তেওঁৰ ওচৰত... গ'ল তাইৰ দেউতাকক? তাইৰ দেউতাকে বাৰু চাই আছে... সিহঁতক? 'মাক আৰু ভণ্টিক বাৰু সাহস দিছেনে তেওঁ? নি... বাৰু সুখী নে দেউতাকক সিহঁতৰ পৰা কাঢ়ি নি? নে নিয়... ইচ্ছাবোৰেই এনেকুৱা? শেষত তাই এটাই কৈছিল- 'নিয়... ইচ্ছাবোৰ বাৰু এনেকুৱাইনে'?





গল্প

# মৃত্যু

সবিতা বৰুৱা
চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ

ডাক্তৰ ডাক্তৰ অদিতি এতিয়া কেনে আছে?

এতিয়া বিপদৰ পৰা মুক্ত যদিও চিন্তাৰ কিছু কাৰণ এতিয়াও আছে। তুমি সঠিক সময়তে গৈ নোপোৱা হ'লে হয়তো...

ডাক্তৰ কথা শুনি অঞ্জলিৰ চিন্তা আৰু দুগুণে বাঢ়িল। হঠাতে তাই বেঞ্চখনতে বহি পৰিল। ওচৰৰ থাপনাখনত মুৰুলিধৰে মিচিকিয়াই আছে। অঞ্জলিয়ে মূৰ্তিটোলৈ একেথৰে চাই ৰ'ল। তাইক এদিন অদিতিয়ে কোৱা কথা মনলৈ আহিল।

জলি, তই বাৰু গোসাঁইক কিয়নো ইমান বেয়া পাৱ। তোৰ কেতিয়াবা যদি মন বেয়া লাগে বা খং উঠে তেতিয়া গোসাঁইকে কবিচোন, শুনিব গোসাঁয়ে।

ভগৱানৰ ওপৰত তাইৰ বিশ্বাস কেতিয়াবাই নোহোৱা হৈছিল। একমাত্ৰ অদিতিৰ কথাষাৰৰ বাবেই বহাৰ পৰা উঠি মূৰ্তিটোৰ কাষলৈ গৈ মূৰ্তিটোক উদ্দেশ্য কৰি ক'লে — "তোমাক যি ইমান বিশ্বাস কৰে তেওঁক কিয় কষ্ট দিয়া? তুমি মোৰ দিতিজনীক জীয়াই তোলা, সুখী কৰি ৰাখা, শান্তিত ৰাখা।" কথাখিনি কৈয়ে হুকহুকাই কান্দি মজিয়াতে আঠুকাঢ়ি বহি পৰিল তাই। সেই মুহূৰ্ততে বেদান্ত, গৌৰী, জুলি, টিনা, সমুদ্ৰহঁতো পালেহি।

ঐ অঞ্জলি উঠচোন উঠ। এনেকুৱাখননো কিয় কৰিছ!

তাইক বহাই অলপ পানী খুৱালে। অলপ সময় ৰৈ তাই সমুদ্ৰই সুধিলে

— অদিতিৰ কি হৈছিল অ', তাই কিয় এনেকুৱা কৰিলে।

— তাইৰ কিনো হ'ল মইও সঠিককৈ নাজানো। মোৰো আজি ৰুম গৈ পোৱা দেৰি হ'ল। গৈ পায়ে দেখো...। কথাষাৰ কৈয়ে উচুপি উঠিল অঞ্জলি।

— নাকান্দিবিচোন ৰহ্। তাই সুস্থ হৈ উঠাটো কামনা ক'ৰ।

— তহঁতে যিয়ে নকৰ কিয় মোৰ হ'লে অলপো বিশ্বাস হোৱা নাই অদিতিয়ে যে এই কাম কৰিছে।

হয় কাৰোৰে বিশ্বাস হোৱা নাই, অদিতিয়ে যে আপোনঘাতী হ'বলৈ চেষ্টা কৰিছে। অদিতি সেইজনী ছোৱালী যিয়ে জীৱনৰ কাঁইটীয়া পথত আগবাঢ়ি যাবলৈ উৎসাহ দিয়ে; সকলোৰে মুখত হাঁহি

থকাটো বিচাৰে; জীয়াই থকা মাছটো ধৰফৰালে কান্দি উঠা ছোৱালীজনী; দেউতাকে ফুলৰ ডাল এটা কাটিলেও কান্দি উঠা ছোৱালীজনীয়ে কেনেদৰে ভাবিলে নিজকে শেষ কৰাৰ কথা। সকলোৱে মনত অলেখ ভাবৰ বুৰবুৰণি।

দুঘন্টামানৰ পাছত সমুদ্ৰৰ বাহিৰে সকলো গ'লগৈ। যি ডাক্তৰৰ লগত কথা পাতিবৰ বাবে গ'ল। অঞ্জলি কৰিডৰটোৰ বেঞ্চখনত বহি ৰ'ল। (অঞ্জলি অদিতি দুয়ো স্নাতক মহলাৰ ছাত্ৰী। দুয়ো একেটা ছাত্ৰীনিবাসৰ একেটা কোঠাতে থাকে) দুয়ো মৰমতে দুয়োৰে নাম দিছে জ'লি আৰু দিতি। অঞ্জলি দুয়ো কলেজৰ পৰা হোষ্টেললৈ গৈ আছে। অদিতি খুব গহীন হৈ কৈছিল—

— জ'লি,... সন্দেহ, বিশ্বাসঘাতকতা, অহংকাৰ, ক্ষোভে মানুহে নিজক শেষ কৰাৰ লগতে আনক জ্বলাই মাৰে, শেষ কৰি দিয়ে। ভদ্ৰতাৰ মুখা পিন্ধা মানুহবোৰ, অন্ধ সমাজখন, কুৎসিৎ মনৰ মানুহবোৰ, মিছা আপোনত্ব, ভালপোৱা দেখুওৱা মানুহবোৰ, পদে পদে ৰং সলোৱা মানুহবোৰ, বন্ধুবোৰ এই সকলোৱে পৰা অতিষ্ঠ হৈছো মই। মানুহবোৰক তই সময় দেচোন সিহঁতৰ বিপদৰ বেলিকাত খুব ভাল পাব তোক। কিন্তু তোৰ যদি বিপদ হয় তেতিয়া ব্যস্ততাৰ দোহাই দি আঁতৰি থাকিব, 'কেনে আছ' বুলি সুধিবলৈও সময় নহয়। গোটেই সমাজখন স্বাৰ্থপৰ মানুহে গ্ৰাস কৰিছে। এই স্বাৰ্থপৰ সমাজৰ মানুহবোৰৰ মিছা আপোনত্ব, অন্ধ সমাজৰ অন্ধ বন্ধনবোৰৰ মাজত তিল তিল কৈ মৰিছো, ভাগৰি পৰিছো।"

কথাখিনি মনত পৰিলত তাইৰ বুকুখন মোচৰ খাই পৰিল। অনেক প্ৰশ্নই তাইৰ মনৰ ভিতৰত জোৱাৰ তুলিছিল। 'দিতিৰ কোমল সৰল মনটোত কি কথাই আমনি কৰি আছে।' নিজেই প্ৰশ্ন কৰিলে তাই। আন এদিনৰ কথা মনলৈ আহিল — সেইদিনা মুষলধাৰ বৰষুণ ৰাতিপুৱাৰে পৰা। অদিতিয়ে টেবুলত বহি খিৰিকীৰে বাহিৰলৈ চাই আত্মবিভোৰ হৈ আছে। অদিতিয়ে টেবুলত বহি খিৰিকীৰে বাহিৰলৈ চাই আত্মবিভোৰ হৈ আছে। অঞ্জলিয়ে চাহ দুকাপ আনি দেখে অদিতি বাহিৰত দুয়োহাত মেলি ওপৰলৈ মুখ কৰি তিতি আছে, মুখখণ্ডলত প্ৰশান্তিৰ জিলিঙনি দেখা পোৱা গৈছে। অঞ্জলিয়ে দৌৰি গৈ তাইক ভিতৰলৈ আনিব বিচাৰিলে।

— জ'লি, মোক অলপসময় এনেদৰে থাকিব দেচোন।

— নাই নহ'ব। এতিয়াই ভিতৰত ব'ল।

অঞ্জলিৰ আদেশত অগত্যা তাইৰ পাছে পাছে ভিতৰলৈ সোমাই গ'ল। অঞ্জলিয়ে অদিতিক কাপোৰ সলাবলৈ দিলে, গৰম পানী এগিলাছ খাবলৈ দি অদিতিৰ চুলিকেইডালৰ পানী টুকি টুকি সুধিলে —

— দিতি, কবি নে তোৰ কি হৈছে?

— একো নাই হোৱা অ মোৰ।

কিছুসময় কাৰোৱে মুখৰ মাত নাই। কোঠাটোৰ নিস্তব্ধতা ম্লান কৰি অদিতিয়ে ক'লে —

জ'লি, কেতিয়াবা এই বৰষুণজাকত নিজকে ধুৱাই দিব বিচাৰো; কিজানি তেতিয়া মনৰ ভিতৰখনত হৈ থকা অশান্তিবোৰ নোহোৱা হৈ পৰে। কেতিয়াবা নদীৰ সোঁতত নিজকে এৰি দিবলৈ মন যায়, সোঁতে লৈ গৈ থাকিব ঠিকনাবিহীন ঠাইলৈ। কেতিয়াবা নদীখনৰ লগত কথা পাতি, কেতিয়াবা জনশূন্য নিজান ঠাই চৰাই-চিৰিকটি, গছ-বনৰ লগত থাকি আপোন পাহৰা হ'বলৈ মন যায়। মিছা আপোনত্ব, স্বাৰ্থপৰ অন্ধ সমাজৰ পৰা বহু আঁতৰলৈ গুচি যাবলৈ মন যায়, য'ত মোৰ মনটোৱে কষ্ট পাব লগা নহয়।

অঞ্জলি চকু চকুপানীৰে ভৰি পৰিল, বুকুখন বিষাই গৈছে। তাইৰ প্ৰিয় সখীজনীক হেৰুৱাৰ ভয়ে দহি দহি খাইছে। অদিতিৰ কথাবোৰ ইমান সাঁথৰ সাঁথৰ কিয়? কিয় ইমান পাকলগা, কি চলি আছে তাইৰ বুকুৰ মাজত? ইমান ৰহস্যাবৃত। কথাবোৰ ভাবি থাকোঁতেই তাইৰ চিলমিলকৈ টোপনি আহিল। সপোনত কোনোবা এজনে তাইক মাতিছে —"জলি উঠাচোন উঠা। তুমি দিতি শান্তিত থকাটো বিচাৰা ন', তোমাৰ কথা ৰাখিম। তাইক লৈ যাওঁ দেই।" অদিতিয়ে প্ৰাণচঞ্চল হাঁহি মাৰি তাইক ক'লে — "ঐ জলি মই যাওঁ দেই, তই ভালকৈ থাকিবি।"

অঞ্জলি চক্ খাই সাৰ পালে। দেখিলে জুলি টিনাহঁতে টাইক আৱৰি আছে। কিন্তু অচিনাকি চেহেৰাৰ মানুহজন নাই।

ডাক্তৰে আহি ক'লে "অদিতি এতিয়া বিপদৰ পৰা মুক্ত চিন্তাৰ কোনো কাৰণ নাই। এটা দিন আমাৰ তত্ত্বাৱধানত থাকিব লাগিব।"

সকলোৱে হাতযোৰ কৰি ধন্যবাদ জনালে। এদিন থকাৰ পাছত নাৰ্চিং হোমৰ সকলো যাৱতীয় কাম-কাজ কৰি তাইক হোষ্টেললৈ লৈ অনা হ'ল। সকলোৱে মৰম, আদৰ পৰিচৰ্যাত অদিতি সুস্থ হৈ পৰিল। ●





# সপোনৰ পম খেদি



নিমিষা বৰা
ষষ্ঠ ষাণ্মাসিক, ইতিহাস বিভাগ

সপোনবোৰ বৰ ৰঙীন, সুন্দৰতাৰ আঁকৰ। কত যে জল্পনা কৰোঁ নিজক লৈ। প্ৰণামীয়ে কুঁৱলীবোৰক অতিক্ৰম কৰি নিজকে তাইৰ আকাংক্ষা পৰিপূৰ্ণ কৰাৰ সংগ্ৰামত নিতৌ কৰে কঠোৰ সাধনা। তাই পাৰিবই লাগিবই। এই সমাজখনক দেখুৱাবলৈ। তাই অভিশপ্ত নহয় তাইৰো মন আছে পাখি মেলি উৰিবলৈ, বাধাৰ প্ৰাচীৰখন এদিন আঁতৰাই তাই নিজক এখন আসনত উপৱিষ্ট কৰাৰ। প্ৰণামী ক'ত মৰিলি, ঘৰৰ কামবোৰ নকৰি তাই মহাৰাণীয়ে পঢ়িবলৈ বহিল। বিয়া-বাৰু নকৰাই তাই ঘৰৰ বোজা হৈ আছে। মাহীমাকৰ ককৰ্থনাত খপ-জপকৈ প্ৰণামীয়ে উঠি কামত লাগিল। জন্মতে মাকক হেৰুৱাই তাই বুজিয়ে নাপালে মাকৰ মৰম কি বস্তু। মাকৰ মৃত্যুৰ বাবে সকলোৱে তাইকে দায়ী কৰিলে তাই বৰ কুলক্ষী। তাইৰ বাবে বৰ জটিল হৈ পৰিল জীৱন নামৰ সংগ্ৰামখন। দেখিবলৈ তাই বৰ শুৱনিও নহয়। সাধাৰণ ছোৱালীবোৰৰ দৰে কঁকাল খামুচীয়া লিচপিচিয়া শৰীৰ এটাৰে তাই সুগঢ়ী নহয়। এইবোৰৰ বাবে তাই ঠাট্টা-মস্কৰাৰে ভৰি থাকে দিনটো। কিন্তু বিদ্যাদেৱীৰ কৃপা দৃষ্টি সদায় তাইৰ ওপৰতে থাকে। তাই যথেষ্ট সংগ্ৰাম কৰে নিজক গঢ় দিবলৈ। সমাজৰ এখন সন্মানীয় আসন শুৱনি কৰিবলৈ। কাউৰী পুৱাতে উঠি ঘৰৰ কাম-বন কৰি তাই ঘৰে ঘৰে গৈ ল'ৰা ছোৱালীক পঢুৱাই নিজৰ খা-খৰচ যোগাৰ কৰিছে। তাৰ লগে লগে তাই প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে  নিজকে প্ৰস্তুত কৰিছে। যি সময়ত আন লগ সমনীয়া সামাজিক মাধ্যমৰ ৰঙীন পৃথিৱীত আপোন ভোলা হৈ আছে বিয়া-বাৰু কৰাই সংসাৰৰ বোজা সামৰি লৈছে কিন্তু তাই  সংগ্ৰাম কৰিছে। তাই পৰনিৰ্ভৰশীল হৈ থাকিবলৈ নিবিচাৰে। তাই আত্মনিৰ্ভৰশীল হ'বলৈ বিচাৰে, তাই বিচাৰে এক প্ৰতিষ্ঠা। তিনিবাৰকৈ APSC পৰীক্ষাত অৱতীৰ্ণ হৈও তাই উদ্যম হেৰুৱা নাই। সমাজৰ ককৰ্থনাবোৰক, মাহীমাকৰ দু-ব্যৱহাৰক  তাই সংগ্ৰামৰ মূলমন্ত্ৰ হিচাপে লৈছে আৰু নীৰৱে তাইৰ সাধনা অব্যাহত ৰাখিছে কাৰণ তাইৰ সপোনক তাই বাস্তৱত গঢ় দিবলৈ দৃঢ় পৰিপক্ক। মানুহ কেতিয়াও পৰাজয়  স্বীকাৰ কৰিবলৈ জন্ম হোৱা নাই। তাইও পৰাজয়ক মানি লোৱা নাই। প্ৰত্যাহ্বান বেছি হ'লে সংগ্ৰাম কৰি আত্মতৃপ্তি, দৃঢ়তাবোৰো বৃদ্ধি হয়। উজাগৰী নিশাবোৰ তাইৰ সপোনৰ সাৰথি। কোনো মানসিক কষ্টৰ ধুমুহাই তাইৰ সপোনৰ বালিঘৰক থান-বান কৰিবলৈ দিবলৈ নোৱাৰে তাই। বাস্তৱ সপোনবোৰৰ দৰে সৰল নহয় বাস্তৱৰ বাট আওপকীয়া, দুৰ্গমতাৰে ভৰপূৰ আজি তাই পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হ'ল চতুৰ্থবাৰত আৰু তাইৰ সপোনে পূৰ্ণতা পালে। সকলোৱে তাইৰ কষ্টক শলাগ লৈছে। এটুপি আনন্দৰ চকুলো তাইৰ দুগালেৰে বাগৰি গ'ল। আজি তাইৰ সপোনে পৰিপূৰ্ণতা পালে। তাইৰ অপেক্ষাবোৰে পূৰ্ণতা পালে। ●

আহে, কেতিয়াবা বিফলতাৰো সন্মুখীন হ'বলগীয়া হয়। কিন্তু এইয়া স্বাভাৱিক আৰু কিছুক্ষেত্ৰত প্ৰয়োজনীয়। এই প্ৰত্যাহ্বান আৰু বিফলতা সমূহে আমাক জটিলতাৰ সৈতে যুঁজ দিবলৈ শিকায়।

যিসকল ছাত্ৰ-ছাত্ৰীয়ে জীৱনৰ লক্ষ্যত উপনীত হোৱাৰ পথত বিফল হৈ হতাশাত ভুগিছে, তেওঁলোকে হতাশ নহৈ, আগতে কৰা ভুলসমূহৰ পৰা শিক্ষা লৈ নতুন উদ্যমেৰে আগবাঢ়ি যোৱা উচিত। জীৱনৰ লক্ষ্য প্ৰাপ্তিৰ বাবে চেষ্টা কৰি থাকোতে সমান্তৰালভাৱে নিজকে সুস্থ কৰি ৰাখিবলৈ মানসিকভাৱে আমি নিজে ভালপোৱা কিছুমান কাম কৰি থকাটো অতি প্ৰয়োজনীয়। ধনাত্মক চিন্তাধাৰাৰ লগতে ধ্যান (reditation) কৰাটো অন্য এক অত্যন্ত জৰুৰী পদক্ষেপ।

- **অভিভাৱক আৰু সমাজৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ দায়িত্ববোধ কেনে হোৱাতো উচিত বুলি আপুনি ভাবে?**
- ছাত্ৰ-ছাত্ৰী সকলৰ অভিভাৱক তথা সমাজৰ প্ৰতি দায়বদ্ধতা আছে। ছাত্ৰ-ছাত্ৰীয়ে সদায় অভিভাৱকক সন্মান কৰিব লাগে আৰু তেওঁলোকৰ যত্ন ল'ব লাগে।

এখন সুস্থ, সবল আৰু অন্তৰ্ভুক্ত (Inclusive) আৰু সহনশীল সমাজ গঢ়াতো ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰধান উদ্দেশ্য হ'ব লাগে। ছাত্ৰ-ছাত্ৰীসকল সমাজৰ মূল চাবিকাঠি, গতিকে তেওঁলোকে এখন Compassionate, Emparnetic, Equal সমাজ গঢ়ি তুলিবলৈ অৱদান যোগাব লাগে।

আজিৰ সমাজত আৰু ছাত্ৰ-ছাত্ৰীসমূহৰ মাজত এই মূল্যবোধ বোৰ কমি আহিছে। গতিকে নৈতিক শিক্ষাৰ প্ৰয়োজনীয়তা অতি মাত্ৰাই জৰুৰী হৈছে এখন আদৰ্শ সমাজ গঢ়িবলৈ।


- **আপোনাৰ জীৱনৰ আদৰ্শ ব্যক্তি বুলি আপুনি কাক ক'ব খোজে?**
- মোৰ মা-দেউতা, আইতা আৰু পুথা-দেউতাক মই মোৰ জীৱনৰ আদৰ্শ ব্যক্তি হিচাপে ভাৱো। এই কেইজন ব্যক্তিয়ে মোক ভুল-শুদ্ধ; ভাল-বেয়া বোৰ চালি-জাৰি চাবলৈ শিকাইছে। সদায় জীৱনৰ বাটত আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰিছে। মোক সহানুভূতিশীল; সহনশীল, সত্যনিষ্ঠা; কৃতজ্ঞতা আদি মূল্যবোধসমূহৰ লগত পৰিচয় কৰাইছে।

- **বৰ্তমান সময়ত নতুন প্ৰজন্মৰ ক্ষেত্ৰত সামাজিক মাধ্যমৰ ভুমিকা সম্পৰ্কে আপোনাৰ মতামত কি?**
- সামাজিক মাধ্যম এক "Double Edged Sword", য'ত নেকি ভাল-বেয়া দুয়োটা আছে। নতুন প্ৰজন্মক সামাজিক মাধ্যমে নতুন নতুন তথ্য আহৰণ কৰাত যথেষ্ট সহায় কৰিছে আৰু এই তথ্যসমূহে নতুন প্ৰজন্মৰ জ্ঞানৰ পৰিসীমা বৃদ্ধি কৰাত সহায় কৰিছে। সামাজিক মাধ্যমে বাক-স্বাধীনতা বৃদ্ধি কৰাত সহায় কৰিছে আৰু নতুন প্ৰজন্মক এখন প্লেটফৰ্ম প্ৰদান কৰিছে য'ত তেওঁলোকে বিভিন্ন সামাজিক সমস্যা বোৰত মাত মাতিবলৈ সক্ষম হৈছে।

কিন্তু সামাজিক মাধ্যমৰ ঋণাত্মক ভুমিকাও বহুত আছে। নতুন প্ৰজন্মৰ মাজত যেনে- বহু সময়ত অতিমাত্ৰা সামাজিক মাধ্যমৰ ব্যৱহাৰ ফলত নিজৰ লক্ষ্যৰ পৰা ছাত্ৰ-ছাত্ৰী সকল পথভ্ৰষ্ট হৈছে, তেওঁলোকে গ্ৰন্থ অধ্যয়নৰ অভ্যাস কমাইছে; ঘৃণাভাৱ (Hatred), অসহনশীলতা আদি বৃদ্ধি কৰিছে। সামাজিক মাধ্যমত বৃদ্ধি পোৱা "Trolling Culture" টোৱে মানসিক স্বাস্থ্যত বেয়া প্ৰভাৱ পেলাইছে যেনে- Depression, Anxiety আদি বৃদ্ধি কৰিছে।

গতিকে সামাজিক মাধ্যমত পোৱা তথ্যসমূহৰ শুদ্ধতা চালি-জাৰি চোৱাটো অত্যন্ত প্ৰয়োজনীয় আৰু নতুন প্ৰজন্মই সামাজিক মাধ্যমৰ ধনাত্মক দিশটোৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰাটো উচিত।

- **আপোনাৰ ভৱিষ্যত জীৱনৰ পৰিকল্পনা কি?**
- নিজকে এজন সু-নাগৰিক হিচাপে বৰ্তাই ৰাখি সমাজৰ হিতৰ হকে কাম কৰি যোৱাটোৱেই জীৱনৰ পৰিকল্পনা।






অনুপ্ৰেৰণাদায়ক ৰচনা



# অধ্যয়ন কাৰ্যক আকৰ্ষণীয় কৰি তোলাৰ বিভিন্ন কৌশল

অংশুমান কোঁচ
প্ৰাক্তন ছাত্ৰ, অসমীয়া বিভাগ

বহুদিন হ'ল, আপুনি পঢ়ি থকা গ্ৰন্থখন শেষ কৰিব নাই পৰা নেকি? আজিকালি আপোনাৰ পঢ়া কামটো আমনিদায়ক যেন লাগিবলৈ আৰম্ভ কৰিছে নেকি? আগতে আপুনি প্ৰায়ে বহুত কিতাপ পঢ়িছিল, কিন্তু আজিকালি পঢ়াত আপোনাৰ একেবাৰেই মন নবহে নহয়নে? ব্যস্ততাৰ অজুহাতত আজিকালি আপুনি কিতাপ কিনিবলৈ পাহৰিয়েই গ'ল নেকি? অথবা আপুনি এতিয়াও কিতাপ কিনিয়েই আছে, কিন্তু সেয়া পঢ়াহে হোৱগৈ নাই নহয়নে?

মই ভাবো, ওপৰৰ এই প্ৰশ্নসমূহৰ যিকোনো এটা নহয় এটা প্ৰশ্ন কেতিয়াবা নহয় কেতিয়াবা আপোনাৰ মনত উদয় হৈছে। হয়তো আপুনি এতিয়াও ভাবিবলৈ আৰম্ভ কৰিছে যে— সঁচাকৈ কিমান দিন যে হ'ল কিতাপ এখনো নপঢ়া। কিন্তু আপুনি মন কৰিছেনে? আপোনাৰ দৈনন্দিন ব্যস্ততাসমূহক বাদ দি আন আন কামসমূহ আপুনি স্বাভাৱিকভাৱেই কৰি গৈ আছে। এই ধৰক, বন্ধু লগত আড্ডা দিয়া, কেতিয়াবা ওলাই যোৱা, চিনেমা চোৱা ইত্যাদি ইত্যাদি কত যে কাম। কেৱল মাত্ৰ পঢ়া কামটোহে হৈ উঠাগৈ নাই নহয়নে! অৱশ্যে যদিহে আপুনি এজন ছাত্ৰ, তেন্তে ইয়াত আপোনাৰ পাঠ্যক্ৰমক সামৰি লোৱা নাই হোৱা। ছাত্ৰ হিচাপেই আপুনি ভাবি চাওকচোন, কেৱল পাঠ্যক্ৰমৰ মাজতে আপুনি আৱদ্ধ হৈ ৰৈ গৈছে নেকি? যদি হয় তেন্তে আপুনি ভাবেনে যে এয়া আপোনাৰ জীৱনৰ বাবে এটা তেনেই ইতিবাচক কথা!

অৱশ্যে এটা কথা স্বীকাৰ কৰিবই লাগিব যে আন আন বিভিন্ন কাৰ্যাৱলী যেনে — চিনেমা চোৱা, খেলা, নাচ-গান আদিবোৰতকৈ অধ্যয়ন কাৰ্য স্বাভাৱিকতেই একেঘেয়ামি আৰু বিৰক্তিদায়ক। অধ্যয়ন কাৰ্যৰ বাবে প্ৰথমতেই আপোনাক প্ৰয়োজন হোৱা গুণটোৱেই হৈছে একাগ্ৰতা। লগতে আপুনি হ'ব লাগিব ধৈৰ্যশীল। অধ্যয়ন কাৰ্যৰ প্ৰতি আপোনাৰ যদিহে তিলমানো আগ্ৰহ নাই তেন্তে হাজাৰ চেষ্টা কৰিলেও আপুনি মন বহাব নোৱাৰে। এই কথাটো অৱশ্যে সকলো কাৰ্য ক্ষেত্ৰতেই খাটে। যিকোনো এটা কাৰ্য সম্পাদনৰ ক্ষেত্ৰত ক্ৰিয়া কৰা প্ৰথম আৰু প্ৰধান উপাদানটো হৈছে আগ্ৰহ। আগ্ৰহহীন কাৰ্য স্বাভাৱিকতেই সুচাৰুৰূপে সম্পাদন হোৱা দেখা নাযায়। সেয়েহে মোৰ এই লেখাটো সেইসকল ব্যক্তিৰ বাবে, যাৰ অধ্যয়ন কাৰ্যৰ প্ৰতি যথেষ্ট আগ্ৰহ আছে, যি পঢ়িব বিচাৰে বা পঢ়াৰ সুবিধাও আছে, কিন্তু বিভিন্ন কাৰণত সেয়া হৈ উঠাগৈ নাই।

উপন্যাসিকা



# অন্তৰ্দ্বন্দ্ব

সীমাশ্ৰী গগৈ
ষষ্ঠ যাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

ডাঃ অভিজিত বৰুৱা আৰু ৰমেন বৰকটকী নলে-গলে লগা বন্ধু। সৰুৰে পৰা একেলগে পঢ়া। দুয়ো
এতিয়া একেখন চহৰৰে বাসিন্দা। দুয়োৰে ডাক্তৰ হোৱাৰ সপোন আছিল। অভিজিত বৰুৱাৰ পিছে ডাক্তৰ হোৱাৰ
সপোন পূৰণ হ'ল। কিন্তু ৰমেন বৰকটকীৰ ডাক্তৰ হোৱাৰ সপোনটো পূৰণ নহ'ল, তেওঁ এজন জনপ্ৰিয় কবি।

মাজে সময়ে কথাৰ প্ৰসংগত ওলালে ৰমেন বৰকটকীয়ে কয়, বন্ধু তই ডাক্তৰ হ'লি, কি মইহে হ'ব
নোৱাৰিলোঁ। তেতিয়া অভিজিত বৰুৱাই হাঁহি হাঁহি কয়, আৰে বন্ধু তই ডাক্তৰ নোহোৱাৰ বাবে মই ভালহে
পাইছোঁ। তই ডাক্তৰ হোৱা হ'লে মই তোক লৈ গৌৰৱ কৰিব নোৱাৰিলোহেঁতেন। তইতো এজন বিখ্যাত কবি।
যেতিয়া মই ক'ৰবাত ফুৰিবলৈ যাওঁ, কোনোবাই যদি তোৰ কথা কয় সেয়া মোৰেই আপোন বন্ধু বুলি মই কিমান
গৌৰৱেৰে ক'ব পাৰোঁ। সেয়া মোৰ বাহিৰে কোনোৱে নুবুজিব।

ডাঃ অভিজিত বৰুৱাৰ এখন ব্যক্তিগত চেম্বাৰ আছে। সপ্তাহটোত দুটা দিন ৰমেন বৰকটকী চেম্বৰালৈ
আহিবই। পিছে বেমাৰ দেখুওৱাবলৈ নহয়, বন্ধুৰ লগত কথা পাতিবলৈ।

ফাগুনৰ পোন্ধৰ তাৰিখ, দেওবাৰ। ডাঃ অভিজিত বৰুৱাৰ চেম্বাৰ বন্ধ। সেইবাবে তেখেত আৰু তেওঁৰ
পত্নী জুৰি ৰমেন বৰকটকীৰ ঘৰলৈ আহিছে। ৰমেন বৰকটকীৰ একমাত্ৰ পুত্ৰ প্ৰণৱৰ বিয়া, সি এখন কলেজত
অধ্যাপকৰ চাকৰি কৰে। বন্ধু অভিজিত বৰুৱাক পদূলি মুখতে দেখা পাই ৰমেন বৰকটকীয়ে পত্নী নিৰুপমাক
চিঞৰিলে, "হেৰা, শুনিছানে বন্ধু আহিছে, বেগতে ওলাই আহা।" ডাঃ অভিজিত বৰুৱাই গাড়ীখন আনি চোতালতে
ৰখালেহি। নিৰুপমা ভিতৰৰ পৰা ওলাই আহিল, আহক, আহক আপোনালোক আহিছে, খবৰ এটা দি আহিব
পাৰে। আজি আমাৰ প্ৰণৱো ঘৰত নাই নহয়। এইবুলি কৈ নিৰুপমাই তেওঁলোকক ড্ৰয়িং ৰুমতে বহিবলৈ দিলে।
নিৰুপমাই অলপ সময় কথা-পাতি ভিতৰত খোৱাৰ যোগাৰ কৰিবলৈ গ'ল। যোৱাৰ আগত কৈ থৈ গ'ল, আজি
পিছে আপোনালোকে ভাত-খাই যাব লাগিব, নগ'লে কিন্তু মই আৰু আমাৰ তেখেতে বহুত বেয়া পাব। অলপ



সময়ৰ পাছতে নিৰুপমাই চাহ লৈ আহিল। জুৰি আহা, তুমি আৰু মই ভিতৰতে খাওঁগৈ ব'লা। এওঁলোকে কিমান কথা পাতে পাতক।

চাহ খাই খাই অভিজিত বৰুৱাই সুধিলে, 'বন্ধু তই যে আগতকৈ অলপ খীনাইছ কিয়?' ল'ৰাৰ বিয়াৰ চিন্তাত নে আন বেলেগ কিবা। তেতিয়া বৰকটকীয়ে ক'লে, নহয় অ' বন্ধু' বয়স হৈ আহিছে যে, সেইবাবে। এতিয়া দেখোন আমাৰ বয়স ষাঠিৰ ওচৰ চাপিল। সেইবোৰ এতিয়া বাদ দে শকত খীনোৱা কথা। আমাৰ ল'ৰাৰ বিয়ালৈ আৰু বেছিদিন নাই, মাজত মাথোঁ পোন্ধৰ দিনহে আছে। গতিকে বন্ধুৰ ল'ৰাৰ বিয়াত তোৰ দায়িত্ব বহুত আছে। বিয়াৰ দিনাখন তোৰ চেম্বাৰ বন্ধ থাকিব লাগিব। অভিজিত বৰুৱাই হাঁহি হাঁহি ক'লে, হ'ব দে তই চিন্তা নকৰিবি। তোৰ কথা জানো মই পেলাই পাইছো? পিছে বিয়াৰ যা-যোগাৰ ঠিকে চলিছে নে? এনেদৰে কথা পাতি থাকোঁতে বৰকটকীৰ পত্নী নিৰুপমা ভিতৰৰ পৰা ওলাই আহি মাত লগালেহি, আহক! আপোনালোক ভিতৰলৈ, মই ভাত বাঢ়িছোঁ।

ইমান সোনকালে ভাত হ'লেই নে? অভিজিত বৰুৱাই আচৰিত হৈ সুধিলে।

দুয়ো বন্ধুয়ে কথা পাতি থাকোঁতে কিমান সময় হ'ল গমেই পোৱা নাই যেন পাইছোঁ। হাঁহি হাঁহি কৈ নিৰুপমা ভিতৰলৈ সোমাই গ'ল।

নিৰুপমাৰ কথাত অভিজিত বৰুৱাই হাত ঘড়ীটোলৈ চাওঁতেহে দেখিছে তেওঁলোকে কথা পতা দুঘণ্টা হৈ গ'ল।

খোৱা-বোৱা কৰি তেওঁলোক যাবলৈ ওলাল। যোৱাৰ সময়ত পুনৰবাৰ ৰমেন বৰকটকীয়ে বন্ধুক বিয়ালৈ সোনকালে অহাৰ কথা কৈ বিদায় দিলে।

দুদিনমানৰ পৰা ৰমেন বৰকটকীৰ একেবাৰে সময় নাইকিয়া হৈছে। বিয়ালৈ মাজত মাথোঁ দুটা দিন আছে। ঘৰখনত আলহীৰ উলহ-মালহ পৰিৱেশ। গধূলি সময়ত তেওঁ বজাৰৰ মোনাটো ভিতৰত গৈ পত্নীক মাতিলে, হেৰা, শুনিছানে, মোৰ বুকুখন বৰকৈ বিষাইছে, গাটো একেবাৰে দুৰ্বল লাগিছে। পানী এগিলাচকে লৈ আনা।

নিৰুপমা কাম কৰি থকাৰ বাবে তিনিদিনৰ আগতে বিয়ালৈ বুলি অহা বায়েকৰ জীয়েক জোনে পানী গিলাচ দিলেহি।

জোন, তই মাহীয়েৰক ক'বি যে মোৰ গাটো ভাল লগা নাই। গতিকে অলপ সময় শুই দিলে ভাল পাম। মাহীয়েৰক জগাব নক'বি। কথাখিনি কৈ বৰকটকী বিচনাত পৰিলগৈ।

পাছদিনা ৰাতিপুৱালৈ ভাল নোপোৱা দেখি ৰমেন বৰকটকী বন্ধু অভিজিত বৰুৱা চেম্বাৰ ওলালগৈ। বৰকটকীক দেখি অভিজিতে আচৰিত হৈ সুধিলে- বন্ধু কাইলৈ ল'ৰাৰ বিয়া। আজি ইয়ালৈ আহিছ যে! পিছে তই যে এইকেইদিন বৰকৈ খীনোৱা দেখিছোঁ, মুখখনো ক'লা হৈছে, বিয়াৰ কাম কৰোঁতে কষ্ট হৈছে চাগে তোৰ। অভিজিতৰ কথাত ৰমেনে হাঁহি হাঁহি ক'লে- একমাত্ৰ ল'ৰাটোৰ বিয়া, অকনমান কষ্ট হ'বই দেচোন। ঘৰলৈ নতুন এজনী বোৱাৰী আহিব; কিমান যে আনন্দ লাগিছে। পিছে মোৰ গাটো কালিৰে পৰা একেবাৰে ভাল লগা নাই, ইমান দুৰ্বল লাগিছে। সেইবাবে তোৰ ওচৰলৈকে আহিলোঁ। কি হৈছে চাই দে, লগতে আজিৰ ভিতৰত ভাল হোৱা ঔষধ দিবি। অভিজিতে বন্ধুক চাই মেলি তেজ পৰীক্ষা আৰু প্ৰস্ৰাৱৰ লগতে কেইবাটাও পৰীক্ষা কৰিবলৈ ক'লে, আৰু পৰীক্ষা ৰিপৰ্ট চাইহে ঔষধ দিব। আধা ঘণ্টাৰ ভিতৰতে তেওঁ সকলোবোৰ ৰিপৰ্ট পালে। নিজ বন্ধুৰ চেম্বাৰ, গতিকে ৰৈ থাকিব লগা হোৱা নাছিল। ৰিপৰ্ট কাগজখন দেখি ডাঃ অভিজিত বৰুৱা আচম্বিত হ'ল, বৰকটকী কেন্সাৰ ৰোগত আক্ৰান্ত হৈছে, আৰু তেওঁ শেষ Stageত আছে। হয়তো তেওঁ এই পৃথিৱীত তিনিমাহ মানহে থাকিব। অভিজিতে বন্ধুক কি ক'ব ভাবি পোৱা নাই, কাইলৈ পুতেকৰ বিয়া ইফালে তেওঁ মৃত্যুৰ দুৱাৰ দলিত। এতিয়া তেওঁ ৰমেন বৰকটকীক ৰিপৰ্টৰ কথা ক'লে ভাল হ'ব নে, নক'লে ভাল হ'ব!!!

# তেজীমলাৰ মাকৰ সাধু

ঔপন্যাসিক ঃ মৃদুল শৰ্মা।
প্ৰকাশক ঃ আঁক-বাক।
ভাষা ঃ অসমীয়া।
প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০১১।
মূল্য ঃ দুশ ত্ৰিশ টকা।



বিকাশজ্যোতি বৰগোঁহাই
ষষ্ঠ যান্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

২০১০-২০১১ বৰ্ষৰ 'আঁক-বাক উপন্যাস বঁটা' লাভ কৰিছিল মৃদুল শৰ্মাৰ 'তেজীমলাৰ মাকৰ সাধু' শীৰ্ষক উপন্যাসখনে। এশ বছৰো অধিক কাল অসমীয়া মানুহৰ মনক আলোড়িত কৰি ৰখা 'তেজীমলা'ক অৱলম্বন কৰি মৃদুল শৰ্মাই বৰ্তমানে অপ্ৰচলিত হৈ পৰা পুৰণি শব্দমালাৰে "তেজীমলাৰ মাকৰ সাধু" লিখিছে। কিছুমান পুৰণি ধ্যান-ধাৰণাৰ বিপৰীত মেৰুত অৱস্থান কৰি লেখক শৰ্মাই নতুন মানৱীয় আবেদনপূৰ্ণ বৃত্তান্তৰে গোটেই উপন্যাসখনে এটা অন্য পৰ্যায়লৈ লৈ গৈছে।

লোককথাৰ 'তেজীমলা' সাধুটো আমি সকলোৱে জানো। তেজীমলাক মাহী মাকে যি অবৰ্ণনীয় অত্যাচাৰ কৰি হত্যা কৰিছিল সেই কথা হৃদয়ংগম কৰিলে পাঠক সমাজৰ তেজীমলাৰ দুখত চকুলো ওলায়। তেজীমলা আমাৰ সহানুভূতিৰ পাত্ৰী, কিন্তু তাৰ বিপৰীতে তেজীমলাৰ মাহী মাক হৈ পৰে পাঠকৰ ঘৃণাৰ পাত্ৰী। তেজীমলাৰ মাহী মাক যেন আমাৰ সমাজৰ মাহী মাক এগৰাকীৰে প্ৰতিনিধি- প্ৰচলিত সমাজ ব্যৱস্থাই যেন তাকেই সোঁৱৰাই দিয়ে বাৰে বাৰে! কিন্তু নাৰী হৈয়ো আন এগৰাকী নাৰীৰ প্ৰতি ইমান কঠোৰ কিয় হ'বলগীয়া হ'ল তেজীমলাৰ মাহী মাক- এয়া কেতিয়াবা বিচাৰ কৰা হৈছে নে? মাত্ৰ মাহী মাকৰ নিৰ্যাতনৰ কথাবোৰৰ বাবে তেওঁক সজাই তোলা হৈছে সমাজৰ এটি নেতিবাচক চৰিত্ৰৰূপে। এই সকলো দিশৰে বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা দেখা গৈছে মৃদুল শৰ্মাৰ 'তেজীমলাৰ মাকৰ সাধু'ত। মূল 'তেজীমলা'ৰ সাধুটোক জুমুঠি হিচাপে লৈ ঔপন্যাসিকে আগবঢ়াই নিছে 'তেজীমলাৰ মাকৰ সাধু'ৰ কাহিনীভাগ।

ভোগেশ্বৰ, সাদৰী, বতাহী, শাওনী, সুমিত্ৰা, মনবৰ, বগীৰাম, মঙলা, অহল্যা, তৰবৰী আদি নানা চৰিত্ৰৰ সমাৱেশ ঘটিছে 'তেজীমলাৰ মাকৰ সাধু'ত। গ্ৰাম্য জীৱনৰ নানা অবৈধ সম্পৰ্কৰ কথা ঔপন্যাসিকে সাধু সাধু লগা কথাৰে কাহিনীভাগৰ মাজলৈ টানি আনিছে। নাৰীৰ প্ৰতি আসক্ত ভোগেশ্বৰ সদাগৰৰ নিজৰ ধনৰ বলত, গাৰ জোৰত গাঁৱৰ কেইবাগৰাকীও গাভৰু জীয়ৰী-বোৱাৰীৰ লগত আছিল অবৈধ সম্পৰ্ক। সাদৰীক বিয়া পাতি অনাৰ পাছত যদিও ভোগেশ্বৰৰ সাদৰীতে মন বান্ধ খাইছিল তথাপিও সাদৰীৰ গৰ্ভৱতী অৱস্থাত ভোগেশ্বৰে বতাহীৰ লগত নৈশ যাপন কৰিবলৈয়ো কুণ্ঠাবোধ কৰা নাছিল। এসময়ত তেজীমলাক জন্ম দি সাদৰী 'কাল হ'ল'। সাদৰীৰ মৃত্যুৰ পাছত বতাহী আৰু শাওণীৰ লগত ভোগেশ্বৰৰ অবৈধ সম্পৰ্ক তুংগত উঠিল। তাকে দেখি ভোগেশ্বৰৰ সখীয়েক মনবৰে সখীয়েকক পুনৰ বিয়া পাতিবলৈ খাতনি ধৰে। বহু বুজনিৰ পাছত সুমিত্ৰাৰ স'তে ভোগেশ্বৰ বিয়াত বহিবলৈ ৰাজী হয়। ভোগেশ্বৰৰ বিয়াৰ সংবাদটো শাওণী আৰু বতাহীয়ে সহজভাৱে ল'ব নোৱাৰিলে। সমাজক দেখুৱাই বিয়া পাতিলেও কিন্তু ভোগেশ্বৰে সিহঁত দুজনীৰ সংগ এৰিব নোৱাৰিলে। আনকি, ফুলশয্যাৰ নিশাও শোৱা পাটীত নৱ-পৰিণীতাক এৰি সিহঁতৰ কাষ পালেগৈ ভোগেশ্বৰ।

এবছৰ-দুবছৰকৈ বাৰ বছৰ পাৰ হ'ল। বিয়া হৈ ভোগেশ্বৰৰ ঘৰত সোমোৱাৰ দিনাৰে পৰা সুমিত্ৰাই তেজীমলাৰ লগতে দিনবোৰ পাৰ কৰিলে। সুমিত্ৰা হৈ পৰিল আদৰৰ জী 'মলা'ৰ আদৰৰ 'আই', ইজনীক এৰি আনজনী এখন্তেকো থাকিব নোৱাৰে। কিন্তু গিৰিয়েকৰ প্ৰাপ্য মৰমৰ পৰা বঞ্চিতা সুমিত্ৰাৰ মনোজগতত কিছুমান কথাই অহৰহ ক্ৰিয়া কৰি থাকিবলৈ লয়। আনকি তেজীমলাক কোনোৱে "সাদৰীৰ জীয়েক" বুলি কোৱাটোও তাই সহ্য নকৰে। সুমিত্ৰাৰ মতে, তেজীমলাক কেঁচুৱা কালৰে পৰা সুমিত্ৰাই ডাঙৰ-দীঘল কৰিছে, সেয়ে তেজীমলা সুমিত্ৰাৰহে জীয়েক। সুমিত্ৰাক নিজৰ মানুহজনৰ মৰমৰ পৰা বঞ্চিত কৰি শাওণীয়ে তাইক সুধিছিল 'কি অ' ন-ছোৱালী, নতুন খবৰ-খাতি নিদিয় হ'বলা?' শাওণী-বতাহীয়ে যেন সুমিত্ৰা আৰু তেজীমলাৰ কুৎসা ৰচনা কৰি সমাজত দুয়োকে মুখ উলিয়াব নোৱাৰা কৰিব এনে ভাবনাই ক'ব নোৱাৰাকৈয়ে সুমিত্ৰাৰ মন-মগজুত থিতাপি ল'লে। সেইবাবে এই সমাজখনৰ কু-প্ৰভাৱৰ পৰা ৰক্ষা কৰিবলৈ আদৰৰ জী-তেজীমলাক সখীয়েকৰ বিয়াৰ আলচ কৰি মোমায়েকহঁতৰ ঘৰলৈ পঠিয়াই দিয়ে। কিন্তু তাৰ পাছতো সপোনত আহি যেন বতাহী আৰু শাওণীয়ে সুমিত্ৰাক তেজীমলাৰ বিপক্ষে উচতাই থাকিল। অবচেতন মনত সুমিত্ৰাৰ স্বগতোক্তি ঃ 'তয়ে মোৰ চকুৰ মাণিক, গলৰ সাতসৰী। পিছে তোৰ আয়েৰে এইখন কি নিকাৰ ভুঞ্জিবলগীয়াত পৰিছে তইতো নাজান! তোক নেদেখোঁতেই বুকুত যিমান মৰম-চেনেহ আছে সিমানেৰে তোক আৱৰি ৰাখিম বুলি মন বান্ধিছিলোঁ। ভাবিছিলোঁ মানুহে তোৰ বেলিকা। পিছে এইখন কি বাঘ-ঘোঙৰ যুঁজ লাগিছে তই যদি গম পালিহেঁতেন! তই নথকা হ'লে জানো মানুহটোক মই মোক এৰি থৈ যাবলৈ দিলোহেঁতেন সেই নিশা? খোবাখুবিৰ নিশা? তই নথকা হ'লে জানো তোৰ পিতায়েৰে মোক এইখন নৰকলৈ আনিলোহেঁতেন? তয়েই সাৰ। তোৰ কাৰণেই মোৰ এই ভাৰস্তলৈ আহি ভাৰ ব'বলগীয়া অৱস্থা। তোৰ কাৰণেই মোক মানুহে সন্দেহ কৰিবলৈ পাইছে। তোৰ কাৰণেই তোৰ কাৰণেই.....'

অৱচেতন মনতে খঙত ক'ব নোৱাৰা হৈ সুমিত্ৰাই তেজীমলাক নানা শাস্তি দিয়ে। একমাত্ৰ তৰবৰীয়ে বুজি পাইছিল যে এয়া সুমিত্ৰাৰ এক মানসিক বিকাৰ। 'আচল নৰিয়াটো মনৰহে বুইছ? পিছে দেহৰো যোগ আছে তাত।... এতিয়া মানুহজনীক মৰমেৰে ভাললৈ আনিলেহে আনিব পৰাহঁক....। মানুহক যে পগলা হয়, এনেকুৱা কথাটো। আই পাগলী হৈছে বুইছ? দিঠক আৰু সপোন মানুহজনীৰ কাৰণে একেকাঠি হৈ পৰিছে। এনেকুৱাতে মানুহ নথকাটোও দেখে।' এসময়ত সদাগৰ বণিজৰ পৰা উভতি আহিছে। ছটফটাই সুমিত্ৰাই ভোগেশ্বৰক কৈছে 'আপুনি বিশ্বাস কৰক মই তাইক মৰা নাই... মোক ইহঁত দুজনীয়েহে উচতাই দিছিল... মোৰনো কি দোষ? মইনো বাৰু কেলেই তাহাঁতৰ কথা শুনিলোঁ? কেলেই বাৰু মই মোৰ আইজনীক... কোনটো সতেৰে মই মাৰিলোঁ বাৰু?' কাহিনীৰ শেষত সুমিত্ৰা 'কাঠৰ মূঢ়া' লৈ পৰিণত হৈছে। পানীমলৰ লগত তেজীমলাৰ বিয়া হৈছে।

পুৰুষতান্ত্ৰিক সমাজত অৱহেলাৰ দৃষ্টিৰে চোৱা এগৰাকী নাৰীৰ মনোজগতৰ ৰহস্যখিনি সমাজৰ আগলৈ তুলি ধৰিব বিচৰা হৈছে 'তেজীমলাৰ মাকৰ সাধু'ত। যেন 'তেজীমলা'ৰ সাধুত তেজীমলাৰ ওপৰত মাহী মাকৰ যি অত্যাচাৰ চলিছিল সেয়া যেন দিঠক নহয়, সপোনহে! মানসিক চাঁপত বিভ্ৰান্ত হোৱা এগৰাকী মানুহৰ মনৰ ভ্ৰমহে! মূল কাহিনী ভাগত যতি নপৰাকৈয়ে কাহিনীয়ে মেলি দিছে নানা শাখা-প্ৰশাখা, কিন্তু শেষত সেই আটাইবোৰ শাখা-প্ৰশাখা গতি একমুখী হৈ আগবাঢ়ি গৈছে নাৰায়ণৰ গোপন ৰসহ্যৰ অনুসন্ধানৰ বাবে। এগৰাকী নাৰীৰ দৃষ্টিভংগীৰে কথাবোৰ বিশ্লেষণ কৰাত ঔপন্যাসিকে সফলতা লাভ কৰিছে। ঔপন্যাসিকৰ বক্তব্য 'পুৰুষ আৰু নাৰীৰ মাজত সংঘটিত যৌন সংসৰ্গই জীৱ-জগতখনৰ ঘাই চালিকাশক্তি। সেই বুলি ইয়াত উভয়ে সমভাগী নহয় বা সমান দায়িত্বৰ অংশীদাৰ নহয়। সংঘটিত হোৱা একোটা ঘটনাৰ দায়িত্ব আটাইখিনি মূৰ পাতি ল'বগৈ লগা হয় নাৰীয়ে। সেইকাৰণেই নাৰীৰ মানসিক বা মনস্তাত্বিক সমস্যাও পুৰুষতকৈ বহুগুণে বেছি।' লোককথাৰ তেজীমলাৰ সাধুটোক উপন্যাসৰ ৰূপ দিওঁতে ঔপন্যাসিকে ব্যৱহাৰ কৰা লোকজীৱনৰ অন্যতম সম্পদ ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ আৰু থলুৱা শব্দসম্ভাৰ আদিয়ে উপন্যাসখনৰ সোণত সুৱগা চৰাইছে। আনহাতে 'তেজীমলাৰ মাকৰ সাধু' এখন ৰূপক ধৰ্মী উপন্যাস। যি অতি পৰিচিত আৰু জনপ্ৰিয় সাধুকথাৰ জুমুঠিটো লৈ এই উপন্যাসখন সৃষ্টি কৰা হৈছে, সেই সাধুকথাতেই অৱশ্যে ৰূপকতাৰ উপাদান আছে। কিন্তু সাধুকথাৰ যাদুকৰী কল্প কাহিনীৰ মাজৰ পৰা উপন্যাসখনৰ বিষয়বস্তুক বাস্তৱ সমাজৰ পটভূমিলৈ নমাই আনোতে লেখকৰ সাহিত্য-কৌশলত প্ৰশংসনীয় দক্ষতা ফুটি উঠিছে। গ্ৰাম্যসমাজত অসমীয়া থলুৱা ভাষাৰ যি এক সৰস ৰূপ জতুৱা ঠাঁচৰ মাজেৰে ফুটি উঠে, সেই সাহিত্যৰ পোচাকী ভাষাত নাথাকে। পটভূমি আৰু পৰিৱেশ সজীৱ কৰিবলৈ আৰু সাধুকথাৰ খোলাটোৰ লগত সংযোগ ৰাখিবলৈ লেখকে বৰ্ণনা আৰু কথোপকথনত ব্যৱহাৰ কৰিছে, তেনে এক জতুৱা ঠাঁচযুক্ত পাগ উঠা ভাষা-য'ত আছে মাজে মাজে ফকৰা যোজনাৰ ইংগিত পূৰ্ণ মিশ্ৰণ মজি গৈ ভাষা ব্যঞ্জন হৈছে।


ৰিক্সাচালকৰ ডিঙিটোত চেপা দি মাৰিব খোজে। সেইসময়ত পুলিচে দেখাত সি পলায়ন কৰিবলৈ ধৰে। এফালে নিৰ্মালিয়ে গোটেই মাংসখিনি ক্লিনিকলৈ আনিবলৈ তাক কয়। অৱশেষত পুলিচে তাক বন্দী কৰে। তাই সুমনৰ বাবে অপেক্ষা কৰি থাকে। সুমনক অনুসন্ধান কৰোঁতে আৰক্ষীয়ে তাৰ ফোনত নিৰ্মালিৰ মাংস খোৱাৰ মেচেজবোৰ দেখে আৰু ৰাতিপুৱা নিৰ্মালিয়ে পিকুক স্কুল বাছত থৈ আহোঁতে আৰক্ষীয়ে তাইকো আটক কৰে। এই ঘটনাই গোটেই ৰাজ্যত বনজুইৰ দৰে বিয়পি পৰে। শেষত পুলিচে দুয়োজনক মিডিয়াৰ সমুখলৈ মুখন ঢাকি অনা হয় আৰু উভয়ে হাতত সাৱটি ধৰে।

চলচ্চিত্ৰখনত কেবাটাও দিশ লক্ষণীয়। আত্মনিৰ্ভৰশীল ৰূপত নিৰ্মালি আৰু সমাজসেৱক হিচাপে তেওঁৰ স্বামী বেছিভাগ সময় ঘৰৰ বাহিৰত থাকিব লগা হয়। যাৰ ফলত নিৰ্মালিয়ে কৰবাত নিসংগ, একাকিকত্ব অনুভৱ কৰে। সেই দিশেৰে চাবলৈ গ'লে নিৰ্মালিয়ে ক'ৰবাত নহয় কঁৰবাত কামশীতলতাৰ অনুভৱ কৰিছে। ফ্ৰিজিডিটিৰ দৰে ব্যাধিসমূহে তেওঁক আগুৰি ধৰিছে। কায়িক কামনাখিনি পূৰাব নোৱাৰাৰ ফলত তেওঁ নিজকে খালী-খালী অনুভৱ কৰিছে।


Frigidity ৰ দৰে ব্যাধি বিভিন্ন কাৰণৰশত মানুহৰ ক্ষেত্ৰত দেখা দিব পাৰে। সেইয়া আবেগময় যোগাযোগৰ অভাৱৰ ফলত বা উগ্ৰ যৌনকেন্দ্ৰিক মনোভাৱৰ ফলতো দেখা দিব পাৰে। কিন্তু চলচ্চিত্ৰখনত সমাজকৰ্মত ব্যস্ত স্বামীয়ে স্ব-নিৰ্ভৰশীল পত্নীক প্ৰয়োজনীয় সময় দিব নোৱৰাৰ ফলত তেওঁ ক্ষুধাখিনি উপলব্ধি কৰিছে। নিৰ্মালিয়ে আভ্যন্তৰীণভাৱে সুমনৰ লগত সেই গভীৰ সম্পৰ্ক গঢ়ি পেলাইছিল। যিটো হয়টো তাই মনৰ তাগিদা দূৰ কৰিব পৰা এক অনুভূতিক কৌশল বুলিয়ে অনুমান কৰিব পাৰি।

এই সমগ্ৰ পৰিঘটনাটোক বিজ্ঞানৰ ভাষাত "Acute addiction" বুলি কোৱা হয়। যাৰ অৰ্থ হৈছে "তীব্ৰ আসক্তি"। অৰ্থাৎ যেতিয়া কোনো এটা নিৰ্দিষ্ট বস্তুৰ প্ৰতি ব্যক্তিৰ আগ্ৰহ আৰু ইচ্ছা একো-একোটা নিচালৈ পৰিণত হয় তেতিয়া তাৰ পৰা পৰিত্ৰাণ পাবলৈ জটিল হৈ পৰে। লাগিলে কেনাবিজ হওক বা ড্ৰাগছ। য'ত ব্যক্তিয়ে নিজকে শেষ কৰি পেলাবলৈ উদ্যত হৈ পৰে। ছবিখনটো সুমনে মাংসৰ লোভ দিছিল আৰু নিৰ্মালিয়ে লাহে-লাহে আসক্তিৰ বলি হৈছিল। এই ছবিখনৰ জৰিয়তে পৰিচালকে লোভ আৰু আসক্তিৰ পৰিণাম যে শেষলৈ ভয়ংকৰ হয় তাক জনসাধাৰণৰ মাজত পোহৰাই তুলিছে। এই ক্ষেত্ৰত পৰিচালক ভাস্কৰ হাজৰিকা সফল হৈছে।

সামগ্ৰিকভাৱে বোলছবিখন লক্ষ্য কৰিলে দেখা যায় যে মানুহৰ মাংস খোৱাৰ ক্লিপকেইটাই বহুতক বিমূঢ় কৰি তুলিছে। জনশ্ৰুতি আছে যে মানুহৰ মাংস খাদ্যৰ উপাদেয় হিচাপে অগ্ৰহণীয়। তেনে প্ৰেক্ষাপটত পৰিচালকে সেই ক্লিপটোৰ জৰিয়তে মাংসৰ প্ৰতি থকা তীব্ৰ যি আসক্তি তাক একপ্ৰকাৰৰ প্ৰতীকী ৰূপত অংকন কৰিছে। ইয়াৰ জৰিয়তে পৰিচালকে মনঃস্তাত্বিক পৰিবৰ্তনৰ এক ইংগিত বহন কৰিছে। ইয়াৰ দ্বাৰা তেওঁ সম্ভাৱনাময় এক পৰিৱেশ গঢ়ি তুলিছে যে অত্যধিক ক্ষুধা পূৰণ কৰিব খোজা প্ৰক্ৰিয়াই এটা সময়ত মানুহেও মানুহৰ মাংস খাবলৈ তৎপৰ হ'ব আৰু বৰ্তমানেও অসম তথা ভাৰতবৰ্ষত এনেধৰণৰ বহু ঘটনা সংঘটিত হৈ আছে। তাৰ এক নিদৰ্শন পৰিচালকে আমিষ চলচ্চিত্ৰত আত্মপ্ৰকাশ কৰিছে। ⬢







ভ্ৰমণ কাহিনী

# নামচাইত এভুমুকি

ঋষিকেশ হাজৰিকা
ষষ্ঠ ষাণ্মাসিক, ইতিহাস বিভাগ

বিগত ইং ২৩-০২-২০২৪ তাৰিখে ঢকুৱাখনা মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ পৰা অৰুণাচল প্ৰদেশৰ নামচাইস্থিত 'Golden Pagoda' লৈ এক শিক্ষামূলক ভ্ৰমণ কৰোঁ। সৰ্বমুঠ ৩৬ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই ভ্ৰমণ কাৰ্যসূচীত তত্বাৱধায়ক হিচাপে সহযোগিতা কৰে ড° পংকজ দলে ছাৰ আৰু প্ৰিস্কিলি নামপুই বাইদেৱে।

নিৰ্ধাৰিত সময় অনুসৰি পুৱা প্ৰায় ৪.০০ বজাত সকলো ছাত্ৰ-ছাত্ৰী মহাবিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰৰ সন্মুখত উপস্থিত হয়। প্ৰায় ৫.২০ মিনিটত আমাৰ যাত্ৰা আৰম্ভ হয়। পথত বহুতো মনোমোহা দৃশ্য উপভোগ কৰি আমি আমাৰ গন্তব্য স্থানৰ দিশে অগ্ৰসৰ হওঁ। যাত্ৰাপথত আমি নাহৰতলি, নদুৱা, চান্দমাৰী আদি বিভিন্ন চাহ বাগানবোৰ দেখিবলৈ পাওঁ। প্ৰায় ১১.৩০ মিনিটত আমি আমাৰ গন্তব্য স্থানত উপস্থিত হওঁ। গাড়ীৰ পৰা নামি সকলোৰে হাত-মুখ ধুই 'Golden Pagoda' চাবলৈ প্ৰৱেশদ্বাৰত টিকট কাটো। 'Golden Pagoda' ৰ শান্তিময় পৰিৱেশ মোক অতিকৈ আপ্লুত কৰে। তত্বাৱধায়ক ড° পংকজ দলে ছাৰ আৰু প্ৰিস্কিলি নামপুই বাইদেৱে আমাক 'Golden Pagoda' ৰ মহত্ব আৰু গুৰুত্বৰ বিষয়ে বুজাই দিয়ে।

তথ্য অনুসৰি গৌতম বুদ্ধৰ মৃত্যুৰ পাছত থাইলেণ্ডৰ পৰা বুদ্ধৰ দাঁত আনি এই নামচাই অঞ্চলত স্থাপন কৰিছিল, যাৰ ফলস্বৰূপে বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলৰ বাবে এই অঞ্চলটো অতি পবিত্ৰ হৈ পৰে। 'Golden Pagoda' ত বহু কেইটা বুদ্ধ মূৰ্তি, Cultural Center, Meditation Centre, আৰু ৰং বিৰঙৰ ফুল আমি দেখিবলৈ পাওঁ। Meditation Centreত থকা বাঁহৰ দ্বাৰা নিৰ্মিত বুদ্ধ মূৰ্তিয়ে আমাক আচৰিত কৰি তোলে। জানিব পৰা মতে এইটো হৈছে World largest Bamboo pagoda । 'Golden Pagoda' ৰ নিৰ্মাণশৈলী অতি আকৰ্ষণীয়। 'Golden Pagoda' ৰ নিৰ্মাণ শৈলীত ব্ৰহ্মদেশৰ স্থাপত্য-ভাস্কৰ্যৰ প্ৰভাৱ পৰা দেখিবলৈ পোৱা যায়। ইয়াৰোপৰি বিভিন্ন প্ৰকাৰৰ গছে অঞ্চলটোক চাৰিওফালৰ পৰা আগুৰি থকা দেখিবলৈ পাওঁ। সেইদিনা 'Golden Pagoda' ত স্তম্ভ সদৃশ বাঁহেৰে নিৰ্মিত এটি আকৃতি দেখিবলৈ পাইছিলো। জানিব পৰা মতে সেইদিনা বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে Mai-ko-sam-phai উৎসৱৰ প্ৰস্তুতি চলাই আছিল যিটো বৌদ্ধ ধৰ্মাৱলম্বী কেলেণ্ডাৰ অনুসৰি মাঘী পূৰ্ণিমাৰ দিনা পালন কৰে।

'Golden Pagoda' পৰ্যবেক্ষণ কৰি আমি ওচৰৰে এখন হোটেলত থলুৱা আহাৰ গ্ৰহণ কৰোঁ। ইয়াৰ পাছত প্ৰায় ৩.৩০ মান বজাত আমাৰ উভতনি যাত্ৰা আৰম্ভ হয়। প্ৰায় ৬.৩০ বজাত ডিব্ৰুগড় ৰাষ্টাৰ সমীপতে জগন্নাথ মন্দিৰ থকাৰ বাবে আমি তাত প্ৰৱেশ কৰোঁ। ৩০ মিনিট মান সময় মন্দিৰত অতিবাহিত কৰি আমি পুনৰ ঘৰলৈ বুলি যাত্ৰা কৰোঁ।

অৰুণাচলৰ নামচাই ভ্ৰমণে মোৰ বৌদ্ধ ধৰ্মৰ প্ৰতি থকা ধাৰণাবোৰত বহু নতুন সংযোজন ঘটালে। যিবোৰ স্বচক্ষে প্ৰত্যক্ষ নকৰিলে বুজিব নোৱাৰি।

দিনটোৰ ঘটনাৰাজিক স্মৃতি হিচাপে সামৰি আমাৰ এই ভ্ৰমণ নিশা প্ৰায় ৯ মান বজাত অন্ত পৰে।

⬢

তথ্য সংগ্ৰহঃ

১) চাক্ষুস অভিব্যক্তি

২) ৱিকিপিডিয়া




# ভোগালীৰ ভোজ

চয়নিকা চুতীয়া
চতুৰ্থ ষাণ্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ

ৰাজু ঃ অ ...... খুড়ীটি... খুড়ীটি বোলো ঘৰত আছেনে?
খুড়ীটি ঃ অ' কোন অ' এইটো... অ' এইটো দেখোন ৰমেনৰ পুতেক ৰাজু। আজি পুৱাই পুৱাই কি কামত আহিলি অ'।
ৰাজু ঃ পুৱাই পুৱাই আহিলো দিয়ক আমনি কৰিবলে, বেয়া চেয়া নাপাব আউ। পিছে ৰাইজৰ কাম যে দায়িত্বটো পালন কৰিবই লাগিব।
খুড়ী ঃ ৰাইজৰ কাম ... কি?
ৰাজু ঃ ই ... আপুনি একো গমকে পোৱা নাই নেকি?
খুড়ী ঃ ওহোঁ ক'চোন ভালকে .... পাকখোৱাই নাথাকিবি।
ৰাজু ঃ হে'ৰ আজি উৰুকা নহয় জানো।
খুড়ী ঃ উম হয়... তাকেতো মোৰ বহুত কাম কৰিবলে আছে সোনকালে ক.....।
ৰাজু ঃ অ.... ৰাতিকে সকলোৱে মিলি ভোগালীৰ ভোজ-ভাত খাব তাকে চাউল আৰু ২০ টকাকে তুলিছে আৰু মোক ঘৰে ঘৰে গৈ অনাৰ দায়িত্ব দিছে। তাকে নিবলে বুলি আহিছিলো ...... পিছে .... নিদিয়ে যদি যাওঁগে আউ মই, আপোনাৰ যিহে কাম দেখিছো। চাউলকেইটাও দিব নোৱাৰিবই চাগে (অলপ খুহুটিয়া ভাৱেৰে ৰাজুৱে খুড়ীটিৰ খং চাবলৈ ক'লে)।
খুড়ী ঃ হেৰ' তেজখোৱা অথনিৰে পৰা সেইটোকে ক'ব পৰা নাই হে... এনেই মূৰটো খাই আছ' ...... ৰ ...... মই লৈ আহোঁগে।
ৰাজু ঃ পিছে খুড়াদেউ ক'লৈ গ'ল।
খুড়ী ঃ এ..... গৰু কেইটা লৈ গৈছে পথাৰলে।
(ৰাজুৱে বাহিৰতে চাইকেলত বহি জুম বান্ধি অহা হাঁহকেইটালৈ লক্ষ্য কৰিলে)
খুড়ী ঃ হোঁ ল ... পিছে ভোজ কিহে?



ৰাজু ঃ সন্ধিয়া গ'লে গম পাব নহয়... মই যাওঁ এতিয়া, সোনকালে যাব। (চাইকেলখন চলাই চলাই কৈ গ'ল)।

ৰাজুৱে গাঁৱৰ সকলোৰে ঘৰে ঘৰে গৈ চাউল তুলি নামঘৰৰ ওচৰতে সজা ভেলাঘৰৰ ওচৰত লগৰকেইটাৰ লগত ভোজৰ কথা আলোচনা কৰিব ল'লে।
ৰাজু ঃ ঐ চন্দন, দিবাকৰ, নয়ন, ৰাতুল তহঁত আহিলি। পিছে বাকী হোমেন, প্ৰাঞ্জল আৰু লক্ষ্য অহা নাই নেকি।
ৰাজু ঃ অ ... তেনেহ'লে আমিয়ে কামবোৰত লাগি থাকো আহ ... বজাৰৰ লিষ্ট বনাবলৈ আছেই বজাৰ কেতিয়া কৰিবি।
নয়ন ঃ উম আৰম্ভ কৰ... এনেয়ে উৰুকা, মাছ-মাংস সকলো বিক্ৰীয়ে হ'ব এতিয়া।
ৰাতুল ঃ ধেইট্ কিহৰ বজাৰ কৰিব লাগে... ভাইহঁত আজি উৰুকা, চাউল আছেই। বাকীবোৰতো হৈ যাব (অলপ ইংগিত দি ক'লে) মাত্ৰ দালি, তেল, নিমখ, হালধিৰ যোগাৰ কৰ।
ৰাজু ঃ (ৰাজুৱে ইংগিত বুজি পাই ক'লে) কথাটো তই থিকে কৈছ...।
নয়ন ঃ কি... তহঁতি অকল দালিৰে ভাত খাবি?
ৰাতুল ঃ অই বেঙা কেতিয়া ক'লো দালিৰে ভাত খাম বুলি, উৰুকাৰ ৰাতি কি হয়।
নয়ন ঃ (অলপ সময় ভাবি) অ...।
গোটেইকেইটা হাঁহিবলৈ ধৰিলে।

সন্ধিয়াও নামি আহিছে। ল'ৰাহঁতেও বস্তু-যা-যোগাৰ কৰি প্ৰায় শেষেই কৰিছে। গাঁৱৰ ৰাইজে লাহে লাহে গোট খাইছে। ইমানতে ৰাতুলে কোন কোন আহিছে, নাই অহা চকু দিব ধৰিলে। ইমানতে ৰাজু আহিল—
ৰাজু ঃ ডিঙি মেলি মেলি কি চাই আছে'... জিৰাফ হ'বলৈ মন গৈছে নেকি?
ৰাতুল ঃ এহ্... নহয় অ' কোন কোন আহিলে চাইছো নহ'লে দালি ভাত খাব লাগিব।
ৰাজু ঃ অই... আমাৰ খুড়ীটিহঁত আহিলে নেকি চা অ...।
ৰাতুল ঃ কোন খুড়ীটি।
ৰাজু ঃ হেই আমাৰ অক' বৰুৱানী খুড়ীটি। অথনি চাউল আনিব যাওঁতে যিহে লোথোপা লোথোপা হাঁহকেইটা দেখিলো।
ৰাতুল ঃ অ' ৰহ চাওঁ ..... সৌৱা.... দুইটি টৰ্চ এটা লৈ আহি আছে।
ৰাজু তই ইয়াতে ৰ'... মই ওচৰৰ পৰা আহোঁগৈ।
খুড়ীটিৰ ওচৰত...
ৰাজু ঃ অ' খুড়ীটি বোলো আহিলে পিছে ইহঁত দুটা ক'ত মানে ভাইটি আৰু ভন্টি।
খুড়ীটি ঃ নাই অ' দুয়োটা মাহীয়েকৰ ঘৰলৈ গ'ল।
ৰাজু ঃ অ' ভালেই হ'ল নহ'লে।
খুড়ীটি ঃ কি? ভাল হ'ল!
ৰাজু ঃ নহয় মানে ... বিহুৰ দিনত নিজৰ মানুহখিনিৰ ওচৰলৈ যাব লাগে দিয়কচোন।
খুড়ীটি ঃ অ... হয় দে।


কোনোমতে ৰক্ষা পৰিছে ৰাজু। গাঁৱৰ প্ৰায় সকলো মানুহ ভোজত। চেগ বুজি সিহঁতকেইটাও নিজৰ কামত ওলাল। অলপ দেৰি পাছতে সিহঁতও উপস্থিত হ'লহি। খালী হাতেৰে যোৱা মানুহ মোনাই মোনাই শাক-পাচলি আৰু হোমেন, প্ৰাঞ্জল, লক্ষ্য, দিবাকৰৰ হাতত দুফালে দুটা দুটা হাঁহ আৰু কুকুৰা।

সময়ও হৈছে ভাত, আঞ্জা, মাংস সকলো ৰেডি। সকলোৱে এতিয়া খাবৰ বাবে বহিছে। খাই থকাৰ সময়ত ৰাজুৱে চেগ বুজি বৰুৱা খুড়াদেউক সুধিলে —
ৰাজু ঃ কিহে খুড়াদেউ হাঁহৰ মাংস কেনে লাগিছে।
খুড়াদেউ ঃ বঢ়িয়া ... হাঁহটো বেচ তেলি যেন পাইছোঁ... তাতে কোমোৰাৰ লগত। পিছে ক'ৰ পৰা আনিলি?
ৰাজু ঃ বাদ দিয়কহে ক'ৰ পৰা আনিলো আপুনি মুঠতে পেট ভৰাই খাওক, লাগিলে ক'ব আৰু আছে।

(এটা মিচিকিয়া হাঁহি মাৰি ৰাজু তাৰ পৰা গ'ল।) সকলো খাই বৈ ঘৰা-ঘৰি যাবলৈ ওলাল। ডেকাকেইটা তাতে থাকিব ৰাতিটো। সকলোৱে বিহু জুৰি জুৰি ঘৰলৈ বুলি বাট ল'লে।

পিছদিনা ৰাতিপুৱা যেতিয়া বৰুৱানী খুড়ীটি গৰালৰ ফালে যায় —
খুড়ীটি ঃ হেৰি শুনিছেনে, আমাৰ হাঁহ এটা নাই দেখোন (বাৰীৰ চাৰিওফালে চাই) আৰু কোমোৰা দুটা।
বৰুৱা ঃ কি... নাই! কি হ'ল।

বৰুৱা আৰু বৰুৱানীৰ আৰু একো বুজিবৰ বাকী নাথাকিল। খং আৰু হাঁহি যেন সংমিশ্ৰণ হৈ পৰিছে দুয়োৰে মনত। ঠিক একেই অৱস্থা গাঁৱৰ অন্য কিছুৰ ঘৰত।



# যুৱ মহোৎসৱৰ অভিজ্ঞতা



গায়ত্ৰী হাজৰিকা
তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

প্ৰায় এমাহ আগৰে পৰাই আৰম্ভ হয় অনুশীলন। যুৱ মহোৎসৱৰ বতাহে সেইকেইদিন মহাবিদ্যালয়ৰ চৌহদ গৰম কৰি ৰাখে। প্ৰথম যুৱ মহোৎসৱৰ একোৱেই বুজি পোৱা নাছিলো। প্ৰথম আমাক যুৱ মহোৎসৱলৈ যোৱাৰ কথা কৈছিল বৰদলৈ ছাৰে। তেতিয়া ২০২২ চনৰ এপ্ৰিল মাহৰ কথা। বৰদলৈ ছাৰে কোৱাৰ পাছত মুখত কেৱল যুৱমহোৎসৱৰ কথা। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে আয়োজন কৰা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ। এই অনুষ্ঠানটো যে বহুত ডাঙৰ অনুষ্ঠান তাত অংশগ্ৰহণ কৰিহে জানিব পাৰিছো।


এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ বহুতো প্ৰতিভাৰ প্ৰয়োজন হয়। সেই দিশেৰে মই বহুত সৌভাগ্যৱান, কিয়নো মই উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষতেই এই যুৱ মহোৎসৱত অংশগ্ৰহণ কৰিবলৈ সুবিধা পালো। ২০২২ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত কৰিছিল 'মহাবিদ্যালয় সপ্তাহ'। সেই মহাবিদ্যালয় সপ্তাহত আমাৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ নাটকখনে প্ৰথম স্থান লাভ কৰিছিলো আৰু ভাগ্যক্ৰমে মই সেইবাৰ ঢকুৱাখনা মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ অভিনেত্ৰী আছিলো। সেইবাৰেই হয়তো যুৱমহোৎসৱলৈ যোৱাৰ সুবিধা পালো।

মোৰ যদি ভুল হোৱা নাই তেন্তে ২০২২ চনৰ ৩ এপ্ৰিল তাৰিখে আৰম্ভ হৈছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয়ৰ যুৱমহোৎসৱ। সেইবাৰ অনুষ্ঠিত হৈছিল 'দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়'ত। পুৱা প্ৰায় ৯ বজাত আমাৰ মহাবিদ্যালয়ৰ পৰা ওলাই গৈ আবেলি প্ৰায় ৫ মান বজাতহে দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয় পাইছোগৈ। প্ৰথম মনটো বহুত ভাল, আনন্দ লাগি আছিল। তাৰ পাছত আমি গাড়ীৰ পৰা নমাৰ পাছতেই সেই মহাবিদ্যালয়ৰ N.C.C ৰ ছাত্ৰ-ছাত্ৰীসকলে আমাৰ বেগবোৰ ভিতৰলৈ নিয়াত সহায় কৰি দিছিল। তাৰ পাছত আমি তাৰ যিসমূহ কাৰ্যালয়ৰ কাম সেইসমূহ শেষ কৰি আমি আমাৰ ছোৱালীখিনি নিজৰ শোৱনি কোঠালৈ গ'লো। গোটেই চৌহদটো এনেকুৱা এটা পৰিৱেশ হৈ আছিল মানে ভাৱিব নোৱাৰা ভাল লগা। এফালে যদি ঢোল বজাইছে আনফালে দবা, কাঁহ লৈ আন এটা দলে গান গাই আছে। সঁচাই বৰ ধুনীয়া পৰিৱেশ।

পিছদিনাৰ পৰা আমাৰ প্ৰতিযোগিতা আৰম্ভ। যিহেতু আমি এদিন আগতেই গৈছিলো। মই তাত কেৱল 'মুকাভিনয়'ৰ প্ৰতিযোগিত কৰিবলৈহে গৈছিলো। বাকী সকলোবোৰৰ ভিতৰত প্ৰায়বো প্ৰতিযোগিতাই মই চাবলৈ পাইছিলো। বহুত বেছি শিকিলে এই অনুষ্ঠানটোৰ পৰা। এই যুৱমহোৎসৱৰ আটাইতকৈ বে ভাল লগা অনুষ্ঠান আছিল বঁটা বিতৰণী অনুষ্ঠানটো। বহুত বে ভাল লগা অনুষ্ঠান সেইটো। সেইবাৰ আমাৰ মহাবিদ্যালয়ে টা পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলো। জীৱনৰ এটা ভাল ল অভিজ্ঞতা এই যুৱমহোৎসৱৰ সেই অনুষ্ঠানটো। সেইবছ আমাৰ দলটোৰ তত্ত্বাৱধায়ক আছিল মনোৰঞ্জন বৰদলৈ ছাৰ

জন্মৰ পৰা নুশুনা এটা শব্দ 'যুৱ মহোৎসৱ' এই শব্দ প্ৰথম সেই তেতিয়াই শুনিছিলো। এই অনুষ্ঠানটোৰ পৰা ব শিকিলো। মোৰ এটা ভাল লগা কথা যে মই ঢকুৱাখ মহাবিদ্যালয়ত তিনি বছৰ পঢ়িছো আৰু তিনিওটা বৰ্ষ যুৱমহোৎসৱত মই অংশগ্ৰহণ কৰিবলৈ সুবিধা পালো। এ আপাহতে ঢকুৱাখনা মহাবিদ্যালয়লৈ অশেষ ধন্যবাদ।

শেষত জীৱনৰ এটা ভাল লগা বা আটাইতকৈ ভা অভিজ্ঞতা এই যুৱ মহোৎসৱৰ অভিজ্ঞতা। জীৱনত পাহৰি নোৱাৰা অভিজ্ঞতা। সকলোৰে মৰম, আদৰ, খং, গালি এইবো ভৰি আছে এই অভিজ্ঞতা। সদায় উজ্জ্বল হৈ থাকক 'ডিব্ৰুগ বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ'। ●








# সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদন






উত্তৰ অসমৰ শৈক্ষিক জগতখনত বটবৃক্ষৰ দৰে স্থিতপ্ৰজ্ঞ অৱস্থান কৰি থকা মহাবিদ্যালয়েই হৈছে আমাৰ অতি হেঁপাহৰ ঢকুৱাখনা মহাবিদ্যালয়। প্ৰায় ৫৮টা বছৰ গৰকা গৌৰৱ তথা গৰিমাৰে মণ্ডিত এই মহাবিদ্যালয় শত-সহস্ৰ স্বপ্নদ্ৰষ্টাৰ সাক্ষী। এগৰাকী ডি কেচিয়ান হিচাপে আজীৱন গৌৰৱ কৰিব পৰাকৈ হাজাৰজনৰ মাজত ময়ো এজন। এই মহাবিদ্যালয়তেই আমাৰ সামাজিক দায়িত্ব পালন তথা সেৱা কৰাৰ স্পৃহাই প্ৰাণ পাই উঠিছিল। ২০২৩-২৪ বৰ্ষটি মোৰ বাবে আছিল জীৱনৰ আটাইতকৈ বেছি প্ৰত্যাহ্বানমুখী সময় (বৰ্তমানলৈকে)। এইবছৰে এবুকু সপোন আৰু হেঁপাহ লৈ নিজৰ আত্মাত কঢ়িয়াই ফুৰা আপোন মহাবিদ্যালয়খনৰ স্বাৰ্থত সেৱা আগবঢ়াই যোৱাৰ উদ্দেশ্যে প্ৰত্যক্ষভাৱে ছাত্ৰ ৰাজনীতিত ভৰি দিছিলোঁ। স্ব-ইচ্ছাই আৰু অগ্ৰজ-অনুজসকলৰ প্ৰৱল দাবীত ২০২৩ বৰ্ষত হোৱা মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত মই সভাপতি হিচাপে নিজৰ প্ৰতিদ্বন্দিতা আগবঢ়াইছিলোঁ। সমূহ ডি কেচিয়ানৰ মৰম আৰু আশীবাদ আৰু পূৰ্ণ সহযোগিতা তথা সমৰ্থনত মই ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হ'লোঁ। তাৰ বাবে মই প্ৰত্যেকজন ডি কেচিয়ান ওচৰত আজীৱন কৃতজ্ঞ হৈ ৰ'ম।

সভাপতি হিচাপে নিৰ্বাচিত হোৱাৰ ঠিক পিছতেই আৰম্ভ হৈছিল মোৰ প্ৰকৃত যুদ্ধ। যুদ্ধক্ষেত্ৰত মই ন-ৰণুৱা। কিন্তু দুৰ্ভাগ্যক্ৰমে নতুন কৌশল আৰু ৰণ-নীতিবোৰ শিকাৰ ঠিক আগতেই সময়ে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিলে। সাধাৰণ নিৰ্বাচনত সভাপতি হিচাপে নিৰ্বাচিত হোৱাৰ ঠিক পাছতেই যান্মাসিকৰ চূড়ান্ত পৰীক্ষা। এই সময়খিনিত ব্যস্ততাৰ বাবে মহাবিদ্যালয়খনক লৈ কৰা পৰিকল্পনাবোৰ ন-কৈ আৰম্ভ কৰিব পৰা নাছিলোঁ।

পোনপ্ৰথমে ছাত্ৰ একতা সভাৰ সভাপতিৰ ৰূপত প্ৰথম দায়িত্ব হিচাপে মই ছাত্ৰ একতা সভাখনক শক্তিশালী আৰু সবলভাবে নেতৃত্ব দিয়াৰ প্ৰয়াস কৰিছিলোঁ। ছাত্ৰ একতা সভাৰ প্ৰত্যেকটো শাখাৰ কাৰ্যসূচীসমূহৰ সফল ৰূপায়ণত সম্পাদকসকলক সকলোপ্ৰকাৰে সহায় আৰু সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত ত্ৰুটি কৰা নাছিলোঁ। প্ৰায় চাৰে - চাৰিমহীয়া কাৰ্যকালত আশা কৰা ধৰণে পৰিকল্পনাবোৰ ১০০ শতাংশই ৰূপায়ণত সফল হ'ব নোৱাৰিলোঁ। তাৰ মাজতে কিছু কল্যাণকামী চিন্তাৰে কিছুমান গুৰুত্বপূৰ্ণ পদক্ষেপ হাতত লৈছিলোঁ। আমাৰ ছাত্ৰ একতা সভাৰ দ্বাৰা ৰূপায়ণ কৰা কাৰ্যবিৱৰণী চমুকৈ তলত দাঙি ধৰা হ'ল।

প্ৰথমটো কাৰ্য আছিল আন্তঃ মহাবিদ্যালয় প্ৰহ্লাদ গোহাঁই সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কাতি বিহু পালন কৰা হয় অসমীয়া বিভাগ আৰু সাংস্কৃতিক শাখা, ছাত্ৰ একতা সভাৰ উদ্যোগত। ইয়াৰ পাছতে মহাবিদ্যালয়ত ১৯-০১-২০২৪ তাৰিখে মহাবিদ্যালয় আৰু লাইছিয়ামৰ সহযোগত মাঘ বিহুৰ লগত সংগতি ৰাখি 'ভোগালী' উৎসৱ আয়োজন কৰা কৰা হয়। এই অনুষ্ঠানত থলুৱা সামগ্ৰীৰ বিপনী তথা বাণিজ্য মেলা, পৰম্পৰাগত খেল-ধেমালি আদি অনুষ্ঠিত কৰা হয়।



## প্ৰতিবেদন


১৫-১০-২০২৩ ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় টাইকোৱাণ্ড প্ৰতিযোগিতা প্ৰতিযোগী হিচাপে দুগৰাকী খেলুৱৈক প্ৰেৰণ কৰা হৈছিল। স্বৰ্ণ পদক বিজয়ী-প্ৰকাশ শৰ্মা, ব্ৰজ পদক বিজয়ী-নাৰায়ন দাসে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ সফলতা ২১-০১-২০২৪ অৰ পৰা ২৫-০১-২০২৪। সাংস্কৃতিক শোভাযাত্ৰা দলীয়, দ্বিতীয় স্থান। মিমিক্ৰি- শ্ৰীমান ৰিকুমণি গোহাঁই, তৃতীয় স্থান।

পোষ্টাৰ মেকিং শ্ৰীমান আশীষধন্য বৰুৱা, দ্বিতীয় স্থান। সৰ্বমুঠ তিনিটা সন্মানেৰে মহাবিদ্যালয়ৰ দলটিয়ে সফলতা কঢ়িয়াই আনিছে। সাংস্কৃতিক শোভাযাত্ৰাত একেৰাহে তৃতীয়বাৰলৈ বিজয়ী দলৰ খিতাপ ঢকুৱাখনা মহাবিদ্যালয়ে লাভ কৰিছে এইয়া আমাৰ কাৰ্যবিৱৰণী এটা ডাঙৰ সফলতা। ছাত্ৰ দিৱস উদ্‌যাপন ৩১-০৩-২০২৩ তাৰিখে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আভ্যন্তৰীণ মান নিৰূপন কোষ, ছাত্ৰ একতা সভা আৰু সংগীত ক্লাৱৰ উদ্যোগত বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মদেৱৰ জন্মদিনৰ উপলক্ষে ছাত্ৰ দিৱস উদ্‌যাপন কৰা হয়।

পোন প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ত গ্ৰন্থ মেলা অনুষ্ঠিত কৰা হয় আৰু তাৰ লগত সংগতি ৰাখি বিদ্যালয় সমূহৰ মাজত বিভিন্ন শাখাত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

আমাৰ বাবে আটাইতকৈ ডাঙৰ সফলতা আৰু সুখৰ খবৰ যে আমাৰ দিনতে মহাবিদ্যালয়খনে শেহতীয়াকৈ NAAC ৰ A গ্ৰেড আৰু স্বায়ত্তশাসিত মহাবিদ্যালয়লৈ পৰিণত হ'ল।

এয়া আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালত কৰা আমাৰ চমু কাৰ্যবিৱৰণী। সভাপতিৰ দৰে দায়িত্ব পালন কৰাত ক'ৰবাত অজানিতে অনেক ত্ৰুটি ৰৈ যোৱাটো স্বাভাৱিক। নামত যদিও ন-মাহ আছিলোঁ, তথাপি কিন্তু আমি আমাৰ কাৰ্যকালত আমি দেখা প্ৰত্যেকটো সপোন বাস্তৱত ৰূপায়ণ কৰাত সমৰ্থ নহ'লোঁ। যি কি নহওক আমাৰ এই যাত্ৰাত সহযাত্ৰী হিচাপে সংগ দিয়া আৰু পথ-প্ৰদৰ্শক হিচাপে সদায় বাট দেখুওৱা প্ৰত্যেকজন অগ্ৰজ-অনুজৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম। আলোচনা সমালোচনা সকলোবোৰ কৃতজ্ঞতাৰে মূৰ পাতি লৈছোঁ আৰু অজানিতে ৰৈ যোৱা ভুলবোৰো মাৰ্জনা কৰিব বুলি আশা কৰিছোঁ। কম সময়ৰ বাবে হ'লেও আপোনা কলেজখনক সেৱা কৰাৰ সুবিধা দিয়াৰ বাবে সকলো ডি কেচিয়ানলৈ পুনৰ ধন্যবা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।




জয়তু ঢকুৱাখনা মহাবিদ্যালয়
জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা

ৰিকুমণি গোহাঁই





# উপ-সভাপতিৰ প্ৰতিবেদন

## প্ৰতিবেদন




প্ৰতিবেদনৰ আৰম্ভনিতে ঢকুৱাখনা মহাবিদ্যালয়ৰ ২০২৩-২৪ বৰ্ষৰ 'ছাত্ৰ একতা সভা'ৰ সাধাৰণ নিৰ্বাচনত মোক নিৰ্বাচিত কৰি উপ-সভাপতিৰ পদত অধিষ্ঠিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই উপ-সভাপতিৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। ২৮ জানুৱাৰী তাৰিখৰ পৰা ৩ ফেব্ৰুৱাৰী তাৰিখলৈ এই সপ্তাহত উদ্‌যাপিত হয়। মই তৰ্ক, কুইজ আৰু বক্তৃতাৰ প্ৰতিযোগিতাসমূহৰ দায়িত্ব হাতত তুলি লৈছিলোঁ। প্ৰত্যেক শ্ৰেণীৰ প্ৰতিযোগিতাত প্ৰথম দ্বিতীয় আৰু তৃতীয় স্থান বাছি প্ৰমাণপত্ৰসহ পুৰস্কাৰ প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰোঁ।

মোৰ কাৰ্যকালত বিভাগীয় কাম-কাজত সকলো প্ৰকাৰে দিহা-পৰামৰ্শ দি মোক সহায় কৰা বাবে বিভাগীয় মুৰব্বীসকলক আৰু ছাত্ৰ একতা সভাৰ সকলো সদস্যক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ প্ৰতিটো কাম কাজত বিভিন্ন দিশত সহায় কৰাৰ বাবে মোৰ প্ৰিয় বন্ধু-বান্ধৱী আৰু অনুজ সকলক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত ঢকুৱাখনা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

।। জয়তু ঢকুৱাখনা মহাবিদ্যালয়।।





ধন্যবাদেৰে-

টুইনা দাস



প্ৰতিবেদন






# সাধাৰণ সম্পাদক


ঐতিহ্যমণ্ডিত ঢকুৱাখনা অঞ্চলৰ চাৰিকড়ীয়া নৈৰ পাৰত শিক্ষানুৰাগী
ৰাইজৰ বিপুল উৎসাহ আৰু সহযোগিতাত ১৯৬৬ চনৰ এক পবিত্ৰ ক্ষণত প্ৰতি
লাভ কৰা জ্ঞানৰ মন্দিৰ ঢকুৱাখনা মহাবিদ্যালয়ে প্ৰজ্ঞাৰ পোহৰেৰে দশো
আলোকিত কৰি ৫৭ টা শৈক্ষিক বৰ্ষ সফলতাৰে অতিক্ৰম কৰিবলৈ সক্ষম হৈ
বিগত বৰ্ষত ৰাষ্ট্ৰীয় মূল্যাঙ্কন আৰু প্ৰত্যাৰ্পণ পৰিষদ NAACৰ তৃতীয়
পৰিদৰ্শনত সন্মানজনক (এ) গ্ৰেড লাভেৰে গুণগত মানদণ্ডৰ দিশৰ পৰা
ৰাজ্যৰ ভিতৰতে এখন অগ্ৰণী শিক্ষানুষ্ঠানলৈ পৰিণত হৈছে। যিসকল মহান ব্যক্তি
ত্যাগ, কষ্ট আৰু আপ্ৰাণ চেষ্টাত মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিলে সেইস
ব্যক্তিক আজি এই পবিত্ৰ ক্ষণত শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। যি সকল মহাবিদ্যাল
শিক্ষক- শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আমাৰ মাজৰ পৰা অকালতে হেৰাই গৈ
সেইসকলকো আজি এই ক্ষণত শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। ১৯৬৬ চনত প্ৰতিষ্ঠা ল
কৰা ঢকুৱাখনা মহাবিদ্যালয়ত প্ৰথমে কলা শাখাত পাঠদানৰ ব্যৱস্থা আছিল যদি
পৰৱৰ্তী পৰ্যায়ত ১৯৮৮ চনৰ পৰা বিজ্ঞান শিক্ষাৰ পাতনি মেলাৰ পিছৰে প
বৰ্তমানে কলা আৰু বিজ্ঞান উভয় বিষয়তে পাঠদান চলি আছে। ইয়াৰ উপৰি
মহাবিদ্যালয়খনত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু ডিব্ৰু
বিশ্ববিদ্যালয়ৰ দূৰ শিক্ষা অধ্যয়নৰ কেন্দ্ৰ স্থাপনৰ জৰিয়তে অঞ্চলৰ আ
লোকসকলক দূৰ শিক্ষা পাঠ্যক্ৰম অধ্যয়নৰ সুবিধা প্ৰদান কৰি আহিছে। বৰ্তমা
আমাৰ মহাবিদ্যালয়খনত সৰ্বমুঠ ১৬৯০ জন ছাত্ৰ-ছাত্ৰী আছে। ইয়াৰে উচ্চ
মাধ্যমিক বিজ্ঞান শাখাত ৩৫৩ জন, কলা শাখাত ৪১১ জন, স্নাতক মহলাৰ বিজ্ঞা
শাখাৰ ৪২০ জন আৰু কলা শাখাৰ ৫০৮ জন ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আ
আমাৰ মহাবিদ্যালয়ত অসমীয়া, ইংৰাজী, সমাজ তত্ত্ব, নৃ-তত্ত্ব, বুৰঞ্জী, ৰাজনী
বিজ্ঞান, অৰ্থনীতি, প্ৰাণী বিজ্ঞান, পদাৰ্থ বিজ্ঞান, গণিত, ৰসায়ন, উদ্ভিদ বিজ্ঞা
মুঠ ১২ টা বিভাগত উচ্চমান বিষয় হিচাপে অধ্যয়নৰ সুবিধা থকাৰ লগতে
আৰু দৰ্শন, শিক্ষাতত্ত্ব, কম্পিউটাৰ, ইলেক্ট্ৰনিকচ আদি বিষয়ৰ সুবিধা আছে।

২০২৩-২০২৪ বৰ্ষৰ ঢকুৱাখনা মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত
অক্টোবৰ, ২০২৩ তাৰিখে মই শ্ৰী দিপক চুতীয়া সাধাৰণ সম্পাদক পদত নিৰ্বাচি
হওঁ। সভাপতিৰ পদত শ্ৰী ৰিকুমণি গোঁহাই, উপসভাপতিৰ পদত শ্ৰীমতী টুই
দাস, সহকাৰী সাধাৰণ সম্পাদক পদত শ্ৰী তপন গোহাঁই, সাহিত্য আৰু আলোচ
সম্পাদক পদত শ্ৰীমতী তনুশ্ৰী বৰুৱা, সাংস্কৃতিক সম্পাদক পদত শ্ৰী অভি
বুঢ়াগোহাঁই, তৰ্ক আৰু আলোচনা সম্পাদক পদত শ্ৰীমতী পৰশমনি বৰা, সমা
সেৱা সম্পাদক পদত শ্ৰীমতী তুলিকা বৰুৱা, ক্ৰীড়া শাখাৰ সম্পাদক পদত
সুলেখা ৰাণী কুম্বাং, ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক পদত শ্ৰী জ্যোতিষ্মান চ
ছাত্ৰী জিৰণি কোঠা সম্পাদিকা পদত শ্ৰীমতী জেৰিনা বুঢ়াগোহাঁই, শৰীৰ
সম্পাদক পদত বিমান চমুৱা নিৰ্বাচিত হয়। ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া
শপত গ্ৰহণ আৰু দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা নিষ্ঠা সহকাৰে মহাবিদ্যাল





প্ৰতিবেদন




উন্নয়নৰ হকে কাম কৰি যাবলৈ দৃঢ় সংকল্পবদ্ধ হওঁ। আমাৰ এই যাত্ৰাত মহাবিদ্যালয় পৰিয়ালৰ সহৃদয় সহায়-সহযোগিতা আৰু গঠনমূলক পৰামৰ্শ আমাৰ চিৰ কাম্য।

স্নেহৰ সতীৰ্থ বৃন্দক উদ্দেশ্যি কৰ্ত্ত ঢকুৱাখনা মহাবিদ্যালয়ে অবিৰাম, অনিৰুদ্ধ গতিৰে ধাবমান হৈছে অতীত ভেদি বৰ্তমানলৈ, বৰ্তমান ভেদি ভৱিষ্যতৰ জীপাল বুকুলৈ। নিজৰ শৈক্ষিক পথেৰে আগুৱাই মহাবিদ্যালয়খনিলৈ এসাগৰ নীলিম আশা হৈ নতুনকৈ অহা তোমালোক প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে এই পবিত্ৰ শিক্ষানুষ্ঠানভাগিৰ ঐতিহ্য উপলব্ধি কৰিব লাগিব, উপলব্ধি কৰিব লাগিব মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠাৰ সিপাৰে লুকাই থকা শত-সহস্ৰজনৰ মানসিক-শাৰীৰিক শ্ৰমৰ মূল্য। মহাবিদ্যালয়খনিক বুকুৰ মাজত সুমুৱাই লৈ আমি সকলোৱেই পোহৰৰ দিশে ক্ষীপ্ৰ গতিৰে খোজ দিব লাগিব। কেৱল শৈক্ষিক উত্তৰণেই নহয়, বৌদ্ধিক, মানসিক, সামাজিক, সাংস্কৃতিক সকলো দিশৰ উত্তৰণৰ লক্ষ্য আগত ৰাখি আমি সকলোৱে ঢকুৱাখনা মহাবিদ্যালয়ৰ যি গৌৰৱময় শৈক্ষিক ঐতিহ্য সেই ঐতিহ্যৰ ধাৰা অব্যাহত ৰাখি ভাৰতবৰ্ষৰ ভিতৰতে এখন নামজ্বলা শিক্ষানুষ্ঠানলৈ প্ৰতিষ্ঠা কৰাৰ সংকল্প ল'ব লাগিব আৰু এই সংকল্প বাস্তৱায়িত কৰিবলৈ মনে-প্ৰাণে কষ্ট, সাধনা কৰিব লাগিব।

মহাবিদ্যালয়খনিয়ে শিক্ষা আৰু প্ৰজ্ঞাৰ আলোকেৰে আলোকিত হৈ চাৰিকড়ীয়াৰ দুয়ো পাৰ পোহৰাই তোলক। তাৰে কামনাৰে সম্পাদকীয় প্ৰতিবেদন ইমানতে সামৰণি মাৰিছো।

জয়তু ঢকুৱাখনা মহাবিদ্যালয় ।

দিপক চুতীয়া
সাধাৰণ সম্পাদক
ঢকুৱাখনা মহাবিদ্যালয়



## সহঃ সাধাৰণ সম্পাদক

প্ৰতিবেদন




প্ৰতিবেদনৰ আৰম্ভণিতে ঢকুৱাখনা মহাবিদ্যালয়ৰ ২০২৩-২৪ বৰ্ষৰ 'ছাত্ৰ একতা সভা'ৰ সাধাৰণ নিৰ্বাচনত মোক মহাবিদ্যালয়ৰ সহঃ সাধাৰণ সম্পাদক পদত অধিষ্ঠিত কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই সহঃ সাধাৰণ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। ইংৰাজী ২৮ জানুৱাৰী তাৰিখৰ পৰা ৩ ফেব্ৰুৱাৰী তাৰিখলৈ এই সপ্তাহ উদ্‌যাপিত হৈছিল। মহাবিদ্যালয় সপ্তাহত মই আমাৰ ২০২৩-২৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সকলো সম্পাদক-সম্পাদিকাৰ লগত বিভিন্ন ধৰণেৰে সকলো কাম আগবঢ়াই নিছিলো।

মোৰ কাৰ্যকালত বিভাগীয় কাম-কাজত সকলো প্ৰকাৰে দিহা-পৰামৰ্শ দি মোক সহায় কৰাৰ বাবে বিভাগীয় মুৰব্বী সকলক আৰু ছাত্ৰ একতা সভাৰ সকলো সদস্যক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ প্ৰিয় বন্ধু-বান্ধৱী আৰু অনুজ সকলক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত ঢকুৱাখনা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।




ধন্যবাদেৰে-

তপন গোহাঁই





## সাংস্কৃতিক শাখাৰ সম্পাদক

প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিৰ চৰণত আমি সেৱা নিবেদন কৰিছোঁ, যিসকলৰ মহান ত্যাগ আৰু আশাশুধীয়া প্ৰচেষ্টাৰ বাবে আমাৰ মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠা লাভ কৰিছিল। এই আপাহতে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সন্মানীয় শিক্ষাগুৰু সকলৰ প্ৰতিও আমি আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

**কাৰ্যভাৰ গ্ৰহণ ঃ**

ঢকুৱাখনা মহাবিদ্যালয়ৰ ২০২৩-২৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ শপত গ্ৰহণ অনুষ্ঠানত ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানটিক সাফল্যৰ শীৰ্ষত থিয় কৰাই ছাত্ৰ ছাত্ৰীসকলক সুনাম অৰ্জনৰ বাবে উৎসাহ আগবঢ়োৱাৰ সংকল্প লৈছিলোঁ।


**কাৰ্য বিৱৰণী ঃ**



সাংস্কৃতিক শাখাৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিয়ে প্ৰথমটো সফলতা আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয়ে আয়োজন কৰা ২০২৩-২৪ বৰ্ষৰ যুৱমহোৎসৱখনিত। এই যুৱমহোৎসৱখনিৰ বিভিন্ন শাখাৰ প্ৰতিযোগিতা সমূহত আমাৰ মহাবিদ্যালয়ৰ পৰা সাংস্কৃতিক শাখাৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ শ্ৰীযুত মনোৰঞ্জন বৰদলৈ ছাৰৰ নেতৃত্বত এটা সক্ৰিয় ছাত্ৰ ছাত্ৰীৰ দলে অংশগ্ৰহণ কৰি ক্ৰমে আশীষ ধন্য বৰা 'ই পষ্টাৰ ডিজাইন' প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি দ্বিতীয় স্থান, ৰিকুমনি গোহাঁইয়ে মিমিক্ৰি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি তৃতীয় স্থান আৰু ছাত্ৰ-ছাত্ৰীৰ দলটোৱে সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি দ্বিতীয় স্থান লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়।

মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ৰ অনুমতি গ্ৰহণ কৰি সন্মানীয় শিক্ষাগুৰু সকলৰ পৰা পৰামৰ্শ আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সক্ৰিয় অংশগ্ৰহণেৰে ২০২৩-২৪ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহখনি ২৮ জানুৱাৰীৰ পৰা ৩ ফেব্ৰুৱাৰী লৈকে মুঠ ২৩ টা কাৰ্যসূচীৰে সাংস্কৃতিক শাখাৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হয়। ছাত্ৰ-ছাত্ৰী সকলৰ সক্ৰিয় অংশগ্ৰহণৰ বাবে এই বৰ্ষৰ মহাবিদ্যালয় সপ্তাহখনি সূচাৰু ৰূপে সম্পন্ন হয়। এই বৰ্ষৰ শ্ৰেষ্ঠ কণ্ঠশিল্পী সন্মান লাভ কৰে অসমীয়া বিভাগৰ দ্বিতীয় ষান্মাসিকৰ ছাত্ৰী ৰিকি সূতে।

২০২৩-২৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সদস্য ৰূপে তথা সাংস্কৃতিক শাখাৰ সম্পাদক হিচাপে আমাৰ কাৰ্যকালত পাৰ্যমানে সেৱা আগবঢ়াবলৈ চেষ্টা কৰিছিলোঁ যদিও পুঁজিৰ অভাৱত মোৰ কৰিবলগীয়া কিছুমান বিশেষ কাম আধৰুৱা হৈ ৰ'ল। তথাপিও মোৰ এবছৰীয়া কাৰ্যকালত সেৱা আগবঢ়োৱাত কেতিয়াও কৃপনালি কৰা নাছিলোঁ।




**কৃতজ্ঞতা স্বীকাৰ ঃ**

আমাৰ কাৰ্যকালত প্ৰতিটো মুহূৰ্ততে সু-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, সাংস্কৃতিক শাখাৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ শ্ৰীযুত মনোৰঞ্জন বৰদলৈ ছাৰকে প্ৰমুখ্য কৰি সন্মানীয় শিক্ষাগুৰু সকল, মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ কৰ্মচাৰীসকল, ছাত্ৰ একতা সভাৰ সকলো সদস্যকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত সদায় কৃতজ্ঞ আৰু ঋণী হৈ ৰ'লো।

প্ৰতিবেদনৰ শেষত আমাৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা-ভিক্ষা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ মংগল কামনা কৰি প্ৰতিবেদন সামৰিছোঁ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়

জয়তু ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা


-অভিনৱ বুঢ়াগোহাঁই



# শৰীৰ চৰ্চা সম্পাদক

প্ৰতিবেদন






প্ৰতিবেদনৰ প্ৰাক মুহূৰ্তেতেই যিসকল ব্যক্তিৰ আপ্ৰাণ চেষ্টা, ত্যাগ আৰু কষ্টৰ ফলত ঢকুৱাখনাৰ চাৰিকড়ীয়া নদীৰ পাৰত অসমৰ ভিতৰতে অন্যতম ঢকুৱাখনা মহাবিদ্যালয়খনি গঢ়ি উঠিছিল সেই সকল ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। লগতে সমূহ ঢকুৱাখনাবাসীলৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

২০২৩-২৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ দায়িত্ব ভাৱ গ্ৰহণ কৰোঁতে যি শপতনামা মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলে আমাক দিছিল তাক মই সদায় আখৰে-আখৰে পালন কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছিলোঁ। তথাপিও মানুহ মাত্ৰেই ভুল হয়। ময়ো নকওঁ যে মোৰ ভুল নোহোৱাকৈ থকা নাই। গতিকে অজানিতে বৈ যোৱা ভুল ক্ৰটীৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

মোৰ কাৰ্যকালৰ আৰম্ভণিতে মহাবিদ্যালয়ত এখন 'আন্তঃমহাবিদ্যালয় শিক্ষক ভলীবল' খেল প্ৰতিযোগিতা আয়োজন কৰা হৈছিল। অনুষ্ঠানটোৰ সকলো কাম শিক্ষাগুৰুসকলে গ্ৰহণ কৰিছিল যদিও আমি ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সকলোৱে যিমান পাৰো সহায় কৰিবলৈ চেষ্টা কৰিছিলো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু মাননীয় শিক্ষাগুৰুসকলৰ সহযোগত অনুষ্ঠানটো সুকলমে পাৰ হৈছিল। তাৰ পিছত আৰু বহুতো প্ৰতিযোগিতামূলক অনুষ্ঠান মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ পাছত পৰ্যায় মহাবিদ্যালয়ৰ সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। যিটো অনুষ্ঠান মোৰ জীৱনৰ প্ৰথম ডাঙৰ অনুষ্ঠান আছিল। বন্ধু বান্ধৱী আৰু শিক্ষাগুৰু সকলৰ পৰামৰ্শ আৰু সহযোগত এই অনুষ্ঠানটো সুকলমে অনুষ্ঠিত কৰিলোঁ। মোৰ কাৰ্যকালৰ শেষৰ অনুষ্ঠান বুলি ক'ব সেইয়া হ'ল সৰস্বতী পূজা। এই অনুষ্ঠানভাগি আমি সকলো ছাত্ৰ একতা সভাৰ সদস্য সম্পাদক আৰু সভাপতিৰ লগত মিলি অতি উলহ-মালহেৰে উদ্‌যাপন কৰিলোঁ। এই অনুষ্ঠানসমূহৰ উপৰিও প্ৰতি বছৰে মহাবিদ্যালয়খনৰ প্ৰাঙ্গনত বহাগ মাহত 'পৰম্পৰা এটা দিন' নামৰ অনুষ্ঠানটো আয়োজন কৰা হয়। ইয়াৰোপৰি বিভিন্ন সময়ত, বিভিন্ন দিৱসৰ লগত সম্বৰ্ধনা অনুষ্ঠানো আয়োজন কৰা হয়। সেইয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলকেই হওক বা অন্য সমাজকৰ্মী ব্যক্তিয়েই হওক।

মই গৌৰৱ অনুভৱ কৰোঁ ঢকুৱাখনা অঞ্চলৰ এখন অতি আগৰ মহাবিদ্যালয়ৰ ছাত্ৰ হ'বলৈ পায়। মহাবিদ্যালয়খনৰ বিগত বৰ্ষৰ দৰে এই বছৰো উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৯৪% শিক্ষাৰ্থীয়ে উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে। ইয়াৰোপৰি ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যাপন পৰিষদ (NAAC) ৰ সন্মানীয় 'A' গ্ৰেড প্ৰাপ্ত এখন প্ৰগতিশীল মহাবিদ্যালয়।

সদৌ শেষত মোৰ কাৰ্যকালৰ প্ৰতিটো মুহূৰ্তেতে দিহা পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শৰীৰ চৰ্চা বিভাগৰ সঞ্চালক ড° পংকজ দলে ছাৰ আৰু সকলো শিক্ষাগুৰু, কৰ্মচাৰীৰ লগতে বন্ধু-বান্ধৱী সকলোকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে গুৰুত্বপূৰ্ণ কাম কাজসমূহত অজানিতে বৈ যোৱা ভুল ক্ৰটীৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলোঁ।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"

সেৱাৰে -

**বিমান চমুৱা**






# ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক

প্ৰতিবেদন






প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জনাইছোঁ, "যিসকলে মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা মহান ব্যক্তিসকলৰ গৌৰৱ, মৰ্যাদা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে।"

সৰ্বপ্ৰথমে যি সকল মহান মনীষীৰ পৰিশ্ৰম, ত্যাগ, সৃষ্টিশীল মনোভাৱ আৰু বলিষ্ঠ পদক্ষেপৰ বাবে ঢকুৱাখনা মহাবিদ্যালয়ে আজিৰ এই উন্নয়ন সাধিবলৈ সক্ষম হৈছে, সেইসকল ব্যক্তিক সোঁৱৰাৰ লগতে মহাবিদ্যালয়ৰ পৰিয়ালৰ সকলোটিলৈ কৃতজ্ঞতা আৰু শ্ৰদ্ধা নিবেদিছোঁ।

ছাত্ৰ একতা সভাৰ ২০২৩-২৪ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰা নাছিলো যদিও জিৰণি কোঠাৰ সম্পাদকৰূপে দায়িত্বভাৰ ন্যস্ত কৰা হয়। শপত গ্ৰহণ অনুষ্ঠানৰ পিছতেই ছাত্ৰ একতা সভাৰ বিভাগীয় কামত জড়িত হৈ পৰো।

কাৰ্যভাৰ গ্ৰহণৰ পিছতেই ছাত্ৰ-একতা সভাৰ দ্বাৰা আয়োজিত প্ৰথম পদক্ষেপ আছিল মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয়ৰ লগত সংগতি ৰাখি ছাত্ৰ জিৰণি কোঠাৰ খেলসমূহ অনুষ্ঠিত কৰা হয়। এইবাৰ বিশেষকৈ ছাত্ৰ জিৰণি কোঠাৰ খেলসমূহ — কেৰম (একক), কেৰম (যুটীয়া), বেডমিন্টন (একক), বেডমিন্টন (যুটীয়া), টেবুল টেনিছ (একক), টেবুল টেনিছ (যুটীয়া) আৰু দবাখেল অনুষ্ঠিত হয়। মহাবিদ্যালয় ছাত্ৰ সকলৰ উপস্থিতি আৰু অংশগ্ৰহণে প্ৰতিযোগিতাখনি সাফল্যমণ্ডিত কৰি তোলে।

মোৰ কাৰ্যকালত প্ৰতিটো দিশত দিহা পৰামৰ্শৰে সহযোগ দিয়া তত্বাৱধায়ক মহোদয়, শ্ৰীযুত লোহিত মৰাং ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেখেতৰ দিহা পৰামৰ্শ অবিহনে মোৰ কাৰ্যকালত ইমানখিনি দায়িত্ব সূচাৰুৰূপে পালন কৰা সম্ভৱ নহ'লহেঁতেন। লগতে মহাবিদ্যালয়ৰ প্ৰতিটো কামতে সহায় কৰা দাদা সকল আৰু বন্ধুসকল ক্ৰমে ৰাকেশ দা, খগেন দা, সপোন, অমৰ, বন্দিত সকলোকে অশেষ ধন্যবাদ জনাইছোঁ।

২০২৩-২৪ বৰ্ষৰ কাৰ্যকালত কেতিয়া কেনেধৰণৰ পৰিস্থিতিত কি কি ভুল কৰিছিলো সেইয়া মোৰ অজ্ঞাত। এই সকলো ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ। শেষত ঢকুৱাখনা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়
জয়তু ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

**- জ্যোতিষ্মান চমুৱা**

# মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহৰ ফলাফল

## সাহিত্য প্ৰতিযোগিতা

**প্ৰাচীৰ পত্ৰিকা —**
প্ৰথম স্থান – প্ৰাণীবিজ্ঞান বিভাগ
দ্বিতীয় স্থান – ইংৰাজী বিভাগ
তৃতীয় স্থান – পদাৰ্থ বিজ্ঞান বিভাগ

**অসমীয়া কবিতা আবৃত্তি —**
প্ৰথম স্থান – ৰিকুমণি গোহাঁই (ৰাজনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় স্থান – সবিতা বৰুৱা(অসমীয়া বিভাগ)
তৃতীয় স্থান – লিনামণি বৰুৱা(ৰাজনীতি বিজ্ঞান বিভাগ)

**ইংৰাজী কবিতা আবৃত্তি —**
প্ৰথম স্থান – ৰিকুমণি গোহাঁই (ৰাজনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় স্থান – মেঘালী গোহাঁই (ইতিহাস বিভাগ)
তৃতীয় স্থান – অভিনৱ নেওগ (ৰসায়ন বিজ্ঞান বিভাগ)

**অসমীয়া বাতৰি পঠন —**
প্ৰথম স্থান – ৰিকুমণি গোহাঁই (ৰাজনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় স্থান – মেঘালী গোহাঁই (ইতিহাস বিভাগ)
তৃতীয় স্থান – নৱজ্যোতি বৰগোহাঁই (ৰাজনীতি বিজ্ঞান বিভাগ)

**ইংৰাজী বাতৰি পঠন —**
প্ৰথম স্থান – সুষ্মা দলে (ইতিহাস বিভাগ)
দ্বিতীয় স্থান – মেঘালী গোহাঁই (ইতিহাস বিভাগ)
ৰিকুমণি গোহাঁই (ৰাজনীতি বিজ্ঞান বিভাগ)
তৃতীয় স্থান – অভিনৱ নেওগ (ৰসায়ন বিজ্ঞান বিভাগ)

**ঘৰত লিখা কবিতা —**
প্ৰথম স্থান – পংকজ চক্ৰৱৰ্তী (অসমীয়া বিভাগ)
দ্বিতীয় স্থান – দীপৰঞ্জন দত্ত (ৰসায়ন বিজ্ঞান বিভাগ)
তৃতীয় স্থান – চয়নিকা দত্ত (প্ৰাণী বিজ্ঞান বিভাগ)

**ঠাইতে লিখা কবিতা —**
প্ৰথম স্থান – পংকজ চক্ৰৱৰ্তী (অসমীয়া বিভাগ)
দ্বিতীয় স্থান – বৰ্ণালী ভৰালী (অসমীয়া বিভাগ)
তৃতীয় স্থান – লীনামণি বৰুৱা (ৰাজনীতি বিজ্ঞান বিভাগ)

**ঘৰত লিখা ৰস ৰচনা —**
প্ৰথম স্থান – চয়নিকা চুতীয়া (জীৱ বিজ্ঞান বিভাগ)
দ্বিতীয় স্থান – সীমাশ্ৰী গগৈ (প্ৰাণী বিজ্ঞান বিভাগ)
তৃতীয় স্থান – লীনামণি বৰুৱা (ৰাজনীতি বিজ্ঞান বিভাগ)

**বোলছবি সমালোচনা —**
প্ৰথম স্থান – পংকজ চক্ৰৱৰ্তী(অসমীয়া বিভাগ)
দ্বিতীয় স্থান – মিতালী বৰঠাকুৰ (ৰাজনীতি বিজ্ঞান বিভাগ)
তৃতীয় স্থান – সীমাশ্ৰী গগৈ (প্ৰাণী বিজ্ঞান বিভাগ)

**গ্ৰন্থ সমালোচনা —**
প্ৰথম স্থান – বিকাশজ্যোতি বৰগোহাঁই (ৰসায়ন বিজ্ঞান )
দ্বিতীয় স্থান – পংকজ চক্ৰৱৰ্তী (অসমীয়া বিভাগ)
তৃতীয় স্থান – চয়নিকা দত্ত (প্ৰাণী বিজ্ঞান বিভাগ)

**ঠাইতে লিখা প্ৰবন্ধ প্ৰতিযোগিতা —**
প্ৰথম স্থান – পংকজ চক্ৰৱৰ্তী (অসমীয়া বিভাগ)
দ্বিতীয় স্থান – মিতালী বৰঠাকুৰ (ৰাজনীতি বিজ্ঞান বিভাগ)
তৃতীয় স্থান – নিমিষা বৰা (ইতিহাস বিভাগ)

**ঘৰত লিখা প্ৰবন্ধ প্ৰতিযোগিতা —**
প্ৰথম স্থান – দ্বীপৰঞ্জন দত্ত (ৰসায়ন বিজ্ঞান বিভাগ)
দ্বিতীয় স্থান – পংকজ চক্ৰৱৰ্তী (অসমীয়া বিভাগ)
তৃতীয় স্থান – তুলিকা শইকীয়া(প্ৰাণী বিজ্ঞান বিভাগ)

**চিত্ৰাংকন প্ৰতিযোগিতা —**
প্ৰথম স্থান – তীক্ষ্ণজ্যোতি বৰুৱা (ৰাজনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় স্থান – মহেন্দ্ৰ কোঁৱৰ (ৰাজনীতি বিজ্ঞান বিভাগ)
তৃতীয় স্থান – চয়নিকা চুতীয়া (জীৱ বিজ্ঞান বিভাগ)

**পষ্টাৰ মেকিং —**
প্ৰথম স্থান – আশীষধন্য বৰুৱা (ইতিহাস বিভাগ)
দ্বিতীয় স্থান – চয়নিকা চুতীয়া (জীৱ বিজ্ঞান বিভাগ)
তৃতীয় স্থান – মহেন্দ্ৰ কোঁৱৰ (ৰাজনীতি বিজ্ঞান বিভাগ)



**কাৰ্টুন —**
উদগনি বঁটা – মহেন্দ্ৰ কোঁৱৰ (ৰাজনীতি বিজ্ঞান বিভাগ)
**কলাজ —**
উদগনি বঁটা – লিচা গোহাঁই (প্ৰাণী বিজ্ঞান বিভাগ)

**ঠাইতে লিখা চুটিগল্প —**
প্ৰথম স্থান –মেঘালী গোহাঁই (ইতিহাস বিভাগ)
দ্বিতীয় স্থান – তুলিকা গগৈ (প্ৰাণী বিজ্ঞান বিভাগ)
তৃতীয় স্থান – নিমিষা বৰা (ইতিহাস বিভাগ)

**ঘৰত লিখা চুটিগল্প —**
প্ৰথম স্থান – লীনামণি বৰুৱা (ৰাজনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় স্থান – সীমাশ্ৰী গগৈ (প্ৰাণী বিজ্ঞান বিভাগ)
তৃতীয় স্থান – ত্ৰিবেণী গোহাঁই (ৰসায়ন বিজ্ঞান বিভাগ)

**ঘৰত লিখা উপন্যাসিকা —**
প্ৰথম স্থান – সীমাশ্ৰী গগৈ (প্ৰাণী বিজ্ঞান বিভাগ)

**স্মৃতি পৰীক্ষা —**
প্ৰথম স্থান – পূজা বৰুৱা (ইতিহাস বিভাগ)
দ্বিতীয় স্থান – পংকজ চক্ৰৱৰ্তী (অসমীয়া বিভাগ)
তৃতীয় স্থান – ঋষিকেশ হাজৰিকা (ইতিহাস বিভাগ)

**আকস্মিক বক্তৃতা —**
প্ৰথম স্থান – বিকাশজ্যোতি গোহাঁই (ৰসায়ন বিজ্ঞান বিভাগ)
দ্বিতীয় স্থান – তৃষ্ণা গগৈ (ৰাজনীতি বিজ্ঞান বিভাগ)
তৃতীয় স্থান – ৰিকুমণি গোহাঁই (ৰাজনীতি বিজ্ঞান বিভাগ)

## Games & Sports :

**100 mt. (Boys)**
First Kailash Dutta, 4th Sem, Pol. Science
Second- Khagen Doley,4th Sem, Chemistry
Third Bijoy Pegu, 4th Sem, Assamese

**100 mt. (Girls')**
First Tina Lagachu, History
Second- Meri Borgohain, 6th Sem, Zoology
Third Gitashree Dihingia,2nd Sem,Anthropology

**200 mt. (Boys)**
First Kailash Dutta, 4th Sem, Pol. Science
Second Trailuky Sonowal, 6th Sem, Pol. Science
Third Anuj Khanikar, 2nd Sem, Pol. Science

**200mt. (Girls')**
First Pompi Hazarika,6th Sem, Zoology
Second Meri Borgohain,6th Sem, Zoology
Third Smriti Das, 4th Sem, Pol. Science

**400 mt. (Boys)**
First Kailash Dutta, 4th Sem, Pol. Science
Second Trailukya Sonowal,6th Sem,Pol. Science
Third Rajkumar Barpatra,6th Sem,Mathematics

**400 mt. (Girls')**
First Pompi Hazarika,6th Sem, Zoology
Second Meri Borgohain,6th Sem, Zoology
Third Tina Lagachu Semester, History

**800 mt. (Boys)**
First Kailash Dutta,4th Sem, Pol. Science
Second Trailukya Sonowal,6th Sem,Pol. Science
Third Aluk Kr. Deori,6th Sem,Pol. Science

**800 mt. (Girls')**
First Pompi Hazarika,6th Sem,Zoology
Second Dipanjalu Pogag,2nd Sem,History
Third Sridevi Doley, 2nd Sem,Chemistry

**1600 mt. (Boys)**
First Trailukya Sonowal,6th Sem,Pol. Science
Second Aluk Kr. Deori,6th Sem, Pol. Science
Third Rajkumar Barpatra,6th Sem,Mathematics

**5000 mt. (Boys)**
First Trailukya Sonowal,6th Sem,Pol. Science
Second Amar Doley,6th Sem, Pol. Science
Third Aluk Kr. Deori,6th Sem,Pol. Science

**Marathon–**
First Trailukya Sonowal,6th Sem,Pol. Science
Second Aluk Kr. Deori,6th Sem,Pol. Science
Third Rajkumar Barpatra,6th Sem,Mathematics

**Shot Put (Girls')**
First Nightangle Patir,2nd Sem,Mathematics
Second Sulekha Kumbang,2nd Sem,Pol. Science
Third Meri Borgohain,4th Sem,Zoology

**Shot Put (Boys)**
First Harish Konwar,6th Sem,Anthropology
Second Amar Doley,6th Sem, Pol. Science
Third Himanta Konch,4th Sem, Botany

**Discuss (Girls')**
First Sulekha Kumbang,4th Sem,Pol. Science
Second Nightangle Patir,2nd Sem,Mathematics
Third Meri Borgohain,6th Sem,Zoology

**Discuss (Boys)**
First Amar Doley,6th Sem,Pol. Science
Second Himanta Konch,4th Sem,Botany
Third Hemanta Doley,2nd Sem,Mathematics

**Javelin (Boys)**
First Amar Doley,6th Sem, Pol. Science
Second Abhijit Kumbang,2nd Sem,Chemistry

**Long Jump (Boys)**
First Kailash Dutta,4th Sem ,Pol. Science
Second Amar Doley, 6th Sem,Pol. Science
Third Amarjyoti Chandi,4th Sem,Mathematics

**Long Jump (Girls')**
First Meri Borgohain,6th Sem,Zoology
Second Pompi Hazarika,6th Sem,Zoology

**Best Athlete (Boys)**
Kailash Dutta,4th Sem,Pol. Science
**Best Athlete (Girls')**
Pompi Hazarika, 6th Sem, Zoology

**Group Event of Games & Sports**

| | |
|---|---|
| **Kabadi (Boys)** | |
| Champion- | Physics |
| Runner up | Mathematics |
| **Kabadi (Girls')** | |
| Champion | Chemistry |
| Runner up | Zoology |
| **Cricket (Boys)** | |
| Champion | Pol. Science |
| Runner up | H.S. 2nd Year (Arts) |
| **Cricket (Girls')** | |
| Champion | Chemistry |
| Runner up | Zoology |
| **Football (Boys)** | |
| Champion | Mathematics |
| Runner up | Zoology |
| **Volley Ball (Boys)** | |
| Champion | HS 2nd Year (Arts) |
| Runner up | HS 2nd Year (Science) |

**ভেশচন (একক)**
প্ৰথম গণিত বিভাগ — চোঁ
দ্বিতীয় ইতিহাস বিভাগ — দুৰ্ঘটনা
তৃতীয় ৰাজনীতি বিজ্ঞান বিভাগ — আইতাৰ সাধু

**ৰংগুলী**
প্ৰথম প্ৰাণীবিজ্ঞান বিভাগ
দ্বিতীয় ইংৰাজী বিভাগ
তৃতীয় উচ্চতৰ মাধ্যমিক কলা১ ,অসমীয়া বিভাগ

**বৰগীত**
প্ৰথম ৰিকি সূত, অসমীয়া বিভাগ
দ্বিতীয় নেহা গোহাঁই , অসমীয়া বিভাগ
তৃতীয় যাদব চুতীয়া ,ৰাজনীতি বিভাগ
ত্ৰিবেণী গোহাঁই ,ৰসায়ণ বিজ্ঞান বিভাগ

**ৰাভা সংগীত**
প্ৰথম নেহা গোহাঁই, অসমীয়া বিভাগ
দ্বিতীয় ৰিকি সূত,অসমীয়া বিভাগ
মদন দলে, প্ৰাণীবিজ্ঞান বিভাগ
তৃতীয় মিতালী বৰঠাকুৰ, ৰাজনীতি বিজ্ঞান বিভাগ
অনামিকা বৰুৱা, উচ্চতৰ মাধ্যমিক ২ কলা

**জ্যোতি সংগীত**
প্ৰথম ৰিকি সূত, অসমীয়া বিভাগ
দ্বিতীয় ত্ৰিবেণী গোহাঁই ,ৰসায়ন বিজ্ঞান বিভাগ
তৃতীয় নেহা গোহাঁই,অসমীয়া বিভাগ
মিতালী বৰঠাকুৰ,ৰাজনীতি বিজ্ঞান বিভাগ

**জয়ন্ত হাজৰিকাৰ গীত**
প্ৰথম ৰিকি সূত,অসমীয়া বিভাগ
মিতালী বৰঠাকুৰ, ৰাজনীতি বিজ্ঞান বিভাগ
দ্বিতীয় নেহা গোহাঁই,অসমীয়া বিভাগ
তৃতীয় মদন দলে, প্ৰাণীবিজ্ঞান বিভাগ
অনামিকা বৰুৱা,উচ্চতৰ মাধ্যমিক ২ কলা

**ভূপেন্দ্ৰ সংগীত**
প্ৰথম ৰিকি সূত,অসমীয়া বিভাগ
দ্বিতীয় ত্ৰিবেণী গোহাঁই,ৰসায়ন বিজ্ঞান বিভাগ
তৃতীয় অনামিকা বৰুৱা,উচ্চতৰ মাধ্যমিক ২ কলা



**লোকগীত (একক)**
প্ৰথম ৰিকি সূত,অসমীয়া বিভাগ
মদন দলে,প্ৰাণীবিজ্ঞান বিভাগ
দ্বিতীয় খনিন্দ্ৰ দাস,উচ্চতৰ মাধ্যমিক ২, কলা
নেহা গোহাই,অসমীয়া বিভাগ
তৃতীয় ত্ৰিবেণী গোহাঁই,ৰসায়ণ বিজ্ঞান বিভাগ
অনামিকা বৰুৱা,উচ্চতৰ মাধ্যমিক ২, কলা

**আধুনিক গীত**
প্ৰথম ৰিকি সূত,অসমীয়া বিভাগ
দ্বিতীয় বিষ্ণু দলে,ৰাজনীতি বিজ্ঞান বিভাগ
অনামিকা বৰুৱা,উচ্চতৰ মাধ্যমিক ২, কলা
তৃতীয় তুলিকামণি পায়েং গাম,প্ৰাণীবিজ্ঞান বিভাগ

**পাৰ্বতী প্ৰসাদৰ গীত**
প্ৰথম ৰিকি সূত,অসমীয়া বিভাগ
দ্বিতীয় নেহা গোহাঁই,অসমীয়া বিভাগ
অনামিকা বৰুৱা,উচ্চতৰ মাধ্যমিক ২, কলা
তৃতীয় বিষ্ণু দলে,ৰাজনীতি বিজ্ঞান বিভাগ
ত্ৰিবেণী গোহাঁই,ৰসায়ণ বিজ্ঞান বিভাগ

**লোকসংগীত (দলীয়)**
প্ৰথম ইতিহাস বিভাগ
দ্বিতীয় অসমীয়া বিভাগ
তৃতীয় ৰাজনীতি বিজ্ঞান বিভাগ
নৃতত্ব বিভাগ

**সমবেত সংগীত (দলীয়)**
প্ৰথম অসমীয়া বিভাগ
দ্বিতীয় ৰাজনীতি বিজ্ঞান বিভাগ
তৃতীয় প্ৰাণীবিজ্ঞান বিভাগ
ৰসায়ণ বিজ্ঞান বিভাগ

**ঢোল বাদন**
প্ৰথম অনুজ খনিকৰ,ৰাজনীতি বিজ্ঞান বিভাগ
উজ্জ্বল চুতীয়া,ৰাজনীতি বিজ্ঞান বিভাগ
দ্বিতীয় ধৰ্মনাভ গগৈ,গণিত বিভাগ
তৃতীয় টনু পেগু ,গণিত বিভাগ
ৰুণিপল গগৈ,ৰাজনীতি বিজ্ঞান বিভাগ

**গগনা**
প্ৰথম ধৰ্মনাভ গগৈ, গণিত বিভাগ
দ্বিতীয় লীনা ৰয় ,অসমীয়া বিভাগ
তৃতীয় ৰাজশ্ৰী চাংমাই,ৰাজনীতি বিজ্ঞান বিভাগ

**তবলা**
প্ৰথম অভিনৱ বুঢ়াগোহাঁই,পদাৰ্থ বিজ্ঞান বিভাগ
দ্বিতীয় ৰুণিপল গগৈ,ৰাজনীতি বিজ্ঞান বিভাগ
তৃতীয় ধৰ্মনাভ গগৈ,গণিত বিভাগ

**পেঁপা, খোল, বাঁহী** বাতিল কৰা হৈছে

**অসমীয়া সংস্কৃতিৰ উপস্থাপন (দলীয়)**
প্ৰথম ইতিহাস বিভাগ
দ্বিতীয় অসমীয়া বিভাগ
তৃতীয় ৰাজনীতি বিজ্ঞান
প্ৰাণীবিজ্ঞান বিভাগ

**শাস্ত্ৰীয় নৃত্য (একক)**
প্ৰথম দ্বীপজ্যোতি বৰুৱা,ৰাজনীতি বিজ্ঞান বিভাগ
দ্বিতীয় চয়নিকা দত্ত,প্ৰাণীবিজ্ঞান বিভাগ
তৃতীয় অংকুৰ বিকাশ বৰুৱা,অসমীয়া বিভাগ

**আধুনিক নৃত্য (একক)**
প্ৰথম মিতালী বৰঠাকুৰ, ৰাজনীতি বিজ্ঞান বিভাগ
দ্বিতীয় গায়ত্ৰী হাজৰিকা, অসমীয়া বিভাগ
কাজুশ্ৰী বেজ,ৰাজনীতি বিজ্ঞান বিভাগ
তৃতীয় জিমি দলে,ৰাজনীতি বিজ্ঞান বিভাগ
অনুৰাধা পাতিৰ, ৰসায়ন বিভাগ

**আধুনিক নৃত্য (দলীয়)**
প্ৰথম ইতিহাস বিভাগ
দ্বিতীয় নৃতত্ব বিভাগ
উদ্ভিদ বিজ্ঞান বিভাগ
তৃতীয় প্ৰাণী বিজ্ঞান বিভাগ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)

**লোকনৃত্য (দলীয়)**
প্ৰথম ৰাজনীতি বিজ্ঞান বিভাগ
দ্বিতীয় ইতিহাস বিভাগ
তৃতীয় প্ৰাণীবিজ্ঞান বিভাগ

**একক অভিনয়**

প্ৰথম ৰিকুমণি গোহাঁই,ৰাজনীতি বিজ্ঞান বিভাগ
দ্বিতীয় জিমি দলে,ৰাজনীতি বিজ্ঞান বিভাগ
তৃতীয় শৌণকজ্যোতি চমুৱা,উঃ মাঃ প্ৰথম বৰ্ষ, কলা

**একাংক নাট প্ৰতিযোগিত**

প্ৰথম *চুইচাইড় নোট*, ৰাজনীতি বিজ্ঞান বিভাগ
দ্বিতীয় *ধনবৰ-ৰতনী*, অসমীয়া বিভাগ
তৃতীয় *চোলা*, নৃতত্ত্ব বিভাগ

**সাংস্কৃতিক শোভাযাত্ৰা**

প্ৰথম অসমীয়া বিভাগ
দ্বিতীয় প্ৰাণীবিজ্ঞান বিভাগ
তৃতীয় নৃতত্ত্ব বিভাগ
গণিত বিভাগ

**পৰম্পৰাগত পিঠা-পনা প্ৰতিযোগিতা**

প্ৰথম উদ্ভিদ বিজ্ঞান বিভাগ
দ্বিতীয় অসমীয়া বিভাগ
তৃতীয় ৰাজনীতি বিজ্ঞান বিভাগ

**শ্ৰেষ্ঠ কণ্ঠশিল্পী** — ৰিকি সূত, অসমীয়া বিভাগ *(গীত শাখাৰ সৰ্বমুঠ ৮ টা প্ৰতিযোগিতাৰ ৭ টাতেই প্ৰথম স্থান বা স্বৰ্ণপদক লাভ কৰাৰ বাবে)*

**Weight Lifting**

**90 Kg Above**
First Partha Pratim Lagachu (Physice)
Second Abhijit Kumbang (Chemistry)
**70-80 Kg**
First Ashish Dhanya Borah (History)
Second Harish Konwar (Anthropology)
Third Mukunda Madhab Konch (History)
**50-60 Kg**
First Himanta Das (Assamese)
Second Ajoy Pegu (History)
Third Hitesh Pegu (Mathematics)

**Power Lifting**

**90 Kg**
First Partha Pratim Lagachu (Physics)
Second Abhijit Kumbang (Chemistry
Third Surajit Chutia (Chemistry)

**70-80 kg**
First Harish Konwar (Anthropology)
Second Ashish Dhanya Borah (History)
Third Mukunda Madhav Konch (History)
**50-60 Kg**
First Himanta Das (Assamese)
Second Ajoy Pegu (History)
Third Hitesh Pegu (Mathematics)

**Body Show**
First Asish Dhanya Borah (Mr. DKC. 2024)
Second Harish Konwar
Third Ajoy Pegu

**IRON MAN**
Ashish Dhanya Borah (History) (DKC. 2024)

**STRONG MAN**
Parth Pratim Lagachu (Physics) (DKC. 2024)

**IRON WOMEN**
Marry Borgohain (Zoology) (DKC. 2024)

**STRONG WOMEN**
Marry Borgohain (Zoology) (DKC. 2024)

**Weight Lifting**
**50-60 Kg**
First Niha Doley, Chemistry
Second Suman Khanikar, Zoology
**70 Kg**
First Marry Borgohain, Zoology
Second Sona Konwar, Zoology
Third Nitingle Patir, Mathematics
**Power Lifting**
First Marry Borgohain, Zoology
Second Suman Khanikar,Zoology
Third Sukanya Borah,Chemistry

**পাঞ্জা (ল'ৰা)**
প্ৰথম পাৰ্থ প্ৰতিম লাগাছু, পদাৰ্থ বিজ্ঞান বিভাগ (পাঞ্জাবীৰ ২০২৪)
দ্বিতীয় অৰ্ণৱ দলে,ৰসায়ণ বিজ্ঞান বিভাগ
তৃতীয় অমৰ দলে, ৰাজনীতি বিজ্ঞান বিভাগ

**পাঞ্জা (ছোৱালী)**
প্ৰথম মেৰী বৰগোহাঁই,প্ৰাণীবিজ্ঞান বিভাগ (পাঞ্জাৰাণী ২০২৪)
দ্বিতীয় চুমন খনিকৰ, প্ৰাণীবিজ্ঞান বিভাগ
তৃতীয় চুলেখা ৰাণী কুম্বাং,ৰাজনীতি বিজ্ঞান বিভাগ



**Result of MR & Miss Icon DKC**

**Girl's :**
1st. Swargajyoti Gogoi, H.S. 1st year (arts)
2nd. Tanushree Boruah, Political Science
3rd. Sebika Kutum, Anthropology
**Best Walk :**
Jyoti Doley, Mathematics
**Best Personality**
Junmoni Payeng, History

**Boy's :**
1st. Asish D, Borah, History
2nd. Dipak Chutia, Zoology
3rd. Ujjal Chutia, Political Science
**Best Walk :**
Manash Jyoti Bharali, Assamese
**Best Personality :**
Nilim Jyoti Konch , Chemistry

**Mehendi Competition**
1st. Ritukrishna Uza, Botany
2nd Rashmi Rekha Sahu, Zoology
3rd. Lakhipriya Chamuah, Pol. Science
Sampriti Chutia, History

**Mandala Art Competition**
1st. Sushma Doley, History
2nd. Chayanika Chutia, Zoology
3rd. Lipi Gogoi, Assamese

**Carrom Single**
Champion - Bishal Thakur, Zoology
Runnersup - Ritom Saikia, Botany

**Carrom Double**
Champion - Bishal Thakur & Sudarshan Dutta , Zoology
Runnersup - Arnab Doley & Dibyajyoti Patir Chemistry

**Badminton Men's Single**
Champion - Chiranjib Phukan, Anthropology
Runnersup - Bandit Googoi, Political Science

**Badminton Men's Double**
Champion - Bishal Thakur & Abinash Konwar Zoology
Runnersup - Lambudar Pegu & Manjit Doley Mathematics

**Table Tennis Men's Single**
Champion - Prasanna Das, Botany
Runnersup - Tinku Pegu, H.S. 1st year(Science)

**Chess Men's**
Champion - Kripasagar Pegu, Political Science
Runnersup -Khagen Doley, Chemistry Mathematics




যুৱমহোৎসৱ, ২০২৪ৰ
বঁটাবিতৰণৰ এটি মুহূৰ্ত




যুৱমহোৎসৱ, ২০২৪
সাংস্কৃতিক শোভাযাত্ৰা



মহাবিদ্যালয়ত পদ্মশ্ৰী হেমচন্দ্ৰ গোস্বামীদেৱৰ
মুখাশিল্পৰ সাদিনীয়া কৰ্মশালা




প্ৰহ্লাদ গোহাঁই সোঁৱৰণী
তৰ্কপ্ৰতিযোগিতাৰ এটি মুহূৰ্ত




মহাবিদ্যালয়ৰ NSS Unit ৰ
দ্বাৰা Blood Donation Camp




পৰম্পৰাৰ এটা দিন



নৱাগত আদৰণী সভা, ২০২৪


অন্তৰীক্ষ
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
৩৬ তম প্ৰকাশ
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
DHAKUAKHANA COLLEGE MAGAZINE
Vol. XXXIV, 2011-12
৩৪তম সংখ্যা, ২০১১-১২
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
DHAKUAKHANA COLLEGE MAGAZINE
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
বৰ্ষ-২০০৯-১০
Dhakuakhana College
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
৩১ তম সংখ্যা, ২০০৮-০৯ বৰ্ষ
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
৩০ তম সংখ্যা, ২০০৭-২০০৮ বৰ্ষ
ডঃ চন্দ্ৰনাথ বৰুৱা
ডেভিড বড়া
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
সম্পাদক : দীপেন গগৈ
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
২৭ তম সংখ্যা ২০০৪-২০০৫ বৰ্ষ
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
২১তম সংখ্যা • ১৯৯৭-৯৮ বৰ্ষ
সম্পাদনা
জিতেন শইকীয়া
DHAKUAKHANA COLLEGE MAGAZINE
অন্তৰীক্ষ
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
৩৯ তম প্ৰকাশ • ২০১৬-২০১৭ বৰ্ষ
পাৰ্থ প্ৰতিম বৰুৱা
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
ৰূপালী জয়ন্তী সংখ্যা
অন্তৰীক্ষ
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
২৩তম সংখ্যা
২০০০-২০০১ বৰ্ষ
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
সম্পাদক
ডেভিড গগৈ
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
DHAKUAKHANA COLLEGE MAGAZINE